www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

বতাহৰ দিশ সলনি কৰিব নোৱাৰো, কিন্তু সদায় গন্তব্যস্থানত উপনীত হ'বলৈ মোৰ পালবোৰ সামঞ্জস্য কৰি ল'ব পাৰো। — জিমি ডিন।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২৩৪ | দেওবাৰ | ১৬ নৱেম্বৰ, ২০২৫ চন | ২৯ কাতি, ১৯৪৭ শক | VOL - 6 | NO.- 234 | Sunday | 16th November, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮



## থাৰ্ড ক্লাছ মানুহৰ ফ'ৰ্থ ক্লাছ উত্তৰ নিদিয়ে ৰকিবুল হুছেইনে

**অসম বাৰ্তা, গুৱাহাটী, ১৫ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মিঞা সন্দৰ্ভত কৰা মন্তব্যত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনক সাংবাদিকে প্ৰশ্ন কৰাত উত্তৰ নিদিলে ধুবুৰীৰ সাংসদ জনে। উত্তৰ নিদিয়াৰ ব্যাখ্যাও আগবঢ়ালে সংবাদ মাধ্যমৰ আগত। মুখ্যমন্ত্ৰীৰ বিষয়ে প্ৰশ্ন ▸▸৬ পৃষ্ঠাত

### দালালক গ্ৰেপ্তাৰৰ পিছতেই পোহৰলৈ আহিছে ভয়ংকৰ ঘটনা

## শিলচৰত ৪০ হাজাৰ টকাত নৱজাতকক বিক্ৰী পিতৃৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, শিলচৰ, ১৫ নৱেম্বৰ ঃ** শিশু দিৱসৰ দিনাই পিতৃয়ে বিক্ৰী কৰিলে সদ্যোজাত নৱজাতকক। ধনৰ বিনিময়ত এজন দালালৰ ▸▸৬ পৃষ্ঠাত

### এমোনিয়াম নাইট্ৰেট, পেট্ৰোলিয়াম বিস্ফোৰক সামগ্ৰী ব্যৱহাৰ কৰি প্ৰস্তুত কৰিছিল বোমা

## পাৰ্কিঙত বহিয়েই বোমা নিৰ্মাণ কৰিছিল ডাঃ ওমৰে !




**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৫ নৱেম্বৰ ঃ** দিল্লী বোমা বিস্ফোৰণৰ তদন্তই গতি লোৱাৰ লগে লগে বহু নতুন নতুন তথ্য পোহৰলৈ আহিছে। হাৰিয়ানা, দিল্লী, কাশ্মীৰৰ পিছত এতিয়া সমগ্ৰ ষড়যন্ত্ৰ উন্মোচন কৰিবলৈ তদন্তকাৰী সংস্থা পঞ্জাৱত উপস্থিত হৈছে। পঞ্জাৱৰ পাঠানকোটৰ ব্যক্তিগত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ পৰা ৰিয়াজ আহমেদ নামৰ এজন চিকিৎসকক আটক কৰিছে নিৰাপত্তা সংস্থাই। প্ৰাথমিক ▸▸৬ পৃষ্ঠাত

## লালু প্ৰসাদ যাদৱৰ পৰিয়ালৰ অভ্যন্তৰীণ বিবাদ

### আৰজেডিৰ বিপৰ্যয়ৰ পিছতেই লালু প্ৰসাদ যাদৱৰ পৰিয়াল ত্যাগ কন্যা ৰোহণী আচাৰ্যৰ



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৫ নৱেম্বৰ ঃ** বিহাৰৰ নিৰ্বাচনত আৰজেডিৰ বিপৰ্যয়ৰ পিছদিনাই লালু প্ৰসাদ যাদৱৰ পৰিয়ালৰ অভ্যন্তৰীণ বিবাদ পোহৰলৈ আহিল। লালু প্ৰসাদৰ কন্যা ৰোহণী আচাৰ্যই বিবৃতিযোগে ৰাজনীতি এৰাৰ কথা জনালে। সেয়াই নহয়, নিজৰ পিতৃগৃহৰ পৰিয়ালো পৰিত্যাগ কৰাৰ কথা জনাইছে ৰোহিণীয়ে। বিহাৰৰ বিধানসভা নিৰ্বাচনত মাত্ৰ ২৫খন আসনত জয়ী হৈছে আৰজেডি। ইয়াৰ পিছতে আজি ৰোহণী আচাৰ্যই এ' হেণ্ডেলত পোষ্ট ▸▸৬ পৃষ্ঠাত



## বীৰ লাচিত সেনাৰ মুখ্য সচিব ৰণ্টু পানীফুকনক পুনৰ গ্ৰেপ্তাৰ

**অসম বাৰ্তা, গুৱাহাটী, ১৫ নৱেম্বৰ ঃ** গুৱাহাটী মহানগৰীৰ বহুচৰ্চিত বৰবাৰী অপহৰণ কাণ্ডৰে জড়িত পাঁচজনকৈ বীৰ ▸▸৬ পৃষ্ঠাত

### শ্ৰীনগৰৰ নৌগাম আৰক্ষী থানাত বিস্ফোৰণত নিহত ৯ জন

# জব্দকৃত বিস্ফোৰকৰ বিস্ফোৰণত কপিল শ্ৰীনগৰ



### নিহত অধিকাংশই আৰক্ষী আৰু ফৰেনচিক বিষয়া

অনলাইন ডেস্ক, অসম বাৰ্তা, ১৫ নৱেম্বৰ: শ্ৰীনগৰৰ নৌগাম আৰক্ষী থানাত সংঘটিত এক ভয়ংকৰ বিস্ফোৰণত ৯জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৯জন লোক আহত হয়। বিষয়াসকলে এক 'হোৱাইট-কলাৰ' সন্ত্ৰাসবাদী মডুল গোচৰৰ সৈতে জড়িত বিস্ফোৰকসমূহৰ বৃহৎ ভাণ্ডাৰৰ পৰা নমুনা সংগ্ৰহ কৰি থকাৰ সময়তে বিস্ফোৰণটো সংঘটিত হয় বুলি শনিবাৰে আৰক্ষীয়ে জানিবলৈ দিয়ে। আৰক্ষীৰ শীৰ্ষ বিষয়াই জনোৱা মতে, শুকুৰবাৰে পুৱা এই বিস্ফোৰণটো সংঘটিত হয়। এই বিস্ফোৰণত নিহত অধিকাংশই আৰক্ষী আৰু ফৰেনচিক বিষয়া। এতিয়ালৈকে বিস্ফোৰণস্থলীৰ পৰা আঠটা মৃতদেহ উদ্ধাৰ কৰা হৈছে। মৃতদেহবোৰ শ্ৰীনগৰ ▸▸৬ পৃষ্ঠাত

### ■ বিহাৰত ঐতিহাসিক জয়ৰ পিছতেই দেশবাসীক সম্বোধন ■

## কংগ্ৰেছক 'মুছলিম লীগ-মাওবাদী' আখ্যা মোদীৰ



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৫ নৱেম্বৰ ঃ** বিহাৰ বিধানসভা নিৰ্বাচনত বৃহৎ জয় লাভৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰিছে। তেওঁ কংগ্ৰেছক ▸▸৬ পৃষ্ঠাত

### ৰাহুল গান্ধী বিজেপিৰ বাবে সৌভাগ্যৰ প্ৰতীক

## বিহাৰ বিধানসভা নিৰ্বাচনত এনডিএৰ বৃহৎ সাফল্য, প্ৰতিক্ৰিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ নৱেম্বৰ ঃ** বিহাৰ বিধানসভা নিৰ্বাচনত এন ডি এই বৃহৎ সাফল্যত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে এই বিজয়ৰ কৃতিত্ব দিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰক। এই ▸▸৬ পৃষ্ঠাত

## চামগুৰিৰ আমনিত চোৰাং গৰুসহ কণ্টেনাৰ গাড়ী জব্দ

অসম বাৰ্তা, পুৰণিগুদাম, ১৫ নবেম্বৰঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱা নিশা চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলাই চোৰাং গৰু ভৰ্তি এখন কণ্টেনাৰ ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱা নিশা আমনি অঞ্চলত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ দলটোৱে অভিযান চলোৱাৰ সময়ত উজনি দিশৰ পৰা আহি থকা এ-এছ-২৫- ই-চি-০৩৮৩ নম্বৰৰ চোৰাং গৰু ভৰ্তি কণ্টেনাৰ গাড়ীখন আৰক্ষীয়ে জব্দ কৰে। আৰক্ষীয়ে জব্দ কৰা কণ্টেনাৰ গাড়ীখনৰ পৰা ৫০টা চোৰাং গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয় বুলি আৰক্ষীৰ ▸▸৬ পৃষ্ঠাত

## ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ ফলত হাজাৰ হাজাৰ গাহৰি নিধন কৰা হৈছে। ইয়াৰ ফলত ক্ষুদ্ৰ আৰু বৃহৎ গাহৰি পালকসকলৰ যথেষ্ট ক্ষতি হৈছে। উজনি অসমৰ বিভিন্ন জিলাত বিশেষকৈ শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড় আৰু লখিমপুৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সৰ্বাধিক হোৱা বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। গোলাঘাট জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰৰ ▸▸৬ পৃষ্ঠাত



### ১২০০ৰো অধিক শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান

## শিলচৰ এনআইটিৰ সমাৱৰ্তন অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিলচৰ, ১৫ নৱেম্বৰ ঃ** শনিবাৰে শিলচৰস্থিত ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ ২৩ সংখ্যক সমাৱৰ্তন সম্পন্ন হয়। ১২১১ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী আৰু প্ৰশংসা পত্ৰ প্ৰদান কৰা হয় অনুষ্ঠানটোত। অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ▸▸৬ পৃষ্ঠাত

### চৰাইচোং উৎসৱ-২০২৫ৰ লাইখুঁটা স্থাপন বিধায়ক ভুৱন গামৰ

## ৫০খন জেছিবি লগাই উদ্ধাৰ কাৰ্য আৰম্ভ কৰা হ'ব চৰাইচোঙৰ



**অসম বাৰ্তা, উজনী মাজুলী, ১৫ নবেম্বৰ ঃ** চৰাইচোং পুনৰুজ্জীৱিত অভিযানত সন্মুখৰ পৰা সহযোগ কৰাৰ প্ৰতিশ্ৰুতি দি আগন্তুক চৰাইচোং উৎসৱৰ আগতেই একেদিনাই ৫০খন জেছিবি লগাই চৰাইচোং উদ্ধাৰৰ কাম কৰা হ'ব বুলি আজি ৰাজহুৱা ঘোষণা কৰে মাজুলীৰ বিধায়ক ভুৱন গামে। চৰাইচোং উৎসৱ ২০২৫ ৰ লাইখুঁটা স্থাপন কৰি বিধায়ক গৰাকীয়ে কয় যে স্বেচ্ছাসেৱী সংগঠন "মাজুলীৰ সাহিত্য" অব্যাহত ▸▸৬ পৃষ্ঠাত

### শ্ৰেষ্ঠ এগজিট প'লষ্টাৰকো পৰাস্ত কৰাৰ বাবে নিৰ্বাচন আয়োগ আৰু জ্ঞানেশ জীলৈ অভিনন্দন ঃ গৌৰৱ গগৈ

## বিহাৰৰ দৰে অসমত গতি নহয় কংগ্ৰেছৰ ঃ আত্মবিশ্বাসী গৌৰৱ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৫ নৱেম্বৰ ঃ** বিহাৰ নিৰ্বাচনৰ ফলাফলক লৈ ব্যাপক চৰ্চা দেখা গৈছে ৰাজনৈতিক মহলত। কংগ্ৰেছৰ শোচনীয় প্ৰদৰ্শনৰ বাবে অসমতো দলটোক তীব্ৰ সমালোচনা কৰা দেখা গৈছে। ক্ৰমাগতভাৱে নিৰ্বাচনত পৰাজয়ৰ বাবে সমালোচনাৰ সন্মুখীন হৈছে দলটোৰ নেতা ৰাহুল গান্ধী। যোৰহাটৰ সাংসদ তথা ▸▸৬ পৃষ্ঠাত

## অসমলৈ বৃন্দাবনী বস্ত্ৰ আনিবলৈ লণ্ডন অভিমুখে ৰাওনা মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ নৱেম্বৰ:** শনিবাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি, ১৫শ শতিকাৰ বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা লণ্ডন অভিমুখে ৰাওনা ▸▸৬ পৃষ্ঠাত

### দাড়ি-টুপী থকা মানুহ ষ্টেজত উঠিব নিদিয়ে; কংগ্ৰেছক কটু সমালোচনা বদৰুদ্দিন আজমলৰ

## বিহাৰৰ ফলাফলৰ পৰা কংগ্ৰেছে শিক্ষা ল'ব লাগে !



**অসম বাৰ্তা, গুৱাহাটী, ১৫ নৱেম্বৰ ঃ** বিহাৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পিছতেই এ আই ইউ ডি এফৰ সভাপতি তথা প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে কংগ্ৰেছক কটু সমালোচনা কৰে। তেওঁ কয় "বিহাৰৰ নিৰ্বাচনী ফলাফলৰ পিছত কংগ্ৰেছে শিক্ষা ▸▸৬ পৃষ্ঠাত



## বিহালীত ভগৱান বিৰছা মুণ্ডাৰ জন্মবাৰ্ষিকী উদ্‌যাপন

### পিছপৰা সম্প্ৰদায়ৰ উন্নয়ন কংগ্ৰেছৰ দিনত কেৱল বক্তব্যতেই সীমাবদ্ধ হৈ ৰ'ল ঃ সোণোৱাল

**অসম বাৰ্তা, দিছপুৰ, ১৫ নৱেম্বৰ ঃ** মহান জনজাতীয় নেতা তথা স্বাধীনতা সেনানী বীৰছা মুণ্ডাদেৱৰ ১৫০সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ বিহালী আঞ্চলিক সমিতিৰ উদ্যোগত বিহালীত অনুষ্ঠিত এক সভাত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল দেৱে। এই কাৰ্যসূচীত সাংসদ ৰঞ্জিত দত্ত, স্থানীয় বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিহালী ▸▸৬ পৃষ্ঠাত



উপস্থিত বিশিষ্ট সাহিত্যিক ড° নগেন শইকীয়া

# ডিব্ৰুগড়ত বিশিষ্ট ভাস্কৰ্যশিল্পী বীৰেণ সিংহক সাৰস্বত সন্মান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৫ নৱেম্বৰ ঃ** "সংস্কৃতিৰ প্ৰতি মই এগৰাকী আকলুৱা ব্যক্তি হিচাপে মই প্ৰায়ে প্ৰকৃতিৰ সুৰৰ মাজত মজি থাকো কাৰণ প্ৰতিটো মুহূৰ্ততে প্ৰকৃতিয়ে সুৰৰ সৃষ্টি কৰে- এই সুৰৰ মাজত বিৰল আৱেগ থাকে। এই সুৰৰ মাজতে কেতিয়াবা কান্দো আৰু কেতিয়াবা আনন্দ লাভ কৰো- সৃষ্টিৰ মাদকতাও সুৰৰ পৰাই অৰ্জন কৰো, প্ৰকৃতিয়ে মোক সদায় মানসিক গতি প্ৰদান কৰি আহিছে, বিহুগীতৰ মাজতো এক সুকীয়া সুৰ থাকে, এই সুৰৰ স্তৰ বিশ্বৰ যিকোনো উচ্চস্তৰৰ গীতি-কবিতাৰ সুৰৰ ফেৰ মাৰিব পৰা পৰ্যায়ৰ" এই বক্তব্য অসমৰ বিশিষ্ট ভাস্কৰ্যশিল্পী বীৰেণ সিংহৰ। আজি (১৪-১১-২৫) ডিব্ৰুগড়ত অধ্যাপক ডঃ নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদে ন্যাসৰ সৰ্বোচ্চ সন্মান 'সাৰস্বত সন্মান ২০২৪' প্ৰদান কৰে বিশিষ্ট ভাস্কৰ্য শিল্পী বীৰেন সিংহক। ন্যাসৰ সভাপতি তথা ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাৰ পৌৰোহিত্যত এই উপলক্ষে প্ৰথিতযশা সাহিত্যিক ড° নগেন শইকীয়াৰ বাসগৃহ 'আশ্ৰয়'ত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'এজন ভাস্কৰ্য শিল্পীৰ আত্মকথা' শীৰ্ষক বিষয়ক ভাষণ প্ৰদান কৰি শিল্পীগৰাকীয়ে নিজৰ জীৱনৰ বিভিন্ন দিশৰ কথা উল্লেখ কৰি কয় যে অষ্টম শ্ৰেণীতেই ঘৰৰ




পৰা আঁতৰি এক অন্তৰ্মুখী যাত্ৰা আৰম্ভ কৰিছিলোঁ। কথা নোকোৱাকৈ বহুদিন কটাইছিলো। লাহে লাহে চিত্ৰৰ জৰিয়তে নিজৰ ক'বলগাবোৰ কৈছিলোঁ। কাৰ্বি পাহাৰৰ জনজীৱনৰ স'তে একাত্ম হৈ পৰিছিলো। তেওঁলোকৰ স'তে এক বেলেগ ভাষাত ভাৱৰ আদান-প্ৰদান কৰিছিলো। শিল্পী জীৱনটোক গতি দিয়াৰ ক্ষেত্ৰত কাৰ্বি পাহাৰৰ বিশিষ্ট নেতা জয়ন্ত ৰংপি আৰু ছামসিং হান্সেৰ অৱদানৰ কথা উল্লেখ কৰি তেওঁ কাৰ্বি আংলঙক 'কেনভাছ'ত পৰিণত কৰি দিয়াৰ যি প্ৰচেষ্টা সেয়া এসময়ত প্ৰতিদান লাভ কৰি জীৱনৰ আত্ম পৰিচয় লাভ কৰো। শিল্পীগৰাকীয়ে কয় যে আমি জীৱনটো ভালকৈ চাব নেজানো, চাবলৈ নিশিকো। জীৱনটো এক সাধাৰণ বা তাকৰ সময়। চিন্তা আৰু চেতনা থাকিলেহে আত্মাই সাৰ পাই উঠি এক সম্পৰ্ক বিচাৰে যাক আমি আত্মিক সম্পৰ্ক বুলি কওঁ। আত্মাই এখন ঠাই বিচাৰে। সেইটো মোৰ ভিতৰত থকাৰ বাবে মই নিজকে গৌৰৱবোধ কৰো। কাৰণ দেশখনক ভাল পাবলৈ আমাৰ ভূমি-আমাৰ প্ৰকৃতিক ভাল পোৱাটো হৈছে পূৰ্বচৰ্ত। ড° নগেন শইকীয়াৰ লগতে তেওঁৰ সৃষ্ট 'মিতভাষ'ৰ উচ্চ প্ৰশংসা কৰি এগৰাকী মৰমিয়াল, নিৰহংকাৰী বিশাল ব্যক্তিত্বৰ আন কোনো মানুহ জীৱনত দেখা নাই বুলিও ভাষণত ভাস্কৰ্য শিল্পী গৰাকীয়ে উল্লেখ কৰে। আৰম্ভণিতে সাৰস্বত ন্যাসৰ দাত্ৰী তথা ড০ নগেন শইকীয়াৰ সহধৰ্মিণী প্ৰয়াত লাৱণ্য শইকীয়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰ পিছতে ন্যাসৰ সম্পাদক বীৰেন বৰুৱাই ন্যাসৰ কাম-কাজৰ লগতে ন্যাসৰ শীৰ্ষ ব্যক্তি নগেন শইকীয়াৰ অসুস্থতাৰ হেতু অনুষ্টুপীয়াকৈ নিজা বাসগৃহত আয়োজনৰ কথা উল্লেখ কৰে। ইয়াৰ পিছতেই সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাই শিল্পী বীৰেণ সিংহৰ জীৱন-কৃতী সম্পৰ্কে চমুকৈ আলোকপাত কৰে। ন্যাসৰ তৰফৰ পৰা শিল্পী বীৰেণ সিংহক ফুলৰ থোপা, অংগবস্ত্ৰ, স্মাৰক, গ্ৰন্থৰ টোপোলা আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত সভাতেই ড° নগেন শইকীয়াৰ নৱতম গ্ৰন্থ 'অতীতেই মোৰ ঘৰ' উন্মোচন কৰে ড° কৰবী ডেকা হাজৰিকাই। অনুষ্ঠানত উপস্থিত থাকি ড° নগেন শইকীয়াই নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে মোৰ অন্তৰৰ গভীৰতম কোণৰ পৰা ভালপোৱা এগৰাকী ব্যক্তি হৈছে বীৰেণ সিংহ। ছবিয়ে কথা কয়-এই আপ্তবাক্য যেন তেওঁৰ সৃষ্টিত বিৰাজমান। জীৱনৰ প্ৰত্যেকটো মুহূৰ্তকে আমি ছবি বুলি ভাৱিব পাৰো। জীৱনটো কেৱল যাপন কৰিবলৈ নহয় আনকো দিবৰ বাবেই যেন তেওঁৰ সৃষ্টিৰাজি। তেওঁৰ ছবিবোৰৰ মাজত কেৱল আজিৰেই নহয় কাইলৈৰ ছবিখনো পোৱা যায়। তেওঁৰ দৰে সৃষ্টিশীল মানুহৰ মন এটাৰ কেতিয়াও মৃত্যু নহয়। তেওঁক মোৰ সদায় চুই চাবৰ মন যায়, মৰম কৰিবৰ যেন মন যায়। অনুষ্ঠানত বীৰেণ সিংহৰ পত্নী মামনী সিংহ, বিশিষ্ট লেখক ভৰত সন্দিকৈ, প্ৰহৰী অনুষ্ঠানৰ কাৰ্যকৰী সভাপতি ডাঃ শান্তনু লহকৰ, সম্পাদক দীপা গোস্বামী, বিশিষ্ট সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈ, প্ৰকাশ গগৈ, ন্যাসৰ কোষাধ্যক্ষ গৌতম শইকীয়া, প্ৰচাৰ সচিব ৰতন হাজৰিকা, সংযোজক ড° মন্দিৰা বৰঠাকুৰ শইকীয়া, সদস্য দেৱীপ্ৰসাদ বাগড়োদিয়া, সদস্যা গায়ত্ৰী বৰুৱা, দিলীপ তামোলী, শান্তনু বৰঠাকুৰকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

'ছাত্ৰকাল জীৱনৰ সোণাময় ক্ষণ' -ড° দেৱজিৎ শইকীয়া

# ঢকুৱাখনাৰ কাইজেন একাডেমিত বাৰ্ষিক ক্ৰীড়া সমাৰোহ সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৫ নৱেম্বৰ ঃ** ঢকুৱাখনাৰ উল্লেখযোগ্য উচ্চ মাধ্যমিক শিক্ষানুষ্ঠান কাইজেন একাডেমিৰ ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত ৬ষ্ঠ বাৰ্ষিক ক্ৰীড়া সমাৰোহ, ২০২৫ৰ বঁটা বিতৰণী সভাখন আজি অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা একাডেমিৰ শিক্ষাৰ্থীসকলে পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপণ কাৰ্যসূচী সম্পন্ন কৰাৰ পাছতে পুৱা ৯ বজাৰ পৰা একাডেমিৰ প্ৰেক্ষাগৃহত মুকলি সভা অনুষ্ঠিত হয়। একাডেমিৰ সঞ্চালক পূৰ্ণানন্দ গগৈয়ে বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা সভাখন উদ্বোধন কৰি ঢকুৱাখনাৰ সমজিলা আয়ুক্ত সংস্কৃতি সোমানীয়ে খেল-ধেমালিৰ গুৰুত্ব সম্পৰ্কে শিক্ষাৰ্থীসকলক অৱগত কৰে। একাডেমিৰ উপ-সঞ্চালক ধৰ্মেন্দ্ৰ বৰাই আঁত ধৰা সভাখনিত সভাপতিত্ব কৰে কাইজেন চচাইটিৰ সভাপতি ভোলানাথ গগৈয়ে। একাডেমিৰ শৈক্ষিক সমন্বয়ক কুমুদ চন্দ্ৰ শৰ্মাই সকলোকে আদৰণি জনায়। সভাত মুখ্য অতিথি হিচাপে আমন্ত্ৰিত ঢকুৱাখনা সমষ্টিৰ বিধায়ক নৱ কুমাৰ দলে উপস্থিত থাকিব নোৱৰাৰ পৰিপ্ৰেক্ষিতত তেওঁ প্ৰেৰণ কৰা শুভেচ্ছা পত্ৰখন পাঠ কৰা হয়। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। ক্ৰীড়া সমাৰোহত অংশগ্ৰহণ কৰা সকলো শিক্ষাৰ্থীকে অভিনন্দন জ্ঞাপন কৰি অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়—"ছাত্ৰকাল জীৱনৰ আটাইতকৈ সোণাময় ক্ষণ। এই ক্ষণৰ প্ৰতিটো পলৰ সদ্ব্যৱহাৰে শিক্ষাৰ্থীৰ জীৱন জাতিষ্কাৰ কৰি তোলে। পুথিগত শিক্ষাৰ লগতে আনুষংগিক বিষয়ৰ জ্ঞান লাভৰ প্ৰতি ধাউতি থকা শিক্ষাৰ্থীয়ে জীৱনত কেতিয়াও পাছলৈ ঘূৰি চাব লগা নহয়।" লগতে আগলৈয়ো এনে ক্ৰীড়া সমাৰোহৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ তেওঁ শিক্ষাৰ্থীসকলক আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ঢকুৱাখনা স্নাতকোত্তৰ প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপিকা মীনাক্ষী সেনাপতি, ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা কল্পনা গগৈ, সমাজকৰ্মী পূৰ্ণ লাহন, কাইজেন একাডেমিৰ মুখ্য উপদেষ্টা বসন্ত শইকীয়া আৰু একাডেমিৰ কাৰ্যকৰী সভাপতি মনজিৎ সিং। সভাত কাইজেন একাডেমি চচাইটিৰ সচিব ৰাজ কুমাৰ শৰ্মা, মুন শৰ্মা, উপাধ্যক্ষ প্ৰণয় কোঁৱৰ, খেল সপ্তাহ উদযাপন সমিতিৰ সমন্বয়ক উন্নত কুমাৰ দত্ত, শিক্ষকসকল ক্ৰমে মৃদুপৱন হাজৰিকা, লক্ষ্যহীৰা বৰুৱা, মিতালী দত্ত, বিভা শৰ্মা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ উপৰি তিনি শতাধিক শিক্ষাৰ্থী উপস্থিত থাকে। ক্ৰীড়া সমাৰোহত ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণে তেওঁলোকৰ সৰ্বাংগীণ উন্নয়নত সহায়ক হোৱাৰ লগতে ভৱিষ্যত জীৱন সুগম কৰিব বুলি আশা প্ৰকাশ কৰে। একাডেমিৰ ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহণীয়া সাংস্কৃতিক পৰিৱেশনৰে সভাখনি জীপাল কৰি তোলে। ইয়াৰ পিছতেই ক্ৰীড়া সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়। সভাৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে কাইজেন একাডেমিৰ অধ্যক্ষ পি. এ. মাৰাকে।

# বকোৰ প্ৰয়াস গৃহৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰীয় শিশু দিৱস উদযাপন

**অসম বাৰ্তা, বকো, ১৫ নৱেম্বৰ ঃ** "নিষ্পাপ শিশুৰ যতন আৰু সুৰক্ষা আমাৰ সকলোৰে দায়িত্ব"- শীৰ্ষক বিষয় বস্তুৰ ওপৰত আলোকপাত কৰি আজি এক সজাগতা সভা অনুষ্ঠিত হয় কামৰূপ জিলাৰ বকোত। বকো উন্নয়ন খণ্ডৰ অন্তৰ্গত ১০ নং দক্ষিণ বকো গাঁও পঞ্চায়তৰ অধিনৰ কালিয়াবড়ীস্থিত প্ৰয়াস শিশু গৃহত আজি দিনযোৰা বিস্তৃত কাৰ্য্যক্ৰমণিকাৰে অনুষ্ঠিত হয় শিশু দিৱসৰ কাৰ্য্যসুচী। বকোস্থিত প্ৰয়াস শিশু গৃহৰ সঞ্চালক তথা বিশিষ্ট সমাজ হিতৈষী আনোৱাৰ হুছেইনৰ সঞ্চালনাত অনুষ্ঠিত হোৱা কাৰ্য্যসুচীত পুৱাতে নাহৰ গছ পুলি ৰোপণ কৰে কালিয়াবড়ী গাওঁ পৰিচালনা সমিতিৰ সভাপতি লাচিত কলিতাই। ইয়াৰ পিছতে নেহেৰু খুড়াৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন কৰে লুইত পৰীয়া ভয়ছৰ মুখ্য সম্পাদক বিষ্ণু ৰাম দাসে। অনুষ্ঠানত প্ৰয়াত যশস্বী শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে বেচৰকাৰী সংস্থা আলোড়নৰ কাৰ্য্যকৰী সভাপতি গৌৰাংগ চৌধুৰীয়ে। অনুষ্ঠানত বকো উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ৰাজীৱ দাস, পঞ্চায়ত সচিব ইউনিছ আলী, জ্যেষ্ঠ সাংবাদিক ময়নুল হক, বাহাৰুল ইছলামৰ উপৰিও সমাজ কল্যাণ বিভাগৰ, আশা চুপাৰভাইজাৰ, অন্যান্য চৰকাৰী বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানৰ বহু সংখ্যক বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে অসমৰ আগশাৰীৰ বেচৰকাৰী সংস্থা আমাৰ প্ৰয়াস গোষ্ঠীৰ সম্পাদক অমল চন্দ্ৰ দাস আৰু হাফিজ আলীয়ে জনোৱা অনুসৰি অনুষ্ঠানত শিশু গৃহৰ উত্তৰোণৰ ওপৰত আলোকপাত কৰাৰ লগতে প্ৰয়াস শিশু সেৱা সন্মান প্ৰদান কৰা হয় বহু সংখ্যক শুভাকাংক্ষীক। ইফালে শিশুৰ যতন আৰু সুৰক্ষাৰ বিষয়ে আলোকপাত কৰিবলৈ আহে কামৰূপ জিলা শিশু সুৰক্ষা বিষয়া মালবিকা কলিতাৰ উপৰিও বহু কেইজন বিশিষ্ট অতিথিয়ে। মনোজ্ঞ পৰিৱেশত আয়োজন কৰা শিশু দিৱসৰ লগতে প্ৰয়াস শিশুগৃহৰ বৰ্ষপূৰ্তি অনুষ্ঠানত বকোৰ সমাজকৰ্মী হাফিজ আলী মণিৰুল হুছেইনসহ কেইবাজনো অতিথিয়ে।

# কামৰূপ জিলাত দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সভা আৰু অৰুণোদয় ৩.০ আঁচনি পৰ্যালোচনা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৫ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন, জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত গুৱাহাটী লোক সভা সমষ্টিৰ সাংসদ বিজুলি কলিতা মেধিৰ উপস্থিতিত অৰুণোদয় ৩.০ৰ জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সভাত অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সকলো যোগ্য হিতাধিকাৰীক অৰুণোদয় ৩.০ আঁচনিৰ অধীনত সামৰি লোৱাতো নিশ্চিত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। ইয়াৰ উপৰিও মন্ত্ৰী গৰাকীয়ে সভাত উপস্থিত থকা খণ্ড উন্নয়ন বিষয়াসকলক নিজ নিজ উন্নয়ন খণ্ডৰ অধীনত হিতাধিকাৰী নিৰ্বাচনৰ সময়ত পূৰ্বতে বিত্তীয় সাহায্য লাভ কৰি থকা যোগ্য হিতাধিকাৰীসকল যাতে কোনো কাৰণতে বাদ পৰি নাযায় সেই দিশত চোকা দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিয়ে। সভাত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, জিলা পৰ্যায়ৰ সমিতিৰ সদস্য অঞ্জন গোস্বামী, ৰঞ্জিত ভট্টাচাৰ্য, ৰঙিয়া সম-জিলা আয়ুক্ত দেৱাশিস গোস্বামী, পলাশবাৰীৰ সম-জিলা আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, বিধায়ক সকলৰ প্ৰতিনিধি সকল, চক্ৰ বিষয়া সকল আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে। অন্যহাতে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন সভাতো সভাপতিত্ব কৰে। সভাত বানপানী আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ বাবে জিলাখনত হোৱা পথ, বিদ্যালয়গৃহ, মথাউৰি আদিৰ ক্ষয়-ক্ষতিৰ বিপৰীতে সংশি-ষ্ট বিভাগসমূহে দাখিল কৰা কেইবাটাও প্ৰস্তাৱ সন্দৰ্ভত বিস্তৃত ভাৱে আলোচনা কৰা হয় আৰু অনুমোদন জনোৱা হয়। জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তৰফৰ পৰা চলিত বৰ্ষত কামৰূপ জিলাত বানপানী আৰু ধুমুহাৰ ফলত বিভিন্ন বিভাগৰ আঁচনি আদিকে ধৰি বহু আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত হোৱা বুলিও উল্লেখ কৰা হয়। সভাত বানপানীৰ সময়ত জি আৰ ফাণ্ড ব্যৱহাৰ কৰা হৈছে বুলিও উল্লেখ কৰা হয়। সভাত কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, অতিৰিক্ত জিলা আয়ুক্ত সুজাতা গগৈ, ৰঙিয়া সম-জিলা আয়ুক্ত দেৱাশিস গোস্বামী, পলাশবাৰীৰ সম-জিলা আয়ুক্ত ৰশ্মি বৰুৱা গগৈ, বিধায়ক সকলৰ প্ৰতিনিধি সকল, চক্ৰ বিষয়া সকলৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া সকল উপস্থিত থাকে।

# গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাৰ উদ্যোগত শিশু দিৱস উদযাপন

**অসম বাৰ্তা, গেলেকী, ১৫ নৱেম্বৰ ঃ** গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাৰ উদ্যোগত নাহৰগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত শিশু দিৱস উদ্‌যাপন কৰা হয়। এই উদ্দেশ্যৰে অনুষ্ঠিত সভাৰ কাৰ্যসূচীৰ অনুসৰি প্ৰথমে পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিৰ সন্মুখত ধূপ, বন্তি আৰু পুষ্পমাল্য অৰ্পণ কৰে শাখাৰ সভাপতি দিলীপ মহন্তই লগত সহযোগ কৰে নাহৰগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণ তাছাই। সভাখন শুভাৰম্ভ কৰে অসম সাহিত্য সভাৰ সূচনা গীত চিৰ চেনেহী মোৰ ভাষা জননী গীতটি পৰিৱেশন কৰে অষ্টম শ্ৰেণীৰ ছাত্ৰীসকলে। নাহৰগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণ তাছাই আঁতধৰা অনুষ্ঠানতে সভাৰ সভাপতিত্ব কৰে দিলীপ মহন্তই। নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কীৰ্তি শিক্ষক তথা অমৰ জ্যোতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শিৱসাগৰ জিলা সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ উপ-সভাপতি অমৰ শৰ্মা, হাবি গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সুশীল শইকীয়া, গেলেকী বৰহোলা জংঘল প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সঞ্জীৱ বৰুৱা, নাহৰ গুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ, সহঃ শিক্ষক পৰিমল মহন, ৰুণু গগৈ, অভিষেক চেতিয়া, দিন গগৈ, আৰু ৰিমঝিম গগৈ। সভাপতিৰ আদৰণি ভাষণৰ পাছতেই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক দিপালী ৰাধিকা দুৱৰাই। কীৰ্তি শিক্ষক অমৰ শৰ্মাই শিশু দিৱসৰ তাৎপৰ্যৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে উপকৃত হোৱাকৈ সুন্দৰ বক্তব্য আগবঢ়াই। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী ক্ৰমে পৰীস্মিতা গগৈ, অনুপম চেতিয়া, সুৰুয গগৈয়ে হাৰ্টথ্ৰব জুবিনৰ গীত পৰিৱেশন কৰি অনুষ্ঠান সোণত সুৱগা চৰায় লগতে ক্ৰমে চিন্ময় গগৈ, অণুপ্ৰিয়া চেতিয়া, চিনথিয়া গগৈ ঝিছিকা গগৈয়ে সৃষ্টিশীল নৃত্য প্ৰদৰ্শন কৰে। সভাত উপস্থিত থকা সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক কিতাপ, বহি, কলম পেঞ্চিল আৰু লঘু আহাৰ বিতৰণ কৰে। অৱেলিভাগত অসম সংগীতেৰে সভা সফল সামৰণী পৰে।

# টংলাত হিয়াৰ আমঠু জুবিন গাৰ্গৰ ওপজা দিনৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১৫ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত টংলা জুবিন গাৰ্গ ফেন ক্লাবৰ উদ্যোগত আৰু জুবিন অনুৰাগীৰ সহযোগত অহা ১৮ নৱেম্বৰত আয়োজন কৰা হৈছে প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু জুবিন গাৰ্গৰ ৫৩ সংখ্যক ওপজা দিন। পুৱা ৯ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছত বিয়লি ৩ -৩০ বজাত নাহৰৰ পুলি ৰোপণ, ৫ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত চিত্ৰ শিল্পীয়ে শিল্প কৰ্মৰ দ্বাৰা প্ৰতিবাদ সাব্যস্ত কৰিব। আনহাতে সন্ধিয়া ৬ বজাত স্থানীয় গায়ক -গায়িকাৰ দ্বাৰা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গীতৰ গধূলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি জুবিন গাৰ্গ ফেন ক্লাবৰ হৈ কনক সেন ডেকা, ৰিপুল গাৰ্গ আৰু চিমাংসা বড়োছাই সদাশয় ৰাইজৰ সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# কাৰৈমাৰী নৈশ্য ফুটবলত সোণাৰীবালি আঞ্চলিক ক্ৰীড়া সন্থা ফাইনেলত

**অসম বাৰ্তা, ৰূপহীহাট, ১৫ নৱেম্বৰ ঃ** চামগুৰিৰ কাৰৈমাৰীত চলি থকা এপিজে আব্দুল কালাম নৈশ্য ফুটবল খেলৰ যোৱা নিশা দ্বীতিয়খন চেমিফাইনেল খেল অনুষ্ঠিত হয়। উক্ত চেমি ফাইনেল খেলত সোণাৰিবালী আঞ্চলিক ক্ৰীড়া সন্থা আৰু ধিং জাৰামাৰি এফ চিৰ মাজত তূমূল প্ৰতিদ্বন্দ্বিতা হোৱা দেখা যায়। উক্ত খেলত ৪-৩ গ'লৰ ব্যৱধানত সোণাৰিবালী আঞ্চলিক ক্ৰীড়া সন্থাই ধিং জাৰামাৰি এফ চি দলটোক পৰাস্ত কৰি চূড়ান্ত ফাইনেল খেলত প্ৰৱেশ কৰে। যোৱা নিশাৰ খেলত দুয়োটা দলৰ মাজত নিৰ্ধাৰিত সময়ত তুমূল প্ৰতিদ্বন্দ্বিতাত কোনো এটা দলে গ'ল দিব পৰা হোৱা নাছিল। খেলৰ অন্তত কমিটীৰ সিদ্ধান্ত চূড়ান্ত বুলি গণ্য কৰি টাইব্ৰেকাৰ পদ্ধতিত খেলৰ ফলাফল নিৰ্ধাৰণ কৰা হয়। অহা কালি দেওবাৰে নিশা চূড়ান্ত ফাইনেল খেলত সোণাৰিবালী আঞ্চলিক ক্ৰীড়া সন্থা আৰু বৰঘুলি যুৱ সংঘৰ মাজত অনুষ্ঠিত হ'ব। উক্ত খেলত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা।

আজিৰে পৰা ১৮ নৱেম্বৰলৈ ২ নং তিনিসূতী কৈৱৰ্ত নামঘৰত আয়োজন

# ঈশ্বৰ পুত্ৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তিৰ বাবে লেখাপানীৰ ২নং তিনিসূতীত ভাগৱত পাঠ আৰু ভাওনা প্ৰদৰ্শনৰ আয়োজন

**অসম বাৰ্তা বিশেষ, জাগুন, ১৫ নৱেম্বৰ ঃ** মাৰ্ঘেৰিটা সম জিলাৰ কুমচাই গাওঁ পঞ্চায়তৰ অন্তৰ্গত ২ নং তিনিসূতী কৈৱৰ্ত নামঘৰত চাৰি দিনীয়া বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হৈছে ভাগৱত পাঠ আৰু ভাওনা প্ৰদৰ্শন। তিনিসূতী যুৱ সমাজ ও ৰাইজৰ সৌজন্যত ঈশ্বৰ পুত্ৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ চিৰ শান্তিৰ উপলক্ষে আয়োজন কৰা হৈছে এই অনুষ্ঠানৰ। আজিৰ পৰা আৰম্ভ হোৱা এই অনুষ্ঠানৰ শুভাৰম্ভ হয় পুৱা প্ৰসঙ্গ, ধৰ্মধ্বজ্জা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষ ৰোপণ, শ্ৰদ্ধাঞ্জলি অৰ্পণ, ভাগৱত ভ্ৰমণ, মূল নাম প্ৰসঙ্গ আৰু ভাগৱত পাঠৰ শুভাৰম্ভ কৰা হব। মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰৱক্তা ডন্‌মেন হাজৰিকাই ভাগৱত উদ্বোধনী ভাষণ প্ৰদান কৰাৰ লগতে ভাগৱত পাঠৰ শুভাৰম্ভ কৰিব বনগঞা সত্ৰৰ ডেকা সত্ৰাধিকাৰ প্ৰেম নাৰায়ন গোস্বামীয়ে ব্যাখ্যা কৰিব ক্ৰমে লোহিত সন্দিকৈ আৰু প্ৰৱণ ফুকনে। দ্বিতীয় দিনা অৰ্থাৎ ১৬ নৱেম্বৰ তাৰিখে অবিৰত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠিত হব। ভাগৱত ব্যাখ্যা কৰিব পৱন ৰাজ ফুকনে। তৃতীয় দিনা অৰ্থাৎ ১৭ নৱেম্বৰ তাৰিখে অবিৰত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠিত হব। ভাগৱত ব্যাখ্যা কৰিব শিৱসাগৰৰ মাধুৰ্য বৰাই। অন্তিম দিনা অৰ্থাৎ ১৮ নৱেম্বৰ তাৰিখে অবিৰত ভাগৱত পাঠ আৰু সামৰণি, সমূহীয়া নাম প্ৰসঙ্গ, সম্বৰ্ধনা অনুষ্ঠান, সন্ধিয়া প্ৰসঙ্গ আৰু দুলিয়াজান বিহঙ্গম ৰঙ্গশালা নাট্যগোষ্ঠীদ্বাৰা নিবেদিত শ্ৰীশ্ৰী কৃষ্ণৰ দ্বাৰকা লীলা ভাওনা প্ৰদৰ্শন কৰা হব। পৰিচালনা কৰিব অৰবিন্দ বৰাই আৰু মুখ্য বায়ন হিচাপে থাকিব বৰ্ণিল শইকীয়া। ভাওনা প্ৰদৰ্শনৰ উদ্বোধনী ভাষণ আগবঢ়াব দুলিয়াজানৰ প্ৰাণপ্ৰতীম গগৈয়ে। উক্ত দিনকেইটাত সকলো ভক্ত প্ৰাণ ৰাইজক সাদৰ নিমন্ত্ৰণ জনাইছে আয়োজক সমিতিয়ে।

# লোকপ্ৰিয় মধ্য ইংৰাজী বিদ্যালয়ৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, বাগানপাৰা, ১৫ নৱেম্বৰ ঃ** " জীৱনত সফল হ'বলৈ প্ৰতিগৰাকী ছাত্ৰ -ছাত্ৰীয়ে অধ্যয়নশীল হ'ব লাগিব। পৰিশ্ৰমী হলেহে সফলতা আজুৰি আনিব পাৰি। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নৈতিক শিক্ষাৰে শিক্ষিত হলেহে আমাৰ ভৱিষ্যত সমাজখন সুন্দৰ হ'ব। প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজকে ভাল মানুহ হিচাপে গঢ়ি তোলাৰ চেষ্টা কৰিব লাগিব। কেৱল ডাঙৰ মানুহ হ'লেই নহ'ব, সমাজখন বৰ্তি থাকিবলৈ ভাল মানুহৰহে অধিক প্ৰয়োজন।" এই মন্তব্য বাগানপাৰা হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক অতুল কুমাৰ দাসৰ। ১৩ নবেম্বৰত বাক্সা জিলাৰ লোকপ্ৰিয় মধ্য ইংৰাজী বিদ্যালয়ৰ ২৮ সংখ্যক বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি এনেদৰে কয়। খৈৰাণী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মৃণাল কান্তি আচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা খনত জোপাদং এম ই স্কুলৰ শিক্ষক ৰাজকুমাৰ চেত্ৰীয়ে নিৰ্দিষ্ট বক্তা আৰু বৰিকাদঙা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সনাতন মেধিয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। ছাত্ৰ -ছাত্ৰীৰ আৰম্ভণি গীতেৰে আৰম্ভ হোৱা সভাত ছাত্ৰ -ছাত্ৰী সকলে গীত আৰু নৃত্য পৰিৱেশন কৰে। ১১ নবেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বাৰ্ষিক অধিৱেশনৰ আৰম্ভণিৰ দিনা পুৱা প্ৰধান শিক্ষয়িত্ৰী মামনি দাসে পতাকা উত্তোলন কৰাৰ পিছত জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পিছত ছাত্ৰ -ছাত্ৰী সকলৰ মাজত বিভিন্ন খেল-ধেমালি, চিত্ৰাংকণ, কুইজ, ৰচনা, আকস্মিক বক্তৃতা, আবৃত্তি, ভেশচন, নৃত্য, গীত আদি প্ৰতিযোগিতা অনুষ্ঠিত হয়। জ্যেষ্ঠ শিক্ষক প্ৰফুল্ল কুমাৰ শৰ্মাই আঁত সভাত শিক্ষক ভূষণ চন্দ্ৰ ৰয়, প্ৰলয় সাহা, অভিভাৱক অভিভাৱিকা তথা ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে।

# কাঠমাণ্ডুৰ পৰা সোণৰ পদকপ্ৰাপ্ত প্ৰিয়দৰ্শনীক আদৰণি

**অসম বাৰ্তা, কামপুৰ, কচুৱা, ১৫ নৱেম্বৰ ঃ** নগাঁও জিলাৰ কামপুৰ দক্ষিণ পাট ভকত গাঁৱৰ প্ৰিয়দৰ্শনী বৰুৱাই যোৱা পাঁচ নৱেম্বৰত নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত যোগৰ আন্তৰ্জাতিক প্ৰতিযোগিতাৰ ৯ বছৰীয়া শাখাত প্ৰথম স্থান লাভ কৰি সোণৰ পদক আজুৰি আনিবলৈ সক্ষম হয়। আজি তেওঁ কামপুৰত উপস্থিত হোৱাৰ পাছতে বিভিন্ন সংগঠন আৰু ব্যক্তিয়ে ফুলাম গামোচাৰে আদৰণি জনায়। বিশেষকৈ তেওঁ প্ৰথম অৱস্থাত কামপুৰ কপিলী পৰীয়া শংকৰী কলা কেন্দ্ৰত সত্ৰীয়া মাটি আখৰাৰ প্ৰশিক্ষণ লোৱা কেন্দ্ৰটোৰ পৰিচালিকা মিনা ৰয়, জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উপদেষ্টা সভাৰাম মজুমদাৰ, সভাপতি — সম্পাদক পুষ্পেন্দ্ৰ নাথ, অতুল বৰা, জ্যেষ্ঠ সাংবাদিক মোলান লস্কৰ, দ্ৰোন বৰা, সৰ্বানন্দ বৰা, জীতেন বৰুৱা আদি ভালেমান ব্যক্তি উপস্থিত হৈ প্ৰিয়দৰ্শনীৰ ভৱিষ্যত উজ্জ্বল কামনাৰে আশীৰ্বাদ প্ৰদান কৰে। প্ৰিয়দৰ্শনী দক্ষিণ চাংচকী শংকৰদেৱ নিকেতনৰ তৃতীয় শ্ৰেনীত অধ্যয়নৰত। তেওঁৰ পিতৃ জয়ন্ত বৰুৱা এজন ই-ৰিস্কা চালক আৰু মাতৃ চুমি ডেকা এগৰাকী ব্যক্তিগত খণ্ড বিদ্যালয়ৰ শিক্ষয়িত্ৰী। জানিব পৰা মতে নগাঁৱৰ এগৰাকী শিক্ষক অঞ্জন কৌশিকৰ তত্বাৱধানত কামপুৰৰ পৰা গৈ কলিকতা আৰু পাছত কাঠমাণ্ডুত এই আৰ্ন্তজাতিক যোগ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ সক্ষম হয়।

# চাপাগুৰিত এছ এছ বিৰ উদ্যোগত 'বন্দে মাতৰম' গীতটিৰ ১৫০ বছৰীয়া জয়ন্তীৰ অনুষ্ঠান

**অসম বাৰ্তা, বঙাইগাঁও, ১৫ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় সঙ্গীত 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে চিৰাং জিলাৰ কাজলগাঁওস্থিত এছ এছ বিৰ ১৫নং বেটেলিয়নৰ উদ্যোগত চাপাগুৰিস্থিত ইউনিভাৰ্চেল ষ্টুডিঅৰ চৌহদত এক বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰে। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে খণ্ড মুখ্য কাৰ্যালয় এছ এছ বি বঙাইগাঁৱৰ উপ মহাপৰিদৰ্শক অমিত কুমাৰ ঠাকুৰ আৰু ১৫ নং বেটেলিয়নৰ কমাণ্ডেণ্ট শচীন কুমাৰৰ লগতে উচ্চপদস্থ বিষয়া সকল উপস্থিত থাকে। এই অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰীয় সঙ্গীত 'বন্দে মাতৰম'ৰ প্ৰচাৰত জাজ বেণ্ডে এক আকৰ্ষণীয় পৰিৱেশন কৰে য'ত বঙাইগাঁৱৰ ইউনিভাৰ্চেল মলৰ মেনেজাৰ প্ৰসেনজিৎ পাল, সকলো বিষয়া, অধীনস্থ বিষয়া, পৰ্যালোচনা পৰিয়াল, স্থানীয় নাগৰিক আৰু অন্যান্য বাহিনীৰ লোকসকলে জাজ বেণ্ডৰ দলৰ সৈতে একেলগে আৰু সংগীতৰ সৈতে মিলি 'বন্দে মাতৰম' গীতটি পৰিৱেশন কৰে। ইয়াৰ পিছত জাজ বেণ্ডৰ দলটোৱে দেশপ্ৰেমমূলক গীত গাই পৰিৱেশটোক সংগীতময় আৰু মন্ত্ৰমুগ্ধ কৰি তোলে। অতিকৈ ভাললগা বিষয় যে সৈনিক শিল্পীসকলে হিয়াৰ আমঠু জুবিন গাৰ্গৰ মায়াবিনী ৰাতিৰ বুকুত গীতটি পৰিৱেশন কৰি এক সুকীয়া পৰিৱেশৰ সৃষ্টি কৰে। অনুষ্ঠানৰ ভাষণত মুখ্য অতিথি অমিত কুমাৰ ঠাকুৰে কয় যে 'বন্দে মাতৰম' স্বাধীনতা সংগ্ৰামীসকলৰ গীত হোৱাৰ উপৰিও এই স্বাধীনতা কেনেকৈ সুৰক্ষিত কৰিব পাৰি সেই বিষয়েও উপস্থিত থকা ৰাইজক অনুপ্ৰাণিত কৰে। ১৮৭৫ চনৰ ৭ নৱেম্বৰত বংকিম চন্দ্ৰ চেটাৰ্জীয়ে তেওঁৰ "আনন্দমথ" উপন্যাসত সুৰেৰে ৰচনা কৰা বন্দে মাতৰম ১৮৯৬ চনৰ কংগ্ৰেছৰ অধিৱেশনত ৰবীন্দ্ৰনাথ ঠাকুৰে গাইছিল। এই গীতটো পিছলৈ স্বাধীনতা আন্দোলনৰ সময়ত লাখ লাখ ভাৰতীয়ৰ যুদ্ধৰ ধ্বনিত পৰিণত হৈছিল আৰু ভাৰতীয় স্বাধীনতা সংগ্ৰামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই বন্দে মাতৰম অভিযান সমগ্ৰ দেশতে ৭ নৱেম্বৰৰ ২০২৫ৰ পৰা ১৪ নৱেম্বৰ ২০২৬ লৈকে উদ্‌যাপন কৰা হৈছে।




# কটহগুৰি চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ শিক্ষকক বিদায়ী সম্বৰ্দ্ধনা

**অসম বাৰ্তা, বটদ্ৰৱা, টুকটুকী, ১৫ নৱেম্বৰ ঃ** নগাঁও জিলাৰ কটহগুৰি চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ দুজন শিক্ষক ক আজি বিদায় সম্বৰ্দ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ পৰা অৱসৰ লোৱা এজন আৰু বদলি হোৱা এজন শিক্ষকক আজি অনুষ্ঠানিক বাবে বিদায় দিয়াৰ বাবে বিদ্যালয়খনত এখন বিদায় সভা অনুষ্ঠিত হয়। কটহগুৰি চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ ওৱাজিদুল হকৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বিদায়ী সভাখনত বিদ্যালয়খনৰ পৰা অৱসৰ লোৱা ঐচ্ছিক অসমীয়া বিভাগৰ শিক্ষক বীৰেন মহন্ত আৰু বিদ্যালয় খনৰ পৰা বদলি হোৱা শিক্ষা বিভাগৰ শিক্ষক তাইজ উদ্দিন আহমেদক আজি ফুলাম গামোচা, ফুলৰ থোপা, চেলেং-চাদৰ আদিৰে সম্বৰ্দ্ধনা জনোৱাৰ লগতে আনুষ্ঠানিকভাৱে বিদায় দিয়া হয়। উল্লেখ্য যে বীৰেন মহন্তই ১৯৯৭ চনৰ ৯ মে'ত বিদ্যালয় খনত যোগদান কৰি চলিত বৰ্ষৰ ১ মাৰ্চত অৱসৰ লৈছিল। আজিৰ এই বিদায়ী সভা খনত বিদ্যালয় খনৰ অৰ্থনীতি বিভাগৰ শিক্ষক ড° আশ্ৰফ ওৱাহিদ, হিন্দী বিভাগৰ শিক্ষক নজৰুল ইছলাম আনচাৰী, অসমীয়া বিভাগৰ ইয়াহিয়া খান, তৰ্ক বিভাগৰ ৰুবামা চুলতানা, ইংৰাজী বিভাগৰ ৰবীন বৰদলৈ, গণিত বিভাগৰ আফজল চুলতানা, শিক্ষা বিভাগৰ ইকবাল হুদা চৌধুৰী আৰু টুকটুকী জিলা পৰিষদৰ প্ৰাক্তন সদস্য গোলাম ৰাব্বাণীৰ লগতে বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি শিক্ষক দুজনক অশ্ৰু নয়নেৰে বিদায় দিয়ে।

কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ খতিয়ান

## শোণিতপুৰত কৃষি ক্ষেত্ৰ পৰিদৰ্শন অসম কৃষি সঞ্চালকালয়ৰ নিৰীক্ষক দলৰ

**অসম বাৰ্তা, তেজপুৰ, ১৫ নৱেম্বৰ** ঃ শোণিতপুৰ জিলা কৃষি বিভাগৰ অধীনত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা ৰূপায়ণ হৈ থকা বিভিন্ন কৃষি আঁচনিৰ অগ্ৰগতি তথা ৰূপায়ণৰ খতিয়ান লোৱাৰ উদ্দেশ্যে অসম কৃষি সঞ্চালকালয়ৰ এক জিলা পৰ্যায়ৰ নিৰীক্ষক দলে তিনিদিনীয়াকৈ শোণিতপুৰ কৃষি কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন কৃষি ক্ষেত্ৰ পৰিদৰ্শন কৰিলে। নিৰীক্ষকৰ দলটোত অহা নʼডেল বিষয়া তথা কৃষি সঞ্চালকালয়, খানাপাৰা, অসমৰ মহকুমা কৃষি বিষয়া সন্দীপ কুমাৰ শৰ্মা আৰু আচঁনি বিষয়া (প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা) সত্যেন্দ্ৰ কুমাৰে প্ৰথমে জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত কৃষি বিষয়া নৰেন চন্দ্ৰ শৰ্মা, মহকুমা কৃষি বিষয়া ডঃ জাকিৰ হুছেইন, অন্যান্য নডেল বিষয়া আৰু কৃষি উন্নয়ন বিষয়াসকলৰ সৈতে জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিসমূহৰ অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰাৰ পাছতে ঢেকিয়াজুলি আৰু ৰাক্ষশমাৰী কৃষি চক্ৰৰ অন্তৰ্গত বিভিন্ন কৃষি কৰ্ম আৰু কৃষি যন্ত্ৰ-পাতি পৰিদৰ্শন কৰি কৃষকসকলৰ সৈতে মতবিনিময় কৰিলে। ইয়াৰ পাছতে জিলা কৃষি বিভাগৰ অধীনত থকা হজৰাপাৰস্থিত মহকুমা কৃষি বিষয়া(ভূমি)ৰ কাৰ্যালয়, ভূমি স্বাস্থ্য পৰীক্ষণৰ পৰিক্ষাগাৰ পৰিদৰ্শন কৰাৰ লগতে কৃষি অভিযান্ত্ৰিক বিভাগৰ কাৰ্যালয়ত কৃষি কাৰ্য্যবাহী অভিযন্তা আৰু অন্যান্য বিষয়ববীয়াসকলৰ সৈতে মতবিনিময় কৰিলে, আনহাতে বালিপাৰা কৃষি চক্ৰৰ অন্তৰ্গত চিলনী গাঁৱৰ প্ৰগতিশীল কৃষক প্ৰকাশ আলেৰ প্ৰায় ১৫ বিঘা মাটিত কৰা বন্ধাকবি, ফুলকবি, লাও-বেঙেনা ইত্যাদি কৃষিক্ষেত্ৰ পৰিদৰ্শন, খনামুখ কেকোকলি গাঁৱৰ আদৰ্শ কৃষক ইভাৰানি মাৰ্কিৰ তেজপুৰ লিচু ক্ষেত্ৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰ, কৃষি যান্ত্ৰীকৰণ বিভাগৰ অধীনত প্ৰদান কৰা প্ৰগতিশীল কৃষক দেৰেন মিলিৰ ট্ৰেক্টৰ আৰু বালিপাৰা কৃষি চক্ৰৰ বিভিন্নজন কৃষকে লাভ কৰা সৌৰ শক্তিৰে পৰিচালিত পাম্পৰ দ্বাৰা পানী যোগান ব্যৱস্থাৰ খতিয়ানৰ বুজ ললে কৃষি সঞ্চালকালয়ৰ পৰা বিষয়াসকলে। ইয়াৰ উপৰিও মাজগাওঁস্থিত জিলা কৃষি বিভাগৰ গুদাম পৰিদৰ্শন কৰাৰ লগতে জিলাখনৰ বিভিন্ন কৃষি চক্ৰৰ কৃষকসকলৰ সৈতে বিভাগীয় আঁচনি সমূহৰ লাভালাভ, শস্যৰ উৎপাদন, বজাৰ সংযোগ, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ লাভালাভ ইত্যাদি বিষয়ত কৃষকসকলৰ সৈতে আলোচনা কৰাৰ লগতে ভৱিষ্যত দিনত কৃষকসকলৰ অন্যান্য আনুষংগিক সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কৃষি বিভাগে পদক্ষেপ গ্ৰহণ কৰিব বুলি সদৰি কৰিলে। ইফালে জিলাখনৰ সাৰ আৰু কীটনাশক দ্ৰব্যৰ অনুজ্ঞাপত্ৰ প্ৰাপ্ত কেইবাখনো বিপণী পৰিদৰ্শন কৰি ৰাসায়নিক সাৰ, কীটনাশক প্ৰয়োগ আৰু লবলগীয়া সাৱধানতাৰ সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ালে পৰিদৰ্শনকাৰী বিষয়াসকলে। পৰিদৰ্শনকালত তেওঁলোকক সংগ দিয়ে জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ইন্দু প্ৰাঞ্জল বৰা, জিলা মিডিয়া বিশেষজ্ঞ বিতোপন শইকীয়া আৰু অন্যান্য বিষয়ববীয়াসকলে।

## তেজপুৰত অসমৰ আদিবাসীসকলকৰ শিপাৰ সন্ধানত এদল গৱেষকৰ আলোচনা

### দুখনকৈ গৱেষণা গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, লীলাবাৰী, ১৫ নৱেম্বৰ** ঃ তেজপুৰৰ চেইণ্ট জেভিয়াৰ্ছ কলেজত কালিৰে পৰা অনুষ্ঠিত হৈছে অসমত বসবাস কৰা প্ৰট'-অষ্ট্ৰেলয়ড আৰু দ্ৰাবিড় ভাষাগোষ্ঠীৰ আদিবাসী লোকসকলৰ শিপাৰ সন্ধানৰ লগতে শৈক্ষিক, অংশীদাৰিত্ব আৰু সামাজিক ন্যায়ৰ সন্দৰ্ভত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ। ২০২৩ বৰ্ষত গঠিত আদিবাসী লেখক-গৱেষক সংস্থা 'ৰাইটাৰ্ছ অন আচাম আদিবাচিছ' আৰু তেজপুৰৰ চেইণ্ট জেভিয়াৰ্ছ কলেজৰ লগতে সোণাবিল, শলাবস্তি, মালিজান, ঢেকিদল, বোকাজান গাঁৱৰ আদিবাসী ৰাইজৰ সহযোগ আৰু আতিথ্যত অনুষ্ঠিত হোৱা দ্বিতীয় সংখ্যক ৰাষ্ট্ৰীয় আলোচনা-চক্ৰখনৰ মূল বিষয়বস্তু হৈছে- 'Margins to Mainstream: Studies on Education, Inclusiveness and Social Justice of Assam Adivasis'. আলোচনা-চক্ৰটিৰ আৰম্ভণি অনুষ্ঠানত ঝাড়খণ্ড ৰাজ্যৰ ৰাঁচী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰত্নাকৰ ভেংৰাই মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি কয় যে, প্ৰান্তীয় অৱস্থাৰ পৰা মূলসুঁতিলৈ আদিবাসীসকলে গতি কৰা সময়চোৱাত নিজৰ শিপা পাহৰিব নালাগিব। আদিবাসীসকলে প্ৰকৃতিৰ সেৱক, প্ৰকৃতি আৰু পূৰ্বপুৰুষক তেখেতসকলে অনাদিকালৰে পৰা বিশ্বাস কৰি আহিছে। তেখেতে অসমৰ আদিবাসীসকলৰ অনুসূচীকৰণৰ প্ৰসংগও বক্তব্যত উল্লেখ কৰে। দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পৰশমণি শইকীয়াই সন্মানীয় অতিথি ৰূপে অংশগ্ৰহণ কৰা আলোচনা-চক্ৰটিৰ আৰম্ভণি অনুষ্ঠানত সংস্থাটিৰ পুঁজিৰে 'Voices of Assam Adivasis' শীৰ্ষক গৱেষণা গ্ৰন্থৰ লগতে লেখক উইলফ্ৰেড টপ্পৰ 'খিলঞ্জীয়াৰ সন্ধানত' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে মুখ্য অতিথি ভেংৰাই। দেশৰ কেইবাখনো মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষাবিদ, সমাজসেৱকে অংশগ্ৰহণ কৰা দ্বিতীয় দিনাৰ আলোচনাত শিক্ষা, অধিকাৰ আৰু সামাজিক ন্যায় বিষয়ে স্থান পায়। উল্লেখ্য যে, ডিব্ৰুগড় বিশ্ববিদ্যালয়, তেজপুৰ বিশ্ববিদ্যালয় আৰু অসম ডʼন বস্কো বিশ্ববিদ্যালয়ৰ আঠজন গৱেষক ছাত্ৰ-ছাত্ৰীয়ে আদিবাসী লোকসকলৰ শৈক্ষিক, আৰ্থিক, সাংস্কৃতিক দিশ সন্দৰ্ভত পোষ্টাৰ উপস্থাপন কৰে। শিক্ষা সম্পৰ্কীয় প্ৰথম আলোচনা সত্ৰত অমিয় কুমাৰ দাস সামাজিক পৰিৱৰ্তন ও উন্নয়ন প্ৰতিষ্ঠানৰ অধ্যাপক ড° ৰাজদ্বীপ সিংহাই সঞ্চালনা কৰে আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° পুষ্পা চাম্পিয়াই আলোচক হিচাপে অংশগ্ৰহণ কৰি আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমোৱা, শিক্ষক-ছাত্ৰ আৰু অভিভাৱকৰ সম্পৰ্ক সন্দৰ্ভত বিশেষভাৱে উল্লেখ কৰে। আদিবাসীসকলৰ অধিকাৰ আৰু সামাজিক ন্যায় শীৰ্ষক আলোচনা সত্ৰটি চেইণ্ট জেভিয়াৰছ কলেজৰ অধ্যক্ষ ড° ইৰেনিউছ টপ্পৰ সঞ্চালনাত আলোচক হিচাপে চেইণ্ট জেভিয়াৰছ কলেজৰ জ্যেষ্ঠ অধ্যাপক ড° এলেʼয়োছ এক্কা, শ্বিলঙস্থিত ইউনিয়ন খ্ৰীষ্টিয়ান কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° সুনীল পিঅʼ আৰু ডাউন টাউন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° কুণাল চৌধুৰীয়ে সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰে। কালিলৈ দুটাকৈ গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা চলিব। শেষৰ দিনা সামৰণি অনুষ্ঠানত 'ৰাইটাৰ্ছ অন আচাম আদিবাচিছ'ৰ উপদেষ্টা ড° হিপ্পʼলটোছ টপ্পই ভৱিষ্যৎ পৰিকল্পনা সন্দৰ্ভত অংশগ্ৰহণকাৰী প্ৰতিনিধিৰ সৈতে মুকলি আলোচনা কৰাৰ লগতে গুৱাহাটীস্থিত উত্তৰ-পূৰ সাংস্কৃতিক গৱেষণা কেন্দ্ৰ 'সংস্কৃতি'ৰ সঞ্চালক ড° কে. জʼছ আৰু চেইণ্ট জেভিয়াৰছ কলেজৰ অধ্যাপক ডণ্জন ডুংডুঙে আলোচনা-চক্ৰৰ পৰ্যবেক্ষক হিচাপে অংশগ্ৰহণ কৰিব।

## গৰৈমাৰী দঞ্জিপল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ১৫ নৱেম্বৰ** ঃ লখিমপুৰ জিলাৰ গৰৈমাৰী দঞ্জিপলঃ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চন্দ্ৰ সিং চুংক্ৰাঙক আজি ১৫ নৱেম্বৰত বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ১৯৯২ চনৰ পৰা প্ৰতিষ্ঠাপক শিক্ষক হিচাপে বিদ্যালয়খনত যোগদান কৰি যোৱা ৩১ অক্টোবৰত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে অৱসৰগ্ৰহণ কৰিছিল শিক্ষক গৰাকীয়ে। বিদ্যালয়খনত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে গৰৈমাৰী দঞ্জিপলঃ উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জ্ঞাননাথ মিলিয়ে। বিদ্যালয়খনৰ শিক্ষক দুৰ্গা প্ৰসাদ ভৰালীয়ে আঁত ধৰা সভাত বিদায়ী শিক্ষক গৰাকীক সম্বৰ্ধনা পত্ৰ, গামোচা, শৰাইকে আদি কৰি বিভিন্ন উপহাৰ সামগ্ৰীৰে উষ্ম বিদায় সম্বৰ্ধনা জনোৱা হয়। সভাত শিক্ষক গৰাকীৰ পত্নী হিৰণ্য চুংক্ৰাঙকো সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিদায় সম্বৰ্ধনা সভাত গৰৈমাৰী দঞ্জিপলঃ উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱনিযুক্ত প্ৰধান শিক্ষক দিব্য গগৈ, ঘাগৰমুখ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দুলেশ্বৰ চুংক্ৰাং, ছহিদ গৌতম মিলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেবেন মিলি, চি আৰ চি চি ধীৰুমণি শইকীয়া, শংকৰদেৱ শিশু নিকেতন গৰৈমাৰীৰ প্ৰধান আচাৰ্য মিঠুন নৰহকে আদি কৰি কেইবাখনো বিদ্যালয়ৰ শিক্ষক সমাজ উপস্থিত থাকে। আনহাতে, এই সভাতেই 'বিদায়' নামৰ এখন হাতেলিখা আলোচনী সম্বৰ্ধিত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চন্দ্ৰ সিং চুংক্ৰাঙে উন্মোচন কৰে।

## নগাঁৱত কল্যাণী মঞ্চৰ কৃতি শিক্ষাৰ্থীলৈ বঁটা প্ৰদান

**অসম বাৰ্তা, বঢ়মপুৰ, ১৫ নৱেম্বৰ** ঃনগাঁও কলা মন্দিৰৰ কল্যাণী মহিলা মঞ্চৰ উদ্যোগত যোৱা ১৪ নৱেম্বৰত কৃতি শিক্ষাৰ্থীসকলক বঁটা প্ৰদান কৰা হয়। এই উপলক্ষে নগাঁও কলা মন্দিৰ প্ৰেক্ষাগৃহত কল্যাণী মহিলা মঞ্চৰ সভানেত্ৰী মিনু শইকীয়াৰ পৌৰোহিত্যত এক মুকলি সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত নগাঁৱৰ দুগৰাকী শিক্ষাবিদ অৱসৰপ্ৰাপ্ত অধ্যাপক মোহিনী মোহন ডেকা, বৰকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিং, সমাজকৰ্মী দেবেন শইকীয়া, কবি প্ৰয়াগ শইকীয়া, গল্পকাৰ শিৱানন্দ কাকতি আৰু কলংপাৰ কাকতৰ মুখ্য সম্পাদক গুৰমাইল সিঙে অতিথি ৰূপে অংশ গ্ৰহণ কৰি সভাক সম্বোধন কৰি কল্যাণী মহিলা মঞ্চৰ এই উদ্যোগৰ শলাগ লয়। নগাঁৱৰ একালৰ প্ৰতিভাৱান লেখক অভিযন্তা প্ৰয়াত অৰ্পন শইকীয়া, প্ৰয়াত ললিত দত্ত আৰু তেওঁৰ সহধৰ্মিনী ৰুমা দত্তৰ স্মৃতিত ২০২৪-২৫ বৰ্ষত উচ্চতৰ আৰু উচ্চ মাধ্যমিক বিদ্যালয় চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা ফৌজদাৰীপট্টি অঞ্চলৰ শিক্ষাৰ্থী সকলক বঁটা প্ৰদান কৰা হয়। নগদ ধন, প্ৰশস্তি পত্ৰ আৰু গ্ৰন্থৰ এটা টোপোলাৰে কৃতি শিক্ষাৰ্থীসকলক পৰিয়ালৰ হৈ বঁটা প্ৰদান কৰে মিনু শইকীয়াৰ লগতে তেওঁৰ পুত্ৰ ডাঃ ঋষিজিৎ শইকীয়া তথা ললিত দত্তৰ পুত্ৰ স্বপ্নজ দত্তই। উচ্চ মাধ্যমিক



শিতানত এই বঁটা লাভ কৰে চুফিয়ান আহমেদ, প্ৰিয়া দাস, সংঘমিত্ৰা দাস, শ্ৰেয়াস ফুকন, শতশ্ৰদ্ধা, শ্ৰুতি বিষ্ট, ভাৰ্গৱ বৰুৱা, অৰ্চিতা দৈমাৰী, প্ৰতিভা মণ্ডল, প্ৰিয়ংকা থাপা, বুলান ৰজক, শান্তনু মাঝি, পুনম বনিয়া, ৰজি গোস্বামী আৰু মানসী কৰ্মকাৰ। উচ্চতৰ মাধ্যমিক শিতানত এই বঁটা লাভ কৰে ধ্ৰুৱনীল দাস, আৰিয়ান মেধি, গুৰনীল কৌৰ, অংকিতা বৰা, নিতিচাকী বৰা, প্ৰজ্ঞান জ্যোতি বৰুৱা, অনুষ্কা বৰা, উমা চালমা হাজৰিকা, ঋতুৰাজ নাথ, বিক্ৰম আৰু বিশাল। ডক্ষ ত্ৰিবেণী শইকীয়া বৰাৰ বৰগীতেৰে আৰম্ভ কৰা এই অনুষ্ঠানত কল্যাণী মঞ্চৰ দ্বাৰা প্ৰকাশিত তিনি মহীয়া পত্ৰিকা 'ৰʼদৰ ফুল' উন্মোচন কৰে কবি ডাঃ প্ৰয়াগ শইকীয়াই। আনহাতে এই উপলক্ষে ড° ৰুবা ফুকনৰ সম্পাদনাত শিল্পী জুবিন গাৰ্গৰ স্মৃতিত প্ৰকাশ কৰি উলিওৱা কাব্য সংকলন' এন্ধাৰ হʼব নোখোজো' উন্মোচন কৰে জ্যেষ্ঠ সাংবাদিক গুৰমাইল সিঙে। অপূৰ্ব কাকতিয়ে গীত পৰিৱেশন কৰা এই অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, শিল্পী জুবিন গাৰ্গ, প্ৰয়াত লেখক অভিযন্তা অৰ্পন শইকীয়া, ললিত দত্ত আৰু ৰুমা দত্তৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়।

ডেৰশ বছৰীয়া জয়ন্তীত আদিবাসী স্বাধীনতা সংগ্ৰামী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি

## ডুমডুমাত বীৰ বীৰছা মুণ্ডাৰ প্ৰতিমূৰ্তি উন্মোচন



**স্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৫ নৱেম্বৰ** ঃ অসম চৰকাৰে ডুমডুমা সমজিলা প্ৰশাসনৰ উদ্যোগত ডুমডুমাৰ বিছাকুপি চাহ বাগিচাৰ কলঘৰৰ সন্মুখত স্থাপন কৰা দেশৰ এগৰাকী অন্যতম জনজাতীয় স্বাধীনতা সংগ্ৰামী বীৰ বীৰছা মুণ্ডাৰ এটি প্ৰতিমূৰ্তি আজি স্বাধীনতা সংগ্ৰামীগৰাকীৰ ডেৰশ বছৰীয়া জয়ন্তীত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ১৮৭৫ চনৰ ১৫ নৱেম্বৰত জন্মগ্ৰহণ কৰা বীৰছা মুণ্ডাৰ জয়ন্তীটো কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত অনুসৰি 'জনজাতীয় গৌৰৱ দিৱস' হিচাপে সমগ্ৰ দেশতে উদযাপন কৰা হৈছে। এই 'জনজাতীয় গৌৰৱ দিৱস'ৰ লগত সংগতি ৰাখি আজি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে নতুনকৈ স্থাপন কৰা বীৰ গৰাকীৰ প্ৰতিমূৰ্তিটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। উদ্বোধনী ভাষণত শইকীয়াই ভাৰতৰ স্বাধীনতা সংগ্ৰামত বীৰছা মুণ্ডাৰ বৰঙনিৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰি তেখেতৰ আদৰ্শ অনুসৰণ কৰিবলৈ নৱপ্ৰজন্মক আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানত ভাষণ দি স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালাই কয় যে বীৰছা মুণ্ডাই স্বাধীনতা আন্দোলনৰ সমান্তৰালকৈ জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ, মাদক দ্ৰব্যৰ, আদিৰ বিৰুদ্ধেও ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিছিল। তেখেতৰ এই আদৰ্শক সৰোগত কৰি আজি অসমৰ আদিবাসী আৰু চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত প্ৰচলিত অন্ধবিশ্বাস, কুসংস্কাৰ, মাদক দ্ৰব্যৰ অবাধ প্ৰচলন, আদি দূৰ কৰিব লাগিব আৰু সেয়াই হʼব বীৰ গৰাকীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি। মন্ত্ৰী গোৱালাই আৰু কয় যে অসম চৰকাৰৰ 'আনটাইড পুঁজি'ৰ ধনেৰে এই প্ৰতিমূৰ্তিটো স্থাপন কৰা হৈছে আৰু ভৱিষ্যতে বিছাকুপি চাহ বাগিচাৰ কৰ্তৃপক্ষই আৰু কিছু মাটি দিলে উক্ত স্থানত বীৰ বীৰছা মুণ্ডাৰ নামত এখন উদ্যান নিৰ্মাণৰ প্ৰচেষ্টা লোৱা হʼব। আনহাতে, আজিৰ অনুষ্ঠানত লক্ষ্মীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু ঝুমইৰ সম্ৰাট তথা পদ্মশ্ৰী বঁটা প্ৰাপক দুলাল মানকিয়েও ভাষণ দিয়ে। আৰম্ভণিতে, ডুমডুমা সমজিলাৰ সহকাৰী আয়ুক্ত সুদীপ গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰে। ডুমডুমা পৌৰসভাৰ পাৰিষদ নয়ন ডেকাই আঁত ধৰা অনুষ্ঠানটিত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম গৃহ নিৰ্মাণ নিগমৰ অধ্যক্ষ পুলক গোহাঁই, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ভাদেশ্বৰ মৰাণ, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, মৰাণ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, বিজেপি নেতা লক্ষ্য কোঁৱৰ, অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু সদৌ আদিবাসী ছাত্ৰ সন্থা, অসমৰ কেইবাগৰাকীও নেতা, বাগিচাৰ পৰিচালক, আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত চাহ জনগোষ্ঠীৰ আৰু আদিবাসী সাংস্কৃতিক দলে কেইবাটাও নৃত্য-গীত পৰিৱেশন কৰে।

কণকণ শিশুৰ কণ্ঠৰ সাধুকথা, গীত-মাত, কবিতাৰে মুখৰিত হʼল শিশু সমাৰোহস্থলী

## মৰিগাঁৱৰ মনহাত সাহিত্য সভাৰ শিশু সমাৰোহ

**অসম বাৰ্তা, মৰিগাঁও, ১৪ নৱেম্বৰ** ঃ মৰিগাঁও জিলা সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ উদ্যোগত আৰু মনহা স্বৰ্ণ শাখা সাহিত্য সভাৰ ব্যৱস্থাপনাত আজি জিলাখনৰ মনহাত এখন শিশু সমাৰোহ অনুষ্ঠিত কৰা হয়। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্ম দিনটোতে মৰিগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত প্ৰথম বাৰৰ বাবে অনুষ্ঠিত এই শিশু সমাৰোহৰ জৰিয়তে শিশুসকলৰ সৃজনশীল প্ৰতিভাৰ বিকাশ আৰু উত্তৰণৰ বাবে প্ৰচেষ্টা চলোৱা হয়। মনহা আঞ্চলিক মাধ্যমিক বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত এই শিশু সমাৰোহত পুৱাৰ ভাগতে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতাৰ সঞ্চালনাত শিশু আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সাধু কোৱা, গীত-মাত, গল্প আৰু কবিতা পাঠৰ এটা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কণ কণ শিশু সকলৰ কণ্ঠৰ সাধুকথা, গীত-মাত আৰু কবিতা পাঠে অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানটোৰ আঁত ধৰাৰ লগতে উদ্দেশ্য ব্যাখ্যা কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক কুশল কুমাৰ বৰাই। মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট সাহিত্যিক মহেন্দ্ৰ শইকীয়াই উদ্বোধন কৰা অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে ফনীধৰ ডেকাই। এই অনুষ্ঠানতে বিশিষ্ট শিশু সাহিত্যিক অকন দেৱীয়ে লিখা 'মহানন্দে আনন্দে' শীৰ্ষক এখন শিশু উপন্যাস উন্মোচন কৰে মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই। অনুষ্ঠানত মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক কুশল কুমাৰ বৰা, কুঁহি উপ-সমিতিৰ আহ্বায়ক ফুকুল ভট্ট ডেকা, লেখিকা ধৰ্মেশ্বৰী শইকীয়া, সাংবাদিক নজৰুল ইছলাম প্ৰমুখ্যে বহুকেইজন সাহিত্যিক আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে মনহা স্বৰ্ণ শাখাৰ সম্পাদক দীপক কুমাৰ মেধি আৰু মনহা আঞ্চলিক মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমেশ চন্দ্ৰ কাকতিয়ে। আজিৰ অনুষ্ঠানত অঞ্চলটোৰ ১৬খন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰী শিশু সকলক অভিনন্দন পত্ৰ প্ৰদান কৰে কুঁহি উপ-সমিতিৰ কাৰ্যকৰী সভাপতি অকন দেৱীয়ে। ইপিনে শিশু সমাৰোহৰ পুৱা পতাকা উত্তোলন কৰে মনহা স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি মহীকান্ত বৰদলৈয়ে। ইয়াৰ পিছতে পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি লক্ষেশ্বৰ বৰদলৈয়ে, লুইত কণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বীৰেন্দ্ৰ কুমাৰ মেধিয়ে আৰু সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰধান শিক্ষক ৰমেশ চন্দ্ৰ কাকতিয়ে।

## আমগুৰিত জুবিন গাৰ্গৰ জন্মদিনত ৰক্তদান শিবিৰৰ আয়োজন

**অসম বাৰ্তা, আমগুৰি, ১৫ নৱেম্বৰ** ঃ শিৱসাগৰ জিলাৰ আমগুৰি নগৰ আৰু চুবুৰীয়া অঞ্চলৰ মাৰোৱাৰী সম্প্ৰদায়ৰ তৰফৰ পৰা সদ্য প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ জন্মদিন উপলক্ষ্যে এক ৰক্তদান শিবিৰৰ আয়োজন কৰিছে। আগন্তুক ১৮ নৱেম্বৰত আমগুৰি মাৰোৱাৰী বিবাহ ভৱনত ৰক্তদান শিবিৰটো অনুষ্ঠিত হʼব। আমগুৰি মাৰোৱাৰী যুৱ মঞ্চ, পূৰ্বোত্তৰ প্ৰাদেশীয় মাৰোৱাৰী সন্মিলন (আমগুৰি শাখা) আৰু পূৰ্বোত্তৰ প্ৰাদেশীয় মাৰোৱাৰী মহিলা সন্মিলন (আমগুৰি শাখা)ৰ যৌথ উদ্যোগত আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা ৯: ৩০ বজাত জুবিন গাৰ্গৰ ফটোত শ্ৰদ্ধাঞ্জলি অৰ্পনৰ মাজেৰে অনুষ্ঠানটি শুভাৰম্ভ কৰা হʼব। অনুষ্ঠানত বিশিষ্ট চিকিৎসক ডাঃ হেমেন গগৈয়ে বন্তি প্ৰজ্বলন কৰিব। আমগুৰি আউনী আটীয়া হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইন্দ্ৰ কমল ফুকনে ৰক্তদান শিবিৰটোৰ শুভ উদ্বোধন কৰিব। এই অনুষ্ঠানত আমগুৰি সামূহিক চিকিৎসা কেন্দ্ৰৰ অধীক্ষক ডাঃ লীনা শইকীয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। সেইদৰে পুৱা ১০ বজাৰ পৰা শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ চিকিৎসক আৰু পাৰিচাৰিকা সকলৰ তত্বাৱধানত ৰক্তদান কাৰ্য্য আৰম্ভ হʼব। উদ্যোক্তা সমিতিৰ হৈ শংকৰ লাল লোহিয়া, গোপাল বাহেতি, চৌহানলাল মুন্দ্ৰা, প্ৰকাশ সুৰেকা আৰু নন্দকিশোৰ সাৰদাই সকলো শ্ৰেণীৰ ৰাইজক এই কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ আৰু সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

## সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ অবিভক্ত গোৱালপাৰা গোটৰ কোকৰাঝাৰ জিলা সমিতি গঠন

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৫ নৱেম্বৰ** ঃ কোঁচ ৰাজবংশীসকলৰ জনজাতিকৰণৰ ২২ নৱেম্বৰ তাৰিখে গুৱাহাটীত আৰু ইয়াৰ পিছত শ্ৰীৰামপুৰত ৰেল অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে শুক্ৰবাৰে সন্ধিয়া গোসাঁইগাঁও বাস ষ্টেণ্ডৰ সমীপত সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ অবিভক্ত গোৱালপাৰা গোটৰ এক সাধাৰণ সভা অনুষ্ঠিত হয়। সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ অবিভক্ত গোৱালপাৰা গোটৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি নিৰ্মল ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত উদ্দেশ্য ব্যাখ্যা কৰে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ৰাকেশ ৰায়ে। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ অবিভক্ত গোৱালপাৰা গোটৰ সভাপতি প্ৰদীপ ৰায়ে কয় যে ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰে যদি বিধান সভা নিৰ্বাচনৰ পূৰ্বে কোঁচ ৰাজবংশীসকলৰ জনজাতিকৰণ নকৰে, আমি চৰকাৰখনক পৰিৱৰ্তন কৰিম। বিধান সভা নিৰ্বাচনৰ পূৰ্বে কোঁচ ৰাজবংশীসকলক জনজাতিকৰণ নহলে আমি বিজেপি নেতাক কোঁচ ৰাজবংশী গাঁৱত সোমাবলৈ বাধা আৰোপ কৰিম। তেওঁ আৰু কয় যে কোঁচ ৰাজবংশীসকলৰ জনজাতিকৰণৰ দাবীত ২২ নৱেম্বৰ তাৰিখে গুৱাহাটীত সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ ধৰ্ণা কাৰ্যসূচী আছে, ইয়াৰ পিছত শ্ৰীৰামপুৰত ৰেল অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰা হব। উক্ত সভাত আলোচনা মৰ্মে চিৰঞ্জিত ৰায়ক সভাপতি, যুধিষ্ঠিৰ বৰ্মনক কাৰ্যকৰী সভাপতি, ৰহিত বৰ্মনক সাধাৰণ সম্পাদক হিচাপে লৈ মুঠ ৩১ জনীয়া সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ অবিভক্ত গোৱালপাৰা গোটৰ কোকৰাঝাৰ জিলা সমিতি গঠন কৰে।

## বৰদুৱাৰ বাগানত শুশ্ৰূষা সেতুৰ অধীনত বৃহৎ স্বাস্থ্য শিবিৰ সম্পন্ন

**অসম বাৰ্তা, মিৰ্জা, ১৫ নৱেম্বৰ** ঃ চৰকাৰৰ ফালৰ পৰা ৰাজ্যজুৰি বিধান সভা সমষ্টিভিত্তিক ২০২৫ বৰ্ষৰ ১৮ ছেপ্টেম্বৰৰ পৰা এলানি বৃহৎ স্বাস্থ্য শিবিৰৰ শুভাৰম্ভণি কৰিছে। শুশ্ৰূষা সেতুৰ অধীনৰ উক্ত মেগা হেলথ কেম্প অৰ্থাৎ পৰীক্ষা, ৰোগ নিৰ্ণয় আৰু চিকিৎসাৰ বৃহৎ শিবিৰ এটি আজি কামৰূপ জিলাৰ ২৯ নং পলাশবাৰী বিধান সভা সমষ্টিটো অনুষ্ঠিত কৰা হয়। সমষ্টিটোৰ অন্তৰ্গত অসম মেঘালয় সীমান্তৱৰ্তী বৰদুৱাৰ বাগানৰ জ্ঞানজ্যোতি জাতীয় বিদ্যালয়ত আয়োজন কৰা বৃহৎ স্বাস্থ্য শিবিৰৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন, জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ উপৰি কামৰূপৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী মুখ্য অতিথি হিচাপে উপস্থিত আছিল। নিজ ভাষণত মন্ত্ৰী পাটোৱাৰীয়ে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যৰ স্বাস্থ্য খণ্ডত এয়া এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰা বুলি উল্লেখ কৰে। বিশেষকৈ নিজৰ ঘৰতে চিকিৎসা সেৱা লাভ কৰিব পৰাৰ দৰে এই শিবিৰৰ জৰিয়তে ব্যৱস্থা কৰা হৈছে। কিয়নো বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা শিবিৰত পৰীক্ষা, ৰোগ নিৰ্ণয় আৰু চিকিৎসাৰ উপৰি উন্নত চিকিৎসাৰ প্ৰয়োজন সকলৰ ক্ষেত্ৰত সম্পূৰ্ণ চৰকাৰী খৰচত যাৱতীয় ব্যৱস্থা গ্ৰহণৰ দিহা কৰা বুলিও তেওঁ দোহাৰে। তদুপৰি মন্ত্ৰী গৰাকী ভাষণত ঔষধৰ পাৰ্শ্বক্ৰিয়াৰ লগতে সঠিক ব্যৱহাৰ আৰু লʼবলগীয়া সাৱধানতা সম্পৰ্কেও উল্লেখ কৰে। ইফালে শিবিৰৰ অনুষ্ঠানত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰকে ধৰি কামৰূপ জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ উচ্চ পদস্থ কেইবাগৰাকীও বিষয়া উপস্থিত আছিল। শিবিৰত বিশেষজ্ঞ চিকিৎসক তথা চিকিৎসা সেৱা দলে সেৱা আগবঢ়াই। উক্ত শিবিৰত পলাশবাৰী সমষ্টিৰ বিভিন্ন ঠাইৰ ৫ বছৰৰ পৰা ১৮ বছৰলৈকে ছাত্ৰ-ছাত্ৰী, কিশোৰ-কিশোৰী আৰু প্ৰসুতিৰ ২১৫৫ পঞ্জীয়ন কৰি স্বাস্থ্য পৰীক্ষাৰ উপৰি ঔষধ পাতি প্ৰদানৰ লগতে উন্নত চিকিৎসাৰ প্ৰয়োজন হোৱা ১০৪ গৰাকীৰ ক্ষেত্ৰতো যাৱতীয় ব্যৱস্থা গ্ৰহণৰ দিহা কৰা হয়।

## হোজাইত অসম সাহিত্য সভাৰ শিশু দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন

**অসম বাৰ্তা, মোৰাঝাৰ, ১৫ নৱেম্বৰ** ঃ হোজাই জিলাৰ সদৰ স্থান শ্ৰীমন্ত শংকৰদেৱ নগৰত আজি দিনজোৰা কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ কেন্দ্ৰীয় শিশু দিৱসটি বৰ্ণাঢ্যকৈ আয়োজন কৰা হয়। হোজাই জিলা সাহিত্য সভাৰ ব্যৱস্থাপনাত স্থানীয় ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত দিৱসটিৰ পুৱা ৮-৩০ মিনিটত জিলা সভাপতিৰ দ্বাৰা পতাকা উত্তোলনেৰে কেন্দ্ৰীয় শিশু দিৱসক শুভাৰম্ভণী কৰা হয়। পুণ ৯-৩০ বজাত বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰে প্ৰকৃতিপ্ৰেমী জয়বাবু সিংহই। ৯-১৫ মিনিটত অনুষ্ঠিত স্মৃতি তৰ্পন অনুষ্ঠানত স্মৃতি তৰ্পক হিচাপে জিলাখনৰ বিশিষ্ট চৰকাৰী অধিবক্তা অমৰজ্যোতি শইকীয়াই স্মৃতি তৰ্পন অনুষ্ঠানটি মুকলি কৰে। বিশিষ্ট চিত্ৰ শিল্পী হেমন্ত চাহুয়ে সুধাকণ্ঠ ভূপেন হাজৰিকা, জুবিন গাৰ্গ, মামনি ৰয়চম গোস্বামীৰ লগতে দেশৰ প্ৰথম গৰাকী প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদানেৰে শ্ৰদ্ধাঞ্জলি জনায়। পুৱা ১০ বজাৰ পৰা আয়োজিত শিশু শিল্পীসকলক সাংস্কৃতিক সমাৰোহ। শ্ৰীমন্ত শংকৰদেৱৰ কৃষ্টি বিকাশ কেন্দ্ৰৰ সম্পাদক গজেন হাজৰিকাই উদ্বোধন কৰা শিশু সমাৰোহত হোজাই জিলাৰ লগতে নগাঁও, ডিমা হাচাও, পূব কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ প্ৰায় দুই শতাধিক শিশুৰ দ্বাৰা বিভিন্ন নৃত্য, গীত, আবৃত্তি, জিকিৰ প্ৰদৰ্শন কৰা হয়। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ উপস্থিতিত দিনৰ দুই বজাত পৰা আৰম্ভ হয় মুকলি সভাখন হোজাই হিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীদেৱে উদ্বোধন কৰে। অসম সাহিত্য সাহিত্য সভাৰ কুঁহি উপ-সমিতিক সভাপতি মৃনাল হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সভাৰ উপ-সভাপতি পদুম ৰাজখুৱাই আদৰণী সমিতিৰ স্মৃতি গ্ৰন্থ উন্মোচন কৰে। বিশিষ্ট অতিথিৰূপে সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই অসম আহিত্য সভাৰ লক্ষ্য আৰু উদ্দেশ্যৰ দিশত বক্তব্য প্ৰদান কৰে। শিশু সমাৰোহত নিৰ্দিষ্ট বক্তাৰূপে বিশিষ্ঠ শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচায দেৱে শিশুৰ ওপৰত মূল্যৱান ভাষণ প্ৰদান কৰে। জিলা সম্পাদক অচুৎ ঠাকুৰীয়াই শলাগৰ শৰাই প্ৰদান কৰে।

## বাসুগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰজন আৰোগ্য সমিতিৰ পৰা বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্যক সাক্ষাৎ

**অসম বাৰ্তা, বাসুগাঁও, ১৫ নৱেম্বৰ** ঃবাসুগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰজন আৰোগ্য সমিতি (JAS) তৰফৰ পৰা আজি বি টি চিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীক সাক্ষাৎ কৰি ফুলাম গামোচ, আৰনাই আৰু সম্বৰ্ধনা পত্ৰ প্ৰদান কৰা হয়। কোকৰাঝাৰৰ বি টি চিৰ সচিবালয়ৰ তেওঁৰ কাৰ্যালয়তে বাসুগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সভাপতি ৰবীন্দ্ৰ কুমাৰ চৌধুৰী, সদস্য সচিব তথা ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ গণেশ্বৰ হাজং, সদস্য তথা বাসুগাঁও চহৰৰ ওৱাৰ্ড কমিচনাৰ বাবুল ৰায় আৰু ভৃগু মুনি ৰায় কাৰ্যবাহী সদস্য গৰাকীক সাক্ষাৎ কৰে। উল্লেখযোগ্য যে উক্ত সাক্ষাৎকাৰত বিশেষ ভূমিকা গ্ৰহণ কৰা বি টি চিৰ ১৩ নং চিদলী-চিৰাং সমষ্টিৰ নৱনিৰ্বাচিত পাৰিষদ শুকুৰসিং মুছাহাৰীও উপস্থিত থাকে। এক সৌহাৰ্দ্যপূৰ্ণ আলোচনাত বাসুগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ জন্ম-মৃত্যুৰ পঞ্জীয়ন, চিকিৎসক, নাৰ্ছ, অন্যান্য কৰ্মচাৰী আদিকে ধৰি উন্নত মানৰ চিকিৎসা সেৱাৰ মান বিশিষ্ট চিকিৎসালয় গঢ়ি তোলাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হʼব বুলি আশ্বাস দিয়ে। বালাজান তিনালীৰ পৰা বাসুগাঁও চহৰলৈ অহা পথৰ উন্নয়নৰ নিবিদা বাতিল হোৱাৰ যি প্ৰচাৰ চলিছে উক্ত ক্ষেত্ৰতো খা-খৰৰ লৈ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। লগতে পূৱ কুৰ্শাকাটি-কচুতোলা চম্পাৱতী নৈৰ ওপৰত পূৰ্বে কথা দিয়া মতেই অচিৰেই দলঙৰ আধাৰশিলা স্থাপন কৰা হʼব বুলিও কথা প্ৰসংগত ব্যক্ত কৰে।

## সম্পাদকীয়

# ৰাষ্ট্ৰীয় প্ৰেছ দিৱস আৰু কিছু কথা

আৰম্ভণিতেই প্ৰতিটো সংবাদ মাধ্যমৰ লগত জড়িত প্ৰতিগৰাকী সংবাদসেৱী প্ৰেছ দিৱসৰ শুভেচ্ছা জনালোঁ। ১৬ নৱেম্বৰৰ দিনটো দেশত প্ৰতি বছৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস হিচাপে পালন কৰা হয়। ১৯৬৬ চনত ভাৰতীয় প্ৰেছ কাউন্সিল (পিচিআই)য়ে পিচিআই প্ৰতিষ্ঠা স্মৃতিত আৰু গণতন্ত্ৰ, স্বচ্ছতা, আৰু নৈতিক সংবাদ প্ৰসাৰত সংবাদ মাধ্যমৰ ভূমিকাক গুৰুত্ব আৰোপ কৰিবলৈ প্ৰতিষ্ঠা কৰিছিল। এই দিৱসত সাংবাদিক, সংবাদ মাধ্যম, জনসাধাৰণে মুক্ত আৰু দায়িত্বশীল সংবাদ মাধ্যমৰ গুৰুত্বৰ ওপৰত চিন্তা-চৰ্চাক উদগনি যোগাব পাৰে।

ভাৰতীয় সাংবাদিকতাৰ ইতিহাস ঔপনিৱেশিক যুগৰ পৰাই আৰম্ভ হৈছে, ৰাজা ৰাম মোহন ৰায়ৰ দৰে ব্যক্তিয়ে মুক্ত মত প্ৰকাশৰ পোষকতা কৰিছিল। দ্য হিন্দু, অমৃতা বজাৰ পত্ৰিকা, আৰু কেশৰী আদি প্ৰকাশনে ব্ৰিটিছ শাসনৰ বিৰোধিতা কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। স্বাধীনতাৰ পাছত ব্ৰিটিছ ঔপনিৱেশিকতাবাদৰ উত্তৰাধিকাৰ আৰু পৰিৱৰ্তিত আৰ্থ-ৰাজনৈতিক পৰিৱেশ দুয়োটাৰে প্ৰভাৱত ভাৰতীয় সাংবাদিকতাৰ অধিক বিকাশ ঘটিছিল।

বৰ্তমান সময়ত সাংবাদিকৰো সংখ্যা বাঢ়িছে। কিন্তু সেই হিচাপত প্ৰকৃত সাংবাদিকতাৰ ধৰ্ম পালন কৰা ব্যক্তিৰ সংখ্যা নিচেই তাকৰ। হালধীয়া সাংবাদিকতাই সমাজক কলুষিত কৰে। এজন সাংবাদিকে খবৰ দিয়া আৰু মতামত প্ৰকাশ কৰাৰ মাজত বহু পাৰ্থক্য আছে। একেলগে খবৰৰ লগতে মতামত প্ৰকাশ কৰা উচিত নহয়। এক অৰ্থত নিউজৰ লগত ভিউজ সংমিশ্ৰণ ঘটাব নালাগে। ইয়াৰ উপৰিও তিলটোকে তাল কৰি সংবাদ পৰিৱেশন কৰিব নালাগে। যাৰ বাবে বহু সমাজত বিৰূপ প্ৰভাৱ পৰে। নিৰপেক্ষভাৱে সঠিক, শুদ্ধ খবৰ ৰাইজৰ মাজত বিলালেহে সাংবাদিকতা ক্ষেত্ৰখন দেশৰ উন্নতিৰ পৰিচায়ক হ'ব। আচলতে সাংবাদিকসকল সমাজৰ দাপোন। সুস্থ জনমত গঠন কৰাৰ ক্ষেত্ৰতো সাংবাদিকে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। কাকতৰ পৰা ৱেব মুখী যাত্ৰাত সাংবাদিকৰ বহুতো ঘাট প্ৰতিঘাট আছে। কিন্তু এই কথা স্বীকাৰ কৰিব লাগিব যে সকলোৱে এক পৰিক্ৰমা মাজেৰে সংবাদ পৰিৱেশন কৰে।



## বন্ধুত্ব

# এক আত্মিক-অনন্য বান্ধোনৰ মূৰ্ত্ত প্ৰকাশ

মানুহ সমাজপ্ৰিয় জীৱ। এই ধৰাৰ বুকুত মানৱৰূপে জন্ম লোৱাৰ পিচত জীৱন যাত্ৰাৰ এই পথত আমাৰ পৰিয়ালৰ লগতে বন্ধুৰ ভূমিকা অপৰিসীম। আপোনাৰ - মোৰ জীৱনটো সু-শৃংখলিতভাৱে আগুৱাই নিয়াৰ ক্ষেত্ৰত যিবোৰ ইতিবাচক কথা,চিন্তা-চেতনাই চেতন অথবা অৱচেতন মনত ক্ৰিয়া কৰে তাত বন্ধুৰ ভূমিকা নিঃসন্দেহে একক,অনন্য তথা অনস্বীকাৰ্য।

মহান দাৰ্শনিক এৰিষ্টটলে কৈছিল - বন্ধুত্ব হৈছে দুটা শৰীৰত বসবাস কৰা একক আত্মা। অৰ্থাৎ বন্ধুৰ ক্ষেত্ৰত যদিওবা শৰীৰটো পৃথক ; তথাপিও মন-মগজু, চিন্তন-মনন-

হিমজ্যোতি ভূঞা

কৰ্ষণৰে এজনে - আনজনক প্ৰতিফলিত কৰে বন্ধুত্বৰ জৰিয়তে। উইলিয়াম শ্বেক্সপীয়েৰে কৈছিল-বন্ধু হ'ল সেইজন -যিয়ে আপোনাক যিদৰে আছে তেনেদৰেই চিনি পাই, আপুনি ক'ত আছিল সেইটো বুজি পাই ; আপুনি যি হৈ আছে সেয়া গ্ৰহণ কৰে আৰু তথাপিও আত্মিকতাৰে আপোনাক জীৱনৰ বাটত সঠিকভাৱে, সবলভাৱে আগুৱাই যোৱাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়ায়।

দৰাচলতে, বন্ধুত্ব হৈছে আস্থা, বিশ্বাস, সহানুভূতি তথা পাৰস্পৰিক বুজাবুজিৰ পৰিকাঠামোৰে গঢ় লোৱা এক মধুৰ বন্ধন। বন্ধুৰ সুখত সুখী অথবা দুখত দুখী হোৱাৰ প্ৰৱনতাই তথা প্ৰতিটো আপদ-বিপদৰ সময়ত সকলো সময়তে ছাঁ হৈ আৱৰি থকাৰ প্ৰৱনতাই জীপাল কৰি ৰাখে বন্ধুত্বৰ এনাজৰী। বন্ধু সেইজন - যাৰ ওচৰত বন্ধু হোৱাৰ বাবে কোনো চৰ্ত নাথাকে, কোনো স্বাৰ্থ নাথাকে ; থাকে মাথো পৰস্পৰৰ প্ৰতি বিশ্বাস। যি বিশ্বাসৰ আধাৰত পৰস্পৰৰ সুখবোৰ, পৰস্পৰৰ দুখবোৰ ভগাই লোৱাৰ লগতে জীৱন যুদ্ধত আগুৱাই যোৱাৰ ক্ষেত্ৰত সাহস হৈ থিয় দিয়ে। বন্ধুত্বৰ মধুৰ স্মৃতিয়ে ওৰেটো জীৱন প্ৰেৰণা হিচাপে থিয় দিয়ে যিয়ে আমাৰ মন-মগজুত স্থায়ী হৈ ৰয়।

প্ৰতি বছৰৰ আগষ্ট মাহৰ প্ৰথমটো দেওবাৰে পালন কৰা হয় বন্ধুত্ব দিৱস। আমেৰিকাত ১৯৩৫ চনত বন্ধুত্ব দিৱসৰ এই পৰম্পৰাৰ আৰম্ভণি হৈছিল যদিও এছিয়া মহাদেশত বিশেষকৈ আমাৰ দেশ ভাৰতবৰ্ষত ৯০ ৰ দশকতহে 'বন্ধুত্ব দিৱস'এ জনপ্ৰিয়তা অৰ্জন কৰিছিল। একেদৰে, সময়ৰ লগে লগে ই সমগ্ৰ বিশ্বৰ ভিন্ন প্ৰান্তত উদ্‌যাপন হৈ অহা পৰিলক্ষিত হৈ আহিছে।

সাম্প্ৰতিক সময়ত দ্ৰুত গতিৰে চলি থকা পৃথিৱীখনত নিঃস্বাৰ্থ বন্ধুত্ব বজাই ৰখাতো প্ৰত্যাহ্বানমূলক যদিও অসম্ভৱ নহয়। সকলোৰে জীৱনত ল'ৰালি কালৰে পৰাই বৰ্তমানৰ সময়লৈ বিভিন্ন পৰিৱেশ-পৰিস্থিতিত নিঃসন্দেহে বন্ধুত্বৰ গুৰুত্ব অপৰিসীম। প্ৰকৃত বন্ধুই জীৱনৰ বাটত আগুৱাই যোৱাত সাহস হৈ, প্ৰেৰণা হৈ ৰয়। যদিহে আপোনাৰ জীৱনত বন্ধু আছে, তেনেহ'লে আপোনাৰ চৌপাশ সু-শৃংখলিতভাৱে আৱৰি ৰাখিব বন্ধুত্বৰ নিভাঁজ এনাজৰীয়ে। কিয়নো জীৱন বৰ অনুপম।

◀◀ জীৱনত কেতিয়াবা যদি নিজক কাৰো সৈতে তুলনা কৰা নাই বা নকৰিব। যদি আপুনি কিবা বেছিকৈ জানে বা আপুনি সত্যটো গম পায় তথাপি পৰিস্থিতি সাপেক্ষে একো ক'ব নোৱাৰে তেতিয়া হ'লে নীৰৱতা অৱলম্বন কৰাই বেছি প্ৰয়োজন। কেতিয়াও কাৰো জীৱনটো শ্ৰেষ্ঠ নহয়। সকলোৰে জীৱনত কোনো কোনো অধ্যায় থাকে। আপুনি কোনো সত্য জানে কিন্তু যদি সেইটোৱে কাৰোবাৰ জীৱনলৈ বিপদ নমাই আনিব পাৰে তেতিয়া হ'লে তেনেকুৱা কথা বোৰত নীৰৱতা হৈ থকাটোৱে শ্ৰেয়। ▶▶

# শিক্ষাৰ্থী জীৱনৰ লগতে কৰ্ম জীৱনৰ গোপনীয়তাৰ প্ৰয়োজনীয়তা

পদ্ম মৰাণ

মানুহৰ সফলতা হৈছে জীৱনৰ এটা অধ্যায়। সফলতাই লৈ আহে জীৱনলৈ অভূতপূৰ্ব সাহস, কোনো ব্যক্তিয়ে জন্মৰ জৰিয়তে মহান হৈ নাহে জীৱনৰ এটা এটা স্তৰ অতিক্ৰম কৰাৰ পাছত হে সফলতা আৰোহণ কৰিব পাৰে। যিকোনো ব্যক্তিৰ সফলতাৰ আঁৰত লুকাই থাকে অজস্ৰ গোপন শব্দৰ ভাণ্ডাৰ। শিক্ষাৰ্থীয়ে জীৱনৰ ভিন্ন বয়সত ভিন্ন পৰিস্থিতি অতিক্ৰম কৰি সফল হয় বা সফলতা আৰোহণ কৰে। এই ছাত্ৰ জীৱনটো কিছু কথা আচলতে গোপনে ৰাখিবলগীয়া আছে। এইটো কথা বহু পলমকৈ হে শিক্ষাৰ্থীয়ে অনুধাৱন কৰিব পাৰে। কিছুমান কথা গোপনে ৰাখিব লাগে সহপাঠীৰ পৰা, আৰু কিছুমান কথা গোপনে ৰাখিব লাগে পিতৃ মাতৃ পৰা আৰু কিছুমান কথা একেবাৰে গোপনে ৰখাটো উচিত নহয় পিতৃ-মাতৃৰ পৰা। আজিৰ সময়ত গোপনীয়তা ৰক্ষা কৰিব পৰাই এটা মহৎ গুণ। গোপনীয়তা ৰক্ষা কৰিব পাৰিলে অতিৰিক্ত মানসিক চাপ কিছুমানৰ পৰা মুক্ত হৈ থাকিব পাৰি। অদৰকাৰী তুলনা নাথাকে। মানুহে কিদৰে বিচাৰ বিশ্লেষণ কৰে সেইবোৰৰ পৰা অৱসৰ ল'ব পাৰি। গোপনীয়তা ৰক্ষা কৰিব পাৰিলে অপ্ৰয়োজনীয় সমালোচনা কিছুমানৰ পৰাও ৰক্ষা পাব পাৰি। অন্ততঃ মানসিক সুখ শান্তি থাকে। প্ৰতিজন শিক্ষাৰ্থীৰ সকলোৰে কিছুমান নিজা লক্ষ্য থাকে কোনোবাই IS হ'ব বিচাৰে কোনোবাই চিকিৎসক হ'ব বিচাৰে কোনোবাই সংগীতক নিজৰ জীৱনৰ পেছা হিচাপে ল'ব বিচাৰে কোনোবাই অসাময়িক সেৱাত যোগদান কৰিব বিচাৰে। সকলো ব্যক্তিৰে ব্যক্তি বিশেষে থাকে নিজৰ নিজৰ লক্ষ্য। যদি শিক্ষাৰ্থীসকলে সকলোকে নিজৰ সপোন লক্ষ্য এইবোৰ বিষয়ে সকলোৰে আগত কৈ ফুৰে তেতিয়া কোনো নহয় কোনো ব্যক্তিয়ে নিউচ্ছাহিত কৰিব পাৰে। তুমি এইবোৰ কৰিব পাৰিবা জানো এনেদৰে নিম্ন কৰি পেলায়। কোনোবাই ঈৰ্ষা কৰিব পাৰে। এইডাল হ'ল নেকি জীৱনৰ লক্ষ্য। যিকোনো পৰিবেশতে পৰিয়াল আত্মীয় স্বজনৰ পৰা হেঁচাৰ সন্মুখীন হ'ব পাৰে। গতিকে জীৱন যাত্ৰাৰ পথত আত্মবিশ্বাসী আৰু সুস্থিৰ এটা পৰিবেশ নোপোৱালৈকে ব্যক্তিগত লক্ষ্য উদ্দেশ্য গোপনে ৰখাটো বুদ্ধিমানৰ কাম। সেয়েহে নীৰৱে কাম কৰি যাব লাগে যেতিয়া সফলতা লাভ হ'ব তেতিয়া শক্তিশালী চিএৱ হৈ পৰিব। সেয়েহে নীৰৱে যেতিয়া কাম কৰি লক্ষ্যত উপনীত হব পাৰি তেতিয়া সেইটো হৈ পৰে কোনো টি ভি, মুবাইলত কৈও অধিক ডাঙৰ শব্দ। ইয়াতে আন কথা হল প্ৰতিজন ছাত্ৰ বা ছাত্ৰী পঢ়াৰ পদ্ধতি ধৰণ বোৰ সম্পূৰ্ণ বেলেগ প্ৰত্যেকৰে বেলেগ বেলেগ পঢ়াৰ আৰু মনত ৰখাৰ অভিনৱ কৌশল থাকে। কাৰ কেনেকুৱা পঢ়াৰ কৌশল থাকে সেই বোৰতো গোপনীয়তা থাকিব লাগে। কিয়নো বেলেগৰ আগত যেতিয়া নিজৰ পঢ়াৰ পদ্ধতি সম্পৰ্কে কৈ দিয়া হয় কোনোবাই সেই বিষয়টো ঠাট্টা মস্কৰা কৰিব পাৰে, ক'ব পাৰে তুমি ৬ ঘণ্টা হে পঢ়া মই ৮ ঘণ্টা পঢ়ো। আকৌ কোনো কোনোৱে পঢ়াৰ কৌশলখিনি অনুকৰণ কৰিব পাৰে। আৰু কোনোবাই পদ্ধতিৰ বিষয়ে সমালোচনা কৰি অধ্যয়নত ব্যাঘাত জন্মাব পাৰে। নিজৰ মানসিক সন্তোলনৰ বাবে পঢ়াৰ কিতিপ কায়দা সমূহৰ নীৰৱতা অৱলম্বন কৰিব লাগে। পৰীক্ষাত লাভ কৰা ফলাফল আৰু নম্বৰ সম্পৰ্কটো গোপনীয়তা প্ৰদান কৰিব লাগে। কৈ ফুৰাৰ প্ৰয়োজন নাই। পৰীক্ষাত পোৱা নম্বৰ কেৱল এটা সংখ্যা নহয়। ই এক ধৰণৰ আবেগিক সন্তোলন। যদি কোনো ছাত্ৰ-ছাত্ৰীয়ে সহপাঠী বা আত্মীয় স্বজন বা বেলেগ ব্যক্তিক প্ৰতিটো সংখ্যা প্ৰতিটো মূল্যায়ন কৈ দিয়া যায় ইয়াৰ ফলত তুলনা আহিব পাৰে। কোনোবাই জোকাই বিভ্ৰান্ত কৰিব পাৰে তই এয়া হে নম্বৰ পালি নে, ইমান কম নম্বৰ, বেছি নম্বৰ পালেও ঈৰ্ষা কৰিব পাৰে। আৰু অতি বেছি নম্বৰ পালে অতি মাত্ৰা প্ৰশংসা পাব লগীয়া হয়। দুয়োটাই অতিমাত্ৰা বেয়া। নিজৰ উন্নতিৰ কথা গোপনে ৰাখি ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লক্ষ্যত আগবাঢ়িব লাগিব। কাৰো ওচৰত কোনো ধৰণৰ প্ৰমাণ কৰাৰ প্ৰয়োজন নাই। ইয়াৰ ফলত আত্মবিশ্বাস বাঢ়িব। আৰু নিজৰ দক্ষতা আৰু দুগুণ বৃদ্ধি হয়। আন এটা গুৰুত্ব পূৰ্ণ কথা হ'ল সহপাঠীসকল বন্ধু হয় যদিও শ্ৰেণীকোঠাত তেওঁলোক প্ৰতিদ্বন্দ্বীও হয় সেয়েহে তেওঁলোকৰ আগত কথা কওঁতে কিছুমান সাৱধানতা দিশ অৱলম্বন কৰিব লাগে। সহপাঠী যদিও বন্ধু হয় তথাপি সিহঁত বোৰৰ সৈতে বহুখিনি কথাই এৰাই চলিব লাগে তলত কিছুমান তেনেকুৱা বিষয় কিছুমান উল্লেখ কৰা হ'ল--

(১) পৰীক্ষা বহি জমা দিয়াৰ আগতে সম্পূৰ্ণ প্ৰশ্ন উত্তৰ বা assignment তথ্য প্ৰকাশ কৰিব নালাগে।

(২) কিমান ঘণ্টা পঢ়া শুনা কৰা সেইটো কথা পৰাপক্ষত প্ৰচাৰিত হবলৈ দিয়াৰ পৰিবৰ্তে গোপনীয় ভাৱে ৰাখিব লাগে।

(৩) ব্যক্তিগত পৰিয়ালৰ বিষয়, আবেগিক সংগ্ৰাম, আৰ্থিক সমস্যা এইবোৰ বিষয়ে কেতিয়াও আলোচনা কৰা উচিত নহয়।

(৪) ব্যক্তিগত জীৱন, বন্ধুত্ব নিৰাপত্তা জীৱনৰ সম্পৰ্কে কেতিয়াও কাৰো আগত ব্যক্ত কৰিব নালাগে, যদি কেতিয়াবা কোৱা হয় যদিও তেতিয়া তাৰ পৰিমাণ কমাই দিব লাগে নিজৰ মা দেউতা আগত কোৱা উচিত।

(৪) জীৱনত কোনো কথাত যদি হতাশা আহিছে বা বিফলতাই মনত থিতাপি লৈছে তেতিয়া হ'লে তেনেকুৱা ধৰণৰ কথা বোৰ মা-দেউতাৰ আগত কোৱা উচিত।

এই বোৰৰ বাহিৰেও শিক্ষাৰ্থীসকলে পিতৃ-মাতৃ আগত কিছুমান কথা ব্যক্ত নকৰিলেও চলি যায়। আছে তেনেকুৱা কিছুমান কথা আছে যিবোৰ কথা নিজে নিজৰ সমাধান হৈ পৰিব পাৰি। যেনেধৰা কোনো ধৰণৰ অধ্যয়ন পদ্ধতি, যেতিয়া লৈকে গতানুগতিক ভাৱে অধ্যয়ন পদ্ধতি চলি আছে তেনেকুৱাবোৰ কথা নক'লৈও



(৫) বন্ধুত্ব গঢ়িব লাগে আস্থা আৰু বিশ্বাসৰ ওপৰত কিন্তু নিজৰ কথা বোৰ বেছিকৈ প্ৰকাশ কৰিব নালাগে। যি অভ্যাসে কেতিয়াবা কষ্ট দিব পাৰে।

এই পৃথিৱীত যিমান বেছি বন্ধু বান্ধৱী গোটালেও, পিতৃ মাতৃত কৈও বেছি কোনেও বেছি ভাল পাব নোৱাৰে। কোনো স্বাৰ্থ নোহোৱাকৈ এই পৃথিৱীত একমাত্ৰ নিজৰ মা-দেউতাই উন্নতি হোৱাটো বিচাৰে। সেইকাৰণে পিতৃ মাতৃ লগত বহু সময়ত বহুতো কথা আলোচনা কৰিব পাৰি। তেওঁলোকে কেতিয়াও ভুল পথেৰে যাবলৈ নকয়। আমি শিক্ষাৰ্থী জীৱনত মা দেউতাক সদায় দ্বিতীয় স্থান দিও কিন্তু মা-দেউতা হ'ল আমাৰ জীৱনৰ প্ৰকৃত পদ পদশক।

নিজৰ মাতৃ পিতৃৰ পৰা কেতিয়াও কিছুমান কথা লুকুৱাই থ'ব নলাগে, যথাসম্ভৱ ক'ব পৰা কথাখিনি আলোচনা কৰিব লাগে। যাতে কিছু ক্ষেত্ৰত সমাধান সম্ভৱ হৈ উঠে, মা - দেউতাৰ আগত ব্যক্ত কৰিব পৰা ধৰণৰ কিছুমান কথা হ'ল-

(১) কোনো ধৰণৰ মানসিক সমস্যা হ'লে তৎক্ষণাৎ সেইবোৰ বিসংগতি মূলক কথা নিজৰ মা-দেউতা আগত ব্যক্ত কৰিব লাগে।

(২) অধ্যয়নৰ ক্ষেত্ৰত যদি কোনো সমস্যা হৈছে তেতিয়া হলে সেই বিষয়ে মা-দেউতাৰ আগত অৱগত কৰিব লাগে।

(৩) কোনোৱে যদি বিদ্যালয়-মহাবিদ্যালয়ত যদি শাৰীৰিক, মানসিক ভাৱে শাৰা শাস্তি কৰিছে বা তেনেকুৱা পৰিবেশৰ সন্মুখীন হ'ব লগা হৈছে তেতিয়া হ'লে সেই কথা হ'ব। লগতে সৰু সুৰা ব্যক্তি গত লক্ষ্য যিবোৰ যেতিয়া লৈকে পোৱা নাই সেই বস্তুৰ বিষয়ে নক'লেও চলি যায়। বন্ধুত্ব সম্পৰ্ক টোত যদি আস্থা আছে যদি সেই সম্পৰ্ক টোৰ পৰা কোনো ধৰণৰ ক্ষতি নাই তেনেহ'লে তেনেকুৱা ধৰণৰ কথা বোৰ নকলেওঁ চলি যায়। প্ৰতিটো আবেগিক কথা সকলোৰে আগত কোৱাৰ প্ৰয়োজন নাই, প্ৰতিটো পৰিকল্পনাৰ কথা সকলোৰে আগত ব্যক্ত কৰাৰো প্ৰয়োজন নাই। আৰু যদিহে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ গোপনীয়তা ৰক্ষা কৰিব জানে তেতিয়া হলে নিজৰ প্ৰেৰণা, আত্মবিশ্বাস, সাহস এইবোৰ সযতনে থাকে। নিৰৱতায়ো কেতিয়াবা নিজৰ উন্নয়ন মৰ্য্যাদা বৃদ্ধি কৰে নীৰৱে কাম কৰি যোৱাৰ পিছত যিটো ফলাফল পোৱা যায় ন সেইটোৱে প্ৰকৃত শক্তিৰ অৰ্থ। আৰু সেই সফলতাতো সুকীয়া মাদকতা কিছুমান লুকাই থাকে।

কেৱল ছাত্ৰ জীৱনৰ গোপনীয়তা থাকিব লাগে এনে নহয় ছাত্ৰ জীৱনৰ পিছৰ পৰ্যায়টোৱে হৈছে কৰ্ম জীৱন। এই ছাত্ৰ জীৱনৰ পিছতে কৰ্ম জীৱনৰো থাকে কিছুমান গোপনীয়তা। মোক এজন আদৰ্শ শিক্ষকে কৈছিল কিছুমান মূল্যবান আৰু অৰ্থযুক্ত কথা যিবোৰ অৱলম্বনৰ জৰিয়তে নিজক সদায় ৰক্ষা কৰিব পাৰি। তেওঁ কৈছিল কৰ্ম জীৱনৰ কিছু ধাৰা, কিছুমান গোপনীয় দিশৰ অনুধাৱন। তেনেকুৱা কিছুমান কথা তলত উল্লেখ কৰা হ'ল-

(১) নতুন গাড়ী বা মোবাইল লৈ বেছি দেখুৱাই ফুৰিব নালাগে। এইবোৰ জীৱনৰ প্ৰয়োজনৰ আহিলাহে। কোনো স্থায়ী সম্পদ নহয়। বৰ্তমান সমাজখন ইমানেই প্ৰযুক্তি বিদ্যা দিশত উন্নত হৈছে যে, কোনো বস্তুৰ প্ৰভাৱ সদায় একে নাথাকে। আজিৰ তুলনাত কাইলৈ আৰু উন্নত মানদণ্ডৰ বস্তু উপলব্ধ হৈ পৰিছে।

(২) যেতিয়া কোনো ব্যক্তিয়ে কোনো ক্ষেত্ৰত সমালোচনা কৰে বা প্ৰশংসা কৰে, এইবোৰ জীৱনৰ একো একোটা অধ্যায় এইবোৰ নহলে জীৱন পৰিপূৰ্ণ নহ'ব চাগে কিন্তু এইবোৰ অৰ্থাৎ কোনে কি কৈছে, কোনে কেনেকুৱা ব্যৱহাৰ কৰিছে এইবোৰত বেছি গুৰুত্ব দিব নালাগে। এই পৃথিৱীত প্ৰত্যেকজন তেনেকুৱা প্ৰতিজন তেনেকুৱা, নিজক উচ্চ মানদণ্ডৰ দেখুৱাবলৈ তোমাক সদায় তল পেলাবলৈ চেষ্টা কৰিবই। যদি তেনেকুৱা মানুহক গুৰুত্ব দিয়া নাই তেতিয়া হলে সঁচাকৈ আপুনি জীৱন জীয়াবলৈ শিকিছে।

(৩) জীৱনটো আগুৱাই যাওঁতে খলা বমা কিছুমান পাবই, ড্ৰাইভাৰ ঠিকেই আছিল আপুনি কিন্তু বেলেগে খুন্দিয়াই থাকে। আমাৰ মনুষ্য জীৱনত ঘটা ঘটনা কিছুমান তেনেকুৱাই আমাৰ নিয়ন্ত্ৰণত নাথাকে। যিবোৰ কোনো নিয়ন্ত্ৰত নাই সেইবোৰ কথাত সময় নষ্ট কৰি লাভ নাই যি ঘটিছে গ্ৰহণ কৰাৰ মানসিকতা যদি আপুনি লৈছে, এটা দীঘল উশাহ লৈ যদি আপুনি পৰাজিত হৈও আকৌ চেষ্টা কৰিছে যুঁজিবলৈ তেন্তে আপুনি সঁচাকৈ জীৱন জিনিবলৈ শিকি গৈছে।

(৪) সঠিকটোৱে আজিকালি খেদি নুফুৰে, ভৱিষ্যতে কি হ'ব বুলি যদি চিন্তা কৰা নাই, বৰ্তমানটোত যদি আপুনি জীয়াবলৈ শিকি গৈছে, ভৱিষ্যত জীৱনত যদি কিবা পৰিকল্পনা বা ভবা কথাবোৰ সময়ত হোৱা নাই তেতিয়া হ'লে সেইবোৰ মানি ল'বলৈ যদি পাৰিছে আপুনি তেতিয়া হলে আপোনাক সঁচাকৈ সন্মান দিয়াৰ যোগ্য।

(৫) এই পৃথিৱীত পৰিবৰ্তনেই নিয়ম। ভগৱান শ্ৰী কৃষ্ণই কোৱা সত্যক যদি আপুনি চিকাৰ কৰি লব পাৰিছে তেতিয়া হ'লে কোনো কথাই আপোনাক দুখ যন্ত্ৰণা দিব নোৱাৰে। আমি সকলোৱে পৰিবৰ্তন লৈ ভয় কৰো যদি আপুনি পৰিবৰ্তনক লৈ ভয় কৰা নাই তেতিয়া হলে আপোনাৰ জীৱন যুদ্ধত জিকিছে।

(৬) কোনো ব্যক্তিৱে যদি আপোনাক সততে ইতিকিং কৰে সমালোচনা কৰে এইবোৰ দেখিও যদি কোনো আপোনাৰ প্ৰতিক্ৰিয়া নাই কোনো খং নাই, মনত কোনো ধৰণৰ ঈৰ্ষা নাই। যদিও আপুনি আপোনাৰ শত্ৰুক চিনি পাইছে তথাপি কোনো প্ৰতিশোধ লোৱা নাই বা প্ৰতিশোধৰ পৰিবৰ্তে সহায়ৰ হাত আগবঢ়ায় দিছে তেতিয়া হ'লে আপুনি আপোনাৰ জীৱনৰ পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ লৈছে।

(৭)জীৱনত কেতিয়াবা যদি নিজক কাৰো সৈতে তুলনা কৰা নাই বা নকৰিব। যদি আপুনি কিবা বেছিকৈ জানে বা আপুনি সত্যটো গম পায় তথাপি পৰিস্থিতি সাপেক্ষে একো ক'ব নোৱাৰে তেতিয়া হ'লে নীৰৱতা অৱলম্বন কৰাই বেছি প্ৰয়োজন। কেতিয়াও কাৰো জীৱনটো শ্ৰেষ্ঠ নহয়। সকলোৰে জীৱনত কোনো কোনো অধ্যায় থাকে। আপুনি কোনো সত্য জানে কিন্তু যদি সেইটোৱে কাৰোবাৰ জীৱনলৈ বিপদ নমাই আনিব পাৰে তেতিয়া হ'লে তেনেকুৱা কথা বোৰত নীৰৱতা হৈ থকাটোৱে শ্ৰেয়। কেতিয়াও কিবা কথাত আমিৰ খান হ'বলৈ নাযাব। এইবোৰ চিনেমা কাহিনীত হে ভাল লাগে বাস্তৱ জীৱনত ইয়াৰ উপশম সম্পূৰ্ণ পৃথক।

জীৱনৰ এই দিশ সমূহ প্ৰতি, গোপনীয়তাৰ প্ৰতি লক্ষ্য ৰাখিলে জীৱনটো সঁচাকৈ সুন্দৰ আৰু নিজা আভাৰে ভৰি পৰে। কোনো বাহিৰা ব্যক্তিয়ে নিজৰ কৰ্ম জীৱন আৰু লক্ষ্য প্ৰাপ্তি জীৱনত আঙুলিৰ বুলবুলনি দিবলৈ সামৰ্থ্য নহয়। জীৱনটো নিজৰ মতে, নিজৰ সত্তাৰে জিলিকাই তুলিবলৈ লাগে মাথোঁ আমাক কিছু জীৱনৰ নীৰৱতাৰ পন্থা। সকলোৰে জীৱনত গোপনীয়তা থাকে, কিছুমান গোপনীয়তা কেৱল একান্ত নিজৰ আৰু কিছুমান গোপনীয়তা পৰিয়াল কেন্দ্ৰিক আৰু কিছুমান গোপনীয়তা আত্মীয় স্বজনৰ সৈতে ভগাব পাৰি। কিছুমান মানুহে নিজৰ গোপনীয়তা বোৰ সযতনে সংৰক্ষণ কৰি থবলৈ জানে আৰু কিছুমান লোকে এইবোৰ আত্ম সংযম কৰিব নাজানে। ইয়াৰ পৰিক্ৰমাত সৃষ্টি হয় জীৱনৰ ন ন অধ্যায়। কেতিয়াবা হৈ পৰে জীৱনৰ ধাৰাৰ অসীম পৰিবৰ্তন। সেয়েহে বৰ্তমান সময়ত গোপনীয়তা এক প্ৰকাৰৰ সবল আৰু শ্ৰেষ্ঠ গুণ। গোপন ভাৱে অৰ্থাৎ নীৰৱতা ধাৰা সমূহ লিপিবদ্ধ কৰি নিজৰ লক্ষ্য প্ৰাপ্তি যি দিনাই পোৱা যায় সেইদিনাই হৈ পৰিব জীৱনৰ একেবাৰে মহৎ সাৰ্থক। আৰু জীৱন হৈ পৰিব ৰামধেনুৰ দৰে উজ্জ্বল।

# শৰৎ কালৰ অন্যতম ধৰ্মীয় উৎসৱ - ৰাসোৎসৱ



মৰমী ওজা ৰয়

"শৰৎ কালৰ ৰাতি
অতি বিতোপন
ৰাসক্ৰীড়া কৰিতে
কৃষ্ণৰ ভৈল মন।"

ৰাস শৰৎ কালৰ অন্যতম ধৰ্মীয় উৎসৱ। ৰাসৰ মূল কাহিনী হৈছে ভগৱান শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ মাজত হোৱা আধ্যাত্মিক লীলা। ইয়াৰ মাধ্যমেৰে শ্ৰীকৃষ্ণই গোপীসকলক তেওঁলোকৰ প্ৰেম আৰু ভক্তিৰ প্ৰতিদান দিছিল।

ৰাসৰ কাহিনীভাগ ভাগৱত পুৰাণৰ দশম স্কন্ধত বৰ্ণিত আছে। ৰাসলীলাৰ জৰিয়তে শ্ৰীকৃষ্ণই পৃথিৱীত 'প্ৰেম'ৰ মহত্ত্ব প্ৰতিষ্ঠা কৰিছিল বুলি কোৱা হয়।

এই উৎসৱ সাধাৰণতে শাৰদীয় পূৰ্ণিমাত পালন কৰা হয়। ইয়াত গোপীসকল হৈছে জীৱাত্মা আৰু শ্ৰীকৃষ্ণ হৈছে পৰমাত্মা। অৰ্থাৎ জীৱাত্মা আৰু পৰমাত্মাৰ মিলনেই হৈছে ৰাস। ৰাসোৎসৱত ৰাধা সমন্বিতে গোপীসকলে শ্ৰীকৃষ্ণৰ বাঁহীৰ সুৰ শুনি, নিজৰ ঘৰ, পৰিয়াল এৰি ধপলিয়াই আহে আৰু শ্ৰীকৃষ্ণৰ লগত নৃত্য-গাত কৰে। সেই আনন্দৰ মুহূৰ্তত বিধি-পঠালি দিবলৈ অহা অসুৰ-ৰূপী অপায়-অমংগলক শ্ৰীকৃষ্ণই নাশ কৰে বা খেদি পঠিয়ায়। ফলত পুনৰ শান্তি বিৰাজ কৰে।

মাজুলীৰ দক্ষিণপাট সত্ৰত পোন প্ৰথমে ৰাস উৎসৱৰ আৰম্ভ হয়। পাছলৈহে গড়মূৰ, আউনীআটী, বেঙেনাআটী, কমলাবাৰী আদি সত্ৰলৈ ৰাসোৎসৱে প্ৰসাৰতা লাভ কৰে। বৰ্তমান অসমৰ বিভিন্ন প্ৰান্তত এই উৎসৱ উদযাপন কৰা হয়।

ভক্তিৰসৰ মধুৰ সমন্বয়েই ৰাসলীলা। শৰৎ কালৰ শুভ্ৰ জোনাক ৰাতি, গোপীসকলক প্ৰেমৰসত আপ্লুত কৰি শ্ৰীকৃষ্ণই যি লীলাৰে বৃন্দাবন আনন্দমুখৰ কৰি তুলিছিল সেয়াই ৰাস মহোৎসৱৰ মহিমা।

সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ নদীদ্বীপ মাজুলীৰ ৰাসে অসমৰ সাংস্কৃতিক ক্ষেত্ৰত বিশেষ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্ষাকালৰ বানত জুৰুলা হোৱা মাজুলীবাসীয়ে বৰ্ষান্তত নতুন উদ্যম আৰু হেঁপাহেৰে ৰাস মহোৎসৱৰ বাবে প্ৰস্তুত হয়। লক্ষ্মী পূৰ্ণিমাৰ দিনাৰ পৰাই নাটকৰ আখৰা আৰম্ভ কৰি এমহীয়া পৰিক্ৰমাৰ অন্তত তিনিদিনীয়াকৈ ৰাস অনুষ্ঠিত কৰাৰ পৰম্পৰা ৰক্ষা কৰি আহিছে। শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা ৰাসলীলাক মাজুলীবাসীৰ প্ৰধান উৎসৱ বুলিব পাৰি।

শ্ৰীশ্ৰী আউনীআটী সত্ৰত ৰাসলীলা নাটকত শ্ৰীকৃষ্ণৰ শিশুলীলা আৰু মহাৰাস প্ৰদৰ্শন কৰা হয়। চামগুৰি সত্ৰত মুখা ব্যৱহাৰৰ চমৎকাৰী কৌশল এই সত্ৰৰ ৰাসলীলাৰ অন্যতম বৈশিষ্ট্য। শ্ৰীশ্ৰী বেঙেনাআটী সত্ৰত পৰম্পৰাগতভাৱে গোবিন্দ মূৰ্তিৰ পূজাৰে ৰাসলীলা অনুষ্ঠিত কৰে। গড়মূৰ সত্ৰত আধুনিক মঞ্চৰ উপযোগীকৈ ৰাসলীলা প্ৰদৰ্শন কৰা হয়। উত্তৰ কমলাবাৰী সত্ৰ, নতুন কমলাবাৰী সত্ৰ প্ৰমুখ্যে মাজুলীৰ বিভিন্ন স্থানত প্ৰদৰ্শিত প্ৰায় পঞ্চাশটি মঞ্চত আয়োজন কৰা ৰাসলীলাৰ আকৰ্ষণীয়তাই দৰ্শকক মুগ্ধ কৰি আহিছে। এইসমূহ দৰ্শনৰ বাবে দেশী, বিদেশী পৰ্যটকৰ আগমনে সেই সময়ত মাজুলীত মৰততে সৰগীয় পৰিৱেশৰ সৃষ্টি কৰে।

দ্বাদশ শতিকাৰ শেষ ভাগত ৰচিত, জয়দেৱৰ গীত-গোৱিন্দ আৰু ত্ৰয়োদশ শতিকাৰ ৰাচত ব্ৰহ্মবৈৱত পুৰাণে ৰাধা-কৃষ্ণৰ কাহিনীভাগ জনপ্ৰিয় কৰি তুলিছিল যদিও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰচিত 'কেলিগোপাল' নাটত কেৱল ৰাসলীলাতহে ৰাধাৰ উল্লেখ আছে। শংকৰদেৱে ভাগৱত পুৰাণৰ অনুকৰণত নিজৰ ৰচনাত ৰাধাক বিশেষ স্থান দিয়া নাছিল। অসমৰ বৈষ্ণৱ সাহিত্যত ৰাধাৰ চৰিত্ৰৰ অন্তৰ্ভুক্ত কৰে ৰাম সৰস্বতী, কবিৰাজ চক্ৰৱৰ্তী আদি বৈষ্ণৱ কবিয়ে।

অসমত, ১৭৬২ শকৰ পৰা মাজুলীৰ দক্ষিণপাট সত্ৰত ৰাসোৎসৱ উদ্‌যাপন হৈ আহিছে। সত্ৰসমূহত বৈদিক ক্ৰিয়াকাণ্ড আৰু নাট্যৰূপে ৰাসোৎসৱ উদ্‌যাপন হয়। আগতে উল্লেখ কৰা হৈছে যে, দক্ষিণপাট সত্ৰৰ পিছতহে গড়মূৰ, আউনীআটী, বেঙেনাআটী, কমলাবাৰী, আদি সত্ৰলৈ ৰাসৰ প্ৰসাৰ ঘটে। ৰাস পূজা, অভিনয় বা ভাওনা আৰু ৰাস উপলক্ষে কৰা নাম প্ৰসংগ তিনিওটাই ৰাসোৎসৱৰ লগত জড়িত। কিছুমান সত্ৰত ৰাস এদিনীয়াকৈ, কেৱল ৰাস পূৰ্ণিমাৰ দিনা আৰু আন কিছুমান সত্ৰত তিনিদিনীয়াকৈ পালন কৰে। এদিনীয়াকৈ যিবোৰ সত্ৰত পালন কৰে সেইবোৰ সত্ৰত ৰাস উপলক্ষে দিহানাম, গায়ন-বায়ন, নটুৱা চালি, ওজাপালি আদি অনুষ্ঠান পাতে। দক্ষিণপাট সত্ৰত তিনিদিনীয়াকৈ ৰাসোৎসৱ পালন কৰা হয়। ৰাসোৎসৱৰ তিনিদিনক এক বিশেষ নামেৰে জনা যায়। প্ৰথমদিনা অধিবাস, দ্বিতীয়দিনা ৰাস আৰু তৃতীয়দিনা ইন্দ্ৰাভিষেক। ৰাস পূৰ্ণিমাৰ দিনা পুৱাৰ পৰা ৰাস পূজা আৰম্ভ হয়। সম্পূৰ্ণ দিনজুৰি নাম-প্ৰসংগৰ উপৰি গায়ন-বায়ন, নাম-কীৰ্তন, নটুৱা নাচ আদি চলি থাকে। ৰাতিলৈ ৰাসলীলা প্ৰদৰ্শন হয়। উদাসীন পন্থাৰ পৰম্পৰাৰে প্ৰচলিত সত্ৰসমূহত আৰু সত্ৰীয়া পাৰিপাৰ্শ্বিকতাৰ মাজত প্ৰদৰ্শিত ৰাসলীলাত পুৰুষ অভিনেতা সকলেই পুৰুষ আৰু নাৰী উভয় চৰিত্ৰতে বৰ্তমানো অভিনয় কৰি থকা দেখা যায়।

পূৰ্বতে সাধাৰণতে নামঘৰতে ৰাসলীলা প্ৰদৰ্শন হৈছিল যদিও বৰ্তমান যুগত আধুনিক গতিধাৰালৈ দৰ্শকৰ মন আকৰ্ষণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি, আধুনিক কলা-কৌশল ব্যৱস্থাৰে, ঠাই বিশেষে মঞ্চত ৰাস প্ৰদৰ্শন কৰা হয়। শংকৰদেৱৰ 'চিহ্নযাত্ৰা'ই মঞ্চাভিনয়ৰ প্ৰথম নিদৰ্শন। এনে ব্যৱস্থাৰ আৰ্হিতে ৰাসক মঞ্চৰ জৰিয়তে অধিক আকৰ্ষণীয় ৰূপত প্ৰদৰ্শন কৰাৰ প্ৰয়াস কৰা হৈছে। এই আধুনিক কলা-কৌশলৰ ওপৰত গুৰুত্ব দি প্ৰয়াত গড়মূৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীয়ে ৰাসলীলাক মঞ্চৰাসলৈ পৰিৱৰ্তন কৰে। অৱশ্যে এতিয়াও কিছু সত্ৰই প্ৰাচীন পৰম্পৰা ৰক্ষা কৰি পূৰ্বৰ ৰাস প্ৰদৰ্শনৰ মূলস্থলী নামঘৰতেই প্ৰদৰ্শন কৰি আহিছে।

উজনি অসমৰ দৰে নামনি অসমতো ৰাস মহোৎসৱৰ প্ৰাধান্য দেখা পোৱা যায়। নলবাৰী, শুৱালকুছি, ৰামদিয়া, হাউলী, টিহু, পলাশবাৰী আদি অঞ্চলত ৰাস মহোৎসৱ পালন কৰা হয়। কিন্তু উজনি আৰু নামনিৰ ৰাসৰ মাজত বহু পাৰ্থক্য দেখিবলৈ পোৱা যায়। উজনিৰ ৰাস অভিনয়কেন্দ্ৰিক আৰু নামনিৰ ৰাস মূৰ্তিকেন্দ্ৰিক। শ্ৰীকৃষ্ণৰ বিভিন্ন কৰ্মৰাজিক মৃণ্ময় মূৰ্তিসমূহৰ মাজেৰে সুন্দৰকৈ সজাই তুলি প্ৰদৰ্শন কৰা হয়। কালীয় দমন, পুতনা বধ, দধিমথন, কংসবধ, বৃন্দাবনৰ ৰাসলীলা আদি মৃণ্ময় মূৰ্তিসমূহৰ জৰিয়তে উপস্থাপন কৰা হয়। ঠাই ভেদে ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি ঢুলীয়া, ওজাপালি, নাট, নাম-প্ৰসংগ আদি প্ৰদৰ্শন কৰা হয়। কোনো কোনো ঠাইত জীৱন্ত মূৰ্তিও প্ৰদৰ্শন কৰা হয়। বিভিন্ন আলোকসজ্জাৰে সজ্জিত প্ৰদৰ্শনস্থলীয়ে দৰ্শকৰ মন আকৰ্ষণ কৰে।

মধ্য অসমত কিছুসংখ্যক ৰাসত মহিলাই পুৰুষ, নাৰী (কৃষ্ণ, অসুৰ, গোপী) উভয় চৰিত্ৰতে অভিনয় কৰা দেখা যায়। এই অঞ্চলৰ ৰাসত গীতসমূহৰ বাহিৰে, সংলাপ বা বচনসমূহ ভাওনাৰ বচনৰ দৰেই ব্ৰজাৱলী ভাষাতে হয়।

বৰ্তমান ৰাসৰ বতৰ। শৰতৰ পূৰ্ণিমাৰ ৰাতি। ... যমুনা-তীৰৰ পৰা মুৰুলীৰ ধ্বনি ভাহি আহিছে। মোহনৰ মুৰুলীৰ মধুৰ সুৰত মোহিত হৈ গোপীসকলে য'ৰে কাম ত'তে এৰি দৌৰি আহিছে প্ৰাণ-কৃষ্ণৰ কাষলৈ। আহোঁতে লগৰ কেইগৰাকীকো মাতি আহিছে...।

'আহাঁ সখী হে'
বৃন্দাবনে যাওঁ
গকুলৰে শ্ৰীকৃষ্ণক
নয়ন ভৰি চাওঁ।"

৩০ হাজাৰ মহিলাই ৰাজপথ কঁপোৱাৰ হুংকাৰ

# জনজাতিকৰণ আৰু কমতাপুৰ ৰাজ্যৰ দাবীত ডিব্ৰুগড়ৰত কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ সংবাদমেল

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৫ নৱেম্বৰ ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা ডিব্ৰুগড জিলা সমিতিয়ে ডিব্ৰুগড়স্থিত কাৰ্যালয়ত এক সংবাদমেলৰ জৰিয়তে জানিবলৈ দিয়া অনুসৰি বিগত ৩৫ বছৰে কোচ ৰাজবংশী সকলে নিজৰ ভাষা সংস্কৃতি বিকাশ, প্ৰচাৰ প্ৰসাৰৰ লগতে জনজাতিকৰণ, কমতাপুৰ ৰাজ্যৰ দাবী, ভূমি অধিকাৰ, ৰাজনৈতিক অধিকাৰ আদি প্ৰাপ্যৰ দাবীত চৰকাৰৰ ওচৰত বহু আবেদন নিবেদন কৰাৰ লগতে আন্দোলন কৰাৰ পিছতো আজি পৰ্যন্ত চৰকাৰে কোচ ৰাজবংশী সকলৰ দাবীৰ প্ৰতি বিশেষ সঁহাৰি দিয়া পৰিলক্ষিত নহ'ল, বুলি কোৱাৰ উপৰিও কেৱল ১৯৯৬ চনত ছয় মাহৰ বাবে কোচ ৰাজবংশী সকলক জনজাতিৰ মৰ্য্যদা প্ৰদান কৰিছিল। কিন্তু ছমাহ পিছত জনজাতিৰ মৰ্য্যদা পুনৰ কৰ্তন কৰি সমগ্ৰ কোচ ৰাজবংশী জাতিটোক চৰম অপমান কৰিলে। সেয়েহে চৰকাৰে ১৯৯৬ চনত যি জনভিত্তিত কোচ ৰাজবংশী সকলক জনজাতিৰ মৰ্যদা প্ৰদান কৰিছিল সেই একে ভিত্তিত পুনৰ কোচ ৰাজবংশী সকলক জনজাতিৰ মৰ্য্যদা প্ৰদান কৰিবলৈ চৰকাৰ ওচৰত দাবী জনায়। চৰকাৰে কোচ ৰাজবংশী সকলৰ উন্নয়নৰ কাৰণে যি উন্নয়ন পৰিষদ আৰু স্বায়ত্ত্ব পৰিষদ গঠন কৰিছিল সেই পৰিষদৰ পৰাও দুই এজন ব্যক্তিৰ লাভালাভৰ বাহিৰে আনকোনো কোচৰাজবংশী লোকৰ উন্নয়ন হোৱা পৰিলক্ষিত নহ'ল। সেয়ে এই দুয়োখন পৰিষদ ভঙ্গ কৰি পুনৰ নতুন সমিতি গঠন কৰিবলৈ আহ্বান জনায়। লগতে কমতাপুৰ স্বায়িত্ব শাসিত পৰিষদখন কেৱল অ-বিভক্ত গোৱালপাৰা জিলাতেই সীমাবদ্ধ নেৰাখি স্বায়িত্ব শাসিত পৰিষদখন চেটেলাইট ব্যৱস্থাৰে সমগ্ৰ অসমৰ কোচ ৰাজবংশী সকলক সাঁঙুৰি লবলৈ দাবি জনোৱাৰ উপৰিও কেইবাটাও দাবীৰে সংবাদ মেলৰ জৰিয়তে দাবী জনায়। দাবীসমূহ- ভূমিপুত্ৰ কোচ ৰাজবংশী সকলৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ কাৰণে ত্ৰিপাক্ষিক বৈঠক আয়োজন, পৃথক কমতাপুৰ ৰাজ্য পুনৰ উদ্ধাৰ, অসমৰ ভূমিপুত্ৰ কোচ বাজবংশী সকলক জনজাতীয় মৰ্য্যদা প্ৰদান, বিটিচি অঞ্চলত বসবাস কৰা কোচ ৰাজবংশী সকলক চৰকাৰে যি বৈষম্যমূলক ভাবে ভূমি অধিকাৰৰ ক্ষেত্ৰত বঞ্চিত কৰিছে তাক গৰিহণা দিয়া, লগতে শীঘ্ৰে ভূমি অধিকাৰ, কেএলঅৰ লগত সম্মানজনক আলাপ আলোচনাৰে শান্তি চুক্তি কৰা, কোচ ৰাজবংশী সকলক চৰকাৰী বেচৰকাৰী খণ্ডত শিক্ষা আৰু চাকৰি ক্ষেত্ৰত বিশেষ অগ্ৰাধিকাৰ প্ৰদান, অসমৰ সকলো জিলাতে কোচ ৰাজবংশীৰ ভাষা, সংস্কৃতি বিকাশ, প্ৰচাৰ-প্ৰসাৰ কেন্দ্ৰ আৰু একোটাকৈ মিউজিয়াম ও চিলাৰায় প্ৰতিমূৰ্তি নিৰ্মাণ কৰা, বৰ্তমান অবিচিৰ অন্তৰ্গত কোচ ৰাজবংশী সকলৰ জাতিগত প্ৰমাণ পত্ৰ দিয়া, উজনি অসমত বিধানসভা, লোকসভা আৰু স্থানীয় নিকায় সমূহত কোচ ৰাজবংশী লোকৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থা, লগতে কোচ ৰাজবংশীৰ বাবে ইলেকচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সুবিধা প্ৰদান কৰা, কোচ ৰাজবংশী উন্নয়ন পৰিষদখন ভংগ কৰি উজনি, মধ্য আৰু নামনি অসমৰ সংগ্ৰামী জনতাক সাঁঙুৰিলৈ শক্তিশালী নতুন সমিতি গঠন, কমতাপুৰ স্বায়িত্বশাসিত পৰিষদখন কেৱল অ-বিভক্ত গোৱালপাৰা জিলাতেই সীমাবদ্ধ নেৰাখি স্বায়িত্ব শাসিত পৰিষদখন চেটেলাইট ব্যৱস্থাৰে সমগ্ৰ অসমৰ কোচ ৰাজবংশী সকলক সাঁঙুৰি লবলৈ সংবাদমাধ্যমৰ জৰিয়তে জনায় আক্ৰাছুৰ ধেমাজি জিলাৰ সভাপতি বাদল বৰ্মন, যুটীয়া সম্পাদক দ্বিজেন দত্ত, মহিলা সমিতিৰ সভানেত্ৰী গোলাপী বৰ্মন আদি উপস্থিত থাকে আৰু চিলাপথাৰত ৩০ হাজাৰ মহিলাই ৰাজপথ কঁপাব বুলি হুংকাৰ প্ৰদান কৰে।

# ডবকা 'অৰুনোদয় একাডেমী' প্ৰাঙ্গণত শিশু দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ডবকা, ১৫ নৱেম্বৰ ঃ** হোজাই জিলাৰ ডবকাৰ "অৰুনোদয় একাডেমী" নামৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ প্ৰাঙ্গণত সমগ্ৰ ৰাজ্যৰ লগতে ১৪ অক্টোবৰৰ দিনটোত বৰ উলহমালহেৰে শিশু দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানত প্ৰয়াত জৱাহৰলাল নেহেৰুৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি আৰু বন্তি প্ৰজ্বলন কৰাৰ লগতে সকলোৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয় ও "অৰুনোদয় একাডেমী" প্ৰাঙ্গণত বৃক্ষৰূপণ কৰা হয়। শিক্ষক দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয় খনৰ পেক্ষগৃহত এক সভাৰ আয়োজন কৰা হয়। সভা খনত সভাপতিত্ব কৰে একাডেমীৰ সঞ্চালক ছামচুজ জামালে। সভাত আতধৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ আমিৰ উদ্দিনে। সভাত উপস্থিত থাকে বিশিষ্ট সমাজ সেৱক নাৰায়ন বৰ্' এই অঞ্চলৰ মুৰব্বী মৌলানা মাহমুদুৰ ৰহমান, আদৰ্শ এম ই স্কুলৰ প্ৰধান শিক্ষক আব্দুল জলিল, সুতাৰ গাওঁ পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী দিপিকা বৰ্' লগতে এই সভাত উক্ত অঞ্চলৰ বিশিষ্ট বুদ্ধিজীবি শিক্ষাবিদ সকল উপস্থিত থাকে। লগতে বিদ্যালয় খনৰ শিক্ষক ইব্ৰাহীম আলী, নৱজ্যোতি গগৈ, মহেশ মেচ, আবুল হুছেইন, শিক্ষয়ত্ৰী অঞ্জলি দেৱনাথ, আফচাৰা বেগম, নাজিমা বেগম, ববিতা ৰাণী শিল, মাৰুফা বেগম, ববিতা দেৱনাথ, মাৰুফা বেগম, দেৱি দাস, পূজা ভৌমিকৰ লগতে অন্যান্য শিক্ষক-শিক্ষয়ত্ৰী সকল। এই সভাত ছাত্ৰ ছাত্ৰী'ৰ মাজত নৃত্য-গীত, কবিতা আবৃত্তি আদিৰ লগতে সমাজিক মাধ্যমৰ ওপৰত এখনি তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। বিজয়ী ছাত্ৰ-ছাত্ৰীৰ সকলক উপহাৰ হিচাপে কলম, জ্যামিতি ব', কিতাপ ইত্যাদি বিতৰণ কৰা হয়। উল্লেখ্য যে ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিন উপলক্ষে প্ৰতিবছৰে এই দিনটো শিশু দিৱস হিচাপে উদযাপন কৰা হয়। নেহৰুজীয়ে শিশুৰ প্ৰতি গভীৰ মমতা আৰু স্নেহ ৰাখিছিল বুলি জনাজাত। সেই বাবেই তেওঁৰ স্মৃতিত শিশু সকলৰ উন্নতি, অধিকাৰ আৰু শিক্ষাৰ প্ৰসাৰৰ বাবে এই দিনটো বিশেষভাৱে পালন কৰা হয়। শিক্ষক দিৱস উপলক্ষে দেশৰ বিভিন্ন বিদ্যালয়, সামাজিক সংস্থা আৰু শিক্ষানুষ্ঠান সমূহে নানা ধৰণৰ কাৰ্যসূচী আয়োজন কৰে। বিদ্যালয় সমূহত সাংস্কৃতিক অনুষ্ঠান, নৃত্য-গীত, চিত্ৰাঙ্কন প্ৰতিযোগিতা, ক্ৰীড়া প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। কিছু স্থানত শিক্ষক সকলেও বিশেষ কাৰ্যসূচী আগবঢ়াই শিশু সকলক আনন্দিত কৰা পৰিলক্ষিত হয়। শিশু দিৱসৰ মূল লক্ষ্য হৈছে শিশু সকলক শিক্ষা, নৈতিক মূল্যবোধ আৰু সু-মানৱ হোৱাৰ প্ৰেৰণা দিয়া। লগতে সমাজত শিশুৰ অধিকাৰ, স্বাস্থ্য, পুষ্টি আৰু সুৰক্ষাৰ বিষয়ে সজাগতা সৃষ্টি কৰাটোও এই দিৱসৰ মুখ্য উদ্দেশ্য। দেশজুৰি আয়োজিত বিভিন্ন অনুষ্ঠানত বক্তাসকলে শিশুবোৰক ভৱিষ্যতৰ কঁকাল বুলি অভিহিত কৰি তেওঁলোকৰ বিকাশৰ বাবে সমাজৰ সকলো ক্ষেত্ৰ একতা বদ্ধভাৱে আগবঢ়াৰ আহ্বান জনায়। ডবকা "অৰুনোদয় একাডেমী"ত অনুষ্ঠিত হোৱা শিশু দিৱসৰ অন্তত ছাত্ৰ-ছাত্ৰী'ৰ মাজত মিঠাই বিতৰণ কৰি সভা ভঙ্গ ঘোষণা কৰা হয়।

## মেৰাপানীত একেদিনাই তিনিটাকৈ নামঘৰত চুৰৰ লুটপাত

**অসম বাৰ্তা, মেৰাপানী, ১৫ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানী অঞ্চলত তিনিটাকৈ নামঘৰত চোৰৰ সন্ত্ৰাস। প্ৰাপ্ত তথ্য অনুসৰি আজি যোৱানিশা গোলাঘাট মেৰাপানীৰ ১নং তৰাণি বৰ নামঘৰ আৰু তৰাণিৰ ওচৰৰ দুটাকৈ নামঘৰত চুৰে লুটিলে নিলে নগদ ধন। নামঘৰৰ তলা ভাঙি চৌহদত প্ৰবেশ কৰি ১নং তৰাণি বৰ নামঘৰৰ পৰা প্ৰায় দহ হাজাৰ অধিক নগদ ধন চোৰে লুটি নিয়ে। উল্লেখযোগ্য যে ১নং তৰাণি বৰ নামঘৰত তিনিবাৰকৈ চুৰে উপদ্ৰপ চলোৱাক লৈ স্থানীয় লোক সকল ক্ষুব্ধ হৈ পৰিছে। ইফালে ঘটনাস্থলিত মেৰাপানী আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। স্থানী স্থানীয়ৰাইজে উক্ত অঞ্চলটোত এটা আৰক্ষীৰ তহদাৰী দল দাবী জনাইছে। এনেদৰে ঈশ্বৰৰ ঠাইৰ পৰা চোৰে ধন লুট কৰা ঘটনাক স্থানীয় সচেতন ৰাইজে তীব্ৰ গৰিহণা দিছে।

## মাজুলীত সমবায় সপ্তাহৰ উদ্বোধনী অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৫ নৱেম্বৰ ঃ** মাজুলী সমবায় সংগঠন সমূহ সাংগঠনিক অনুষ্ঠান মাজুলী জিলা সমবায় সংঘই ১৪ নৱেম্বৰ তাৰিখৰ পৰা সপ্তাহজোৰা নিখিল ভাৰত সমবায় সপ্তাহৰ শুভাৰম্ভ কৰে। পুৱা ৮: ৩০বজাত পৰিবেশ নিকাকৰণ আৰু ৯: ৩০ বজাত সমবায় সংঘৰ পতাকা উত্তোলন কৰে মাজুলী জিলা সমবায় সংঘৰ সভাপতি ডিম্বেশ্বৰ দত্তই। পতাকা উত্তোলন কৰি দত্তই কয় সমায় সংগঠন সমূহে দেশৰ অৰ্থনীতি বিকাশত প্ৰভুত পৰিমাণৰ বৰঙনি যোগাই আহিছিল। সম্প্ৰতি এই সমবায় অনুষ্ঠান সমূহৰ গুৰুত্ব কিছু কমিযোৱাযেন অনুমান হৈছে যদিও ৰাজ্যখনৰ বহুসংখ্যক সমবায় অলুষ্ঠানে নিজে স্বৱলম্বী হোৱাৰ উপৰি আৰ্থসামাজিক দিশত উল্লেখখযোগ্য অৱদান আগবঢ়াই আহিছে। সকলো সমবায় অনুষ্ঠানে যদি অৰ্থনৈতিক বিকাশৰ মন্ত্ৰৰে আগুৱাই যায় দেশৰ অৰ্থনীতিৰ বিকাশ ঘটোৱাত সহজ হ'ব বুলি ব্যখ্যা দাঙি ধৰে। পতাকা উত্তোলনৰ পিচতে মাজুলী জিলা সমবায় সংঘৰ সভাগৃহত সপ্তাহত জোৱা অনুষ্ঠানৰ উদ্বোধনী সভাখনিত এইবাৰ সমবায় সপ্তাহৰ মূলবিষয়বস্তু "আত্মনিৰ্ভৰ ভাৰতৰ বাবে সমবায়" শীৰ্ষক এক আলোচনা কৰা হয়। ডিম্বেশ্বৰ দত্তৰ পৌৰোহিত্যৰ সভাখনিত সপ্তাহজোৰা কাৰ্যসূচী পাঠ কৰা হয় আৰু নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত সমাজকৰ্মী যুগল হাজৰিকা, বসন্ত মিলি, ৰাতুল কলিতা, ধীৰেণ শইকীয়া, প্ৰভা দেৱী প্ৰমুখ্যে ভালেকেইগৰাকী সচেতন ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। মাজুলী সমবায় সংঘৰ অধীনত থকা ১২০খন বিভিন্ন পৰ্যায়ৰ সমবায় অনুষ্ঠানকলৈ সপ্তাহজোৰা কাৰ্যসূচীৰ সফল কৰাৰ দিশত সকলোৰে সহযোগিতা কামনা কৰে আৰু এইবাৰৰ মূল বিষয় বস্তুৰ ওপৰত গুৰুত্ব দিয়াৰ আহ্বান জনায়।

## কাছাৰীপেটি উচ্চ মাধ্যমিক বিদ্যালয়ত গণিত আৰু বিজ্ঞান পৰীক্ষাগাৰৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, লেংটিছিঙা, ১৪ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত কাছাৰীপেটি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ১৮ লাখ ৯৭ হাজাৰ ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া গণিত আৰু বিজ্ঞান পৰীক্ষাগাৰৰ আধাৰশিলা স্থাপন কৰে ৩৪ নং অভয়াপুৰী উত্তৰ বিধানসভাৰ সমষ্টিৰ বিধায়ক আব্দুল বাতিন খণ্ডকাৰ। উক্ত অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু অনান্য বিষয়ববীয়া সকল, প্ৰধান শিক্ষক আৰু অনান্য শিক্ষক-শিক্ষয়িত্ৰী সকল আৰু মৰমৰ ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। এই আধাৰশিলা স্থাপন কাৰ্যসূচীত আমাৰ সংগ দিয়ে সৃজনগ্ৰাম আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী চেলিমা আকতাৰ, কাছাৰপেটি গাঁও পঞ্চায়তৰ সভানেত্ৰী, আঞ্চলিক পঞ্চায়তৰ সদস্য, প্ৰাক্তন পঞ্চায়ত সভাপতি আৰু বিশিষ্ট সমাজকৰ্মী সকল। কাছাৰপেটী উচ্চ মাধ্যমিক বিদ্যালয়খনে এই অঞ্চলত শিক্ষাৰ পোহৰ বিলাই আহিছে। বিদ্যালয়খনৰ যথেষ্ট আন্তগাথনিৰ অভাৱ আছে। অভাৱ সমূহ পূৰণ কৰাৰ বাবে আমি সকলোৱে ঐক্যবদ্ধ ভাবে চেষ্টা অব্যাহত ৰাখিম।

দুৰ্গাধৰ বৰা স্মাৰক বক্তৃতা প্ৰদান ড° মাধুৰ্য্যমণ্ডিত বৰুৱাৰ

# শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন




**অসম বাৰ্তা, গেলেকী, ১৫ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নামতিস্থিত শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস আজি মহাবিদ্যালয়ৰ প্ৰাঙ্গনত দিনজোৱা কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়। পুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ দুৰ্গাধৰ বৰাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা তৰ্পণ কৰে নামতি চাৰিআলি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ছফিউৰ ৰহমান, উপাধ্যক্ষ বিনীতা তামুলী আৰু দুৰ্গাধৰ বৰাদেৱৰ পুত্ৰ বিজয়ন্ত বৰাই। ৰহমানদেৱ আৰু বিজয়ন্ত বৰাই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ কথা সুঁৱৰি বক্তৃতা আগবঢ়ায়। দিনৰ ১১-৩০ বজাৰ পৰা মহাবিদ্যালয়ৰ আলোচনা কক্ষত মহাবিদ্যালয়ৰ প্ৰশাসনীয় সমিতিৰ সভাপতি শ্ৰীযুত তুলসী শেনচোৱা ছাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা দুৰ্গাধৰ বৰা স্মাৰক বক্তৃতানুষ্ঠাত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে। "ৰামকথা ঃ ঐতিহাসিক প্ৰেক্ষাপট আৰু বৈজ্ঞানিক দৃষ্টি" শীৰ্ষক বক্তৃতা প্ৰদান কৰে আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, বিশিষ্ট লেখক ড° মাধুৰ্য্যমণ্ডিত বৰুৱাই। তেখেতে ঐতিহাসিক প্ৰেক্ষাপটত ৰামকথাক উপস্থাপন কৰি তাৰ অন্তৰালত নিহিত হৈ থকা সামাজিক দৰ্শন আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ কথা সাৱলীলভাৱে প্ৰকাশ কৰে। ভাষণ প্ৰসংগত তেখেতে কয়: ৰামকথাই সাহিত্য আৰু ধৰ্মীয় ক্ষেত্ৰৰ উপৰিও গভীৰ সামাজিক প্ৰতীকী অৰ্থ বন কৰে। এই অনুষ্ঠানতে মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আৰু ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক ড° শ্বাহীউজ জামান আহমেদৰ দ্বাৰা সম্পাদিত "Politics of Identity: Nationalism and Belongingness" শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰীক্ষা উপ-নিয়ন্ত্ৰক ড° চাদিক হুছেইনে। এই অনুষ্ঠানতে পিএইছ .ডি ডিগ্ৰী লাভ কৰা বাবে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° বিদ্যুৎ বিকাশ বৰুৱাক, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্য্যক্ৰম বিষয়া ড° পাপু কুমাৰ ঙাটেক ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অসম চৰকাৰৰ ৰাজ্যিক বঁটা লাভ কৰা বাবে, ড° মৌচুমী ৰেখা খাউণ্ডক যোৰহাট সাহিত্য বঁটা - ২০২৫ লাভ কৰা বাবে, অনিতা ৰংহাংপিক ৰাষ্ট্ৰীয় শিক্ষাৰ্থী নৌবাহিনীৰ চাব-লেফটেনেণ্ট পদ লাভ কৰা বাবে আৰু নেহা কৰক সীমিত ছুটী উপভোগ কৰা বাবে সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ ছাত্ৰ কল্যাণ আঁচনিৰ অধীনত প্ৰতিবছৰে মেধা ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ বাবে নগদ ধনেৰে পুৰস্কৃত কৰা হয়। উচ্চতৰ মাধ্যমিক শ্ৰেণীত ৮০ শতাংশ শতাংশত অধিক নম্বৰ লাভ কৰা বাবে এই বৰ্ষত কাশ্যপ গগৈ, শ্যামলিকা শইকীয়া, কস্তুৰী বৰা, অনিন্দিতা অনন্যা কলিতা, বৰ্ষা ৰাণী গগৈ, ৰিয়া খনিকৰ, মানস জ্যোতি কলিতা, ৰিম্পী শেনচোৱা, মুছাহিদ ৰহমান, আশা প্ৰিয়া ৰাজখোৱা সৌৰভ শইকীয়া, প্ৰিয়ম পল্লৱী গগৈক আজি মেধা বৃত্তি প্ৰদান কৰা হয়। বৃত্তি প্ৰদান অনুষ্ঠানৰ আঁত ধৰে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° বিমান চন্দ্ৰ দাসে। তদুপৰি মহাবিদ্যালয়ৰ যুৱ পৰ্য্যটন সংঘৰ উদ্যোগত বিশ্ব পৰ্য্যটন দিৱস উপলক্ষ্যে আয়োজিত ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ বিতৰণ কৰা হয়। ৰচনা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰে ক্ৰমে কাশ্যপ গগৈ, মধুমিতা গগৈ, প্ৰাচিকা ভূঞা আৰু পূৰবী বৰুৱাই। বক্তৃতানুষ্ঠানৰ আঁত ধৰে শিক্ষা বিভাগৰ সহযোগী অধ্যাপক ড° বিমান চন্দ্ৰ বৰাই।

# মধুকুচিত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানভিত্তিক প্ৰতিযোগিত।




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৫ নৱেম্বৰ ঃ** অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ সৌজন্যত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ, বিহদিয়া জাঁজিকোণা খণ্ডৰ উদ্যোগত ১২ নৱেম্বৰ বুধবাৰে কামৰূপ জিলাৰ মধুকুচি স্থিত কছাৰী মহল উচ্চ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান ভিত্তিক মডেল প্ৰস্তুত, পোষ্টাৰ অংকন, ধাৰণা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। প্ৰতিযোগিতাৰ আৰম্ভণিতে আৰ্যভট্টৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে কেন্দ্ৰ সভাপতি তথা অধ্যক্ষ কৈলাস কুমাৰ ডেকাই। ইয়াৰ পিছতে কাৰ্যসূচীৰ বিষয়ে ব্যখ্যা কৰে বিহদিয়া জাঁজিকোণা উন্নয়ন খণ্ডৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক মৃণাল শালৈয়ে। প্ৰতিযোগিতাত ১৫খন বিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাত বিচাৰক হিচাপে থাকে যতীন্দ্ৰ নাথ ডেকা, প্ৰভাত চন্দ্ৰ নাথ, সতীশ চন্দ্ৰ ডেকা, ৰাতুল দাস আৰু জিতুমনি নাথ। মডেল প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে পাইঅ'নীয়ৰ একাডেমী, পুঠিমাৰীৰ ছাত্ৰ অন্নয় ভট্টাচাৰ্য, আন্নেষ ভট্টাচাৰ্য আৰু চাতুৰ্য কলিতা। দ্বিতীয় স্থান লাভ কৰে বি. টি. হাইস্কুলৰ জুবিনা ইয়াচমিন আৰু আতিকুৰ ৰহমানে। তৃতীয় স্থান লাভ কৰে মুক্তাপুৰ হাইস্কুলৰ পৰিস্মিতা ডেকা আৰু জয়শ্ৰী বৈশ্যই। আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে বি. টি. হাইস্কুলৰ সীমা পাৰবিনে, দ্বিতীয় স্থান লাভ কৰে শংকৰদেৱ শিশু নিকেতন, মধুকুছিৰ ছাত্ৰ দিক্ষীত ভৰদ্বাজে আৰু তৃতীয় স্থান লাভ কৰে কছাৰী মহল হাই স্কুলৰ নাজমিন আখটাৰে। পোষ্টাৰ অংকন প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে কছাৰী মহল হাইস্কুলৰ কমল কৃষ্ণ নাথে, দ্বিতীয় স্থান লাভ কৰে পাইঅ'নীয়ৰ একাডেমী, পুঠিমাৰীৰ অনুস্মিতা দাসে, তৃতীয় স্থান লাভ কৰে মুক্তাপুৰ হাইস্কুলৰ ৰোহন কাশ্যপে আৰু উদগণিমূলক বঁটা লাভ কৰে মধুকুছি মজলীয়া বিদ্যালয়ৰ সাগৰ কলিতাই। ধাৰণা প্ৰতিযোগিতাত উদগণিমূলক বঁটা লাভ কৰে বি. টি. হাইস্কুলৰ জুবিনা ইয়াছমিন আৰু মুক্তাপুৰ হাইস্কুলৰ জিজ্ঞাস ডেকাই। প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ আৰু নগদ ধন প্ৰদান কৰা হয়।

# মাজুলীত ভগৱান বিৰচা মুণ্ডাৰ জনজাতীয় গৌৰৱ দিৱস পালন

**অসম বাৰ্তা, উজনী মাজুলী, ১৫ নৱেম্বৰ ঃ** মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত বিভিন্ন জনগোষ্ঠীয় দল-সংগঠনৰ সহযোগত আজি জনজাতীয় গৌৰৱ দিৱস পালন কৰা হয়। উজনী মাজুলী ফুলনিৰ কাৰ্কিচুক ৰংগমঞ্চত আজি অনুষ্ঠিত হোৱা ভগৱান বিৰচা মুণ্ডাৰ ১৫০ বছৰীয়া জন্ম জয়ন্তী অনুষ্ঠান অনুষ্ঠিত কৰি শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে ভগৱান বিৰচা মুণ্ডাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে মাজুলীৰ বিধায়ক ভুৱন গামে। যুৱ সমাজ কৰ্মী সত্যেন্দ্ৰ পামেগামে আঁত ধৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে অতিৰিক্ত সহকাৰী আয়ুক্ত সীমান্ত বৰগোহাঁইয়ে। অনুষ্ঠানত মাজুলীৰ বিধায়ক ভুৱন গাম, মিচিং আগম কেবাংৰ উপ-সভাপতি প্ৰভাত মিলি, এমএমকে কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰেমধৰ দলে, জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী, আইটিডিপি চেয়াৰমেন কল্যাণ দলে, মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য নীলকান্ত দলে, উজনি মাজুলী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া আদিকে ধৰি বিভিন্ন বিষয়া তথা জনগোষ্ঠীয় নেতাই অংশগ্ৰহণ কৰি বিৰচা মুণ্ডাই জনজাতীয় সংস্কৃতি, ধৰ্ম আৰু দেশৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল বুলি মত প্ৰকাশ কৰে। এই অনুষ্ঠানত এই জনজাতীয় গৌৰৱ দিৱসৰ লগত সংগতি ৰাখি ভূপেন সোণোৱাল, মনি নেৱাৰ, ইলাজ্যোতি কুম্বাং, উকীল পেগু, দিপু দেউৰী, ৰমেন মিলিm সোণাৰাম সোণোৱাল আদি লোকক জনজাতীয় বস্ত্ৰ আৰু প্ৰশংসা পত্ৰৰে সন্মানিত কৰে। অনুষ্ঠানত কাৰ্কিচুক দূৰৱৃ অপে'ই মিছিং গোমৰাগ নৃত্য পৰিৱেশন কৰে।

# আৰ ডি মৰ্টৰ্চ যোৰহাটৰ কৰ্মচাৰীৰ স্বেচ্ছাই ৰক্তদান

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৫ নৱেম্বৰ ঃ** নগাঁৱত মুখ্য কাৰ্যালয়স্থিত আৰ ডি মৰ্টৰ্চৰ পশ্চিম যোৰহাটৰ প্ৰতিষ্ঠানত কৰ্মৰতসকলে আজি স্বেচ্ছাই ৰক্তদান কৰে। যোৰহাট মেডিকেল কলেজ ব্লাড বেংকৰ সহযোগত যোৰহাটৰ প্ৰতিষ্ঠানটোত স্বেচ্ছামূলক ৰক্তদান শিবিৰ আনুষ্ঠানিকভাৱে ফিতা কাটি মুকলি কৰে লায়ন্স ব্লাড বেংকৰ চেয়াৰমেন ডাক্তৰ দিপুল বৰাই। পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া, ৰক্তবীৰ ব্লাড ডনাৰ গ্ৰুপৰ সভাপতি ৰাজু শইকীয়া, সম্পাদক দীপক ৰাজখোৱা, আৰ ডি মৰ্টৰ্চৰ ছেলচ মেনেজাৰ পাৰ্থ বেজবৰুৱা, আৰ ডি মৰ্টৰ্চ নেক্সাৰ ছেলচ মেনেজাৰ গৌতম বৰঠাকুৰ, আৰ ডি মৰ্টৰ্চৰ এইছ্ আৰ মেনেজাৰ দীপিকা গানলাৰী, ছাৰ্ভিচ জেনেৰেল মেনেজাৰ সোমনাথ বাঢ়েৰ লগতে আৰম্ভণী অনুষ্ঠানত আৰ ডি মৰ্টৰ্চৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। আৰম্ভণিতে সদ্য প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত ডাক্তৰ দিপুল বৰাই ধূপ-দীপ প্ৰজ্বলন কৰাৰ পাছতে উপস্থিত থকাসকলে পুষ্পাঞ্জলি অৰ্পণ কৰে। যোৰহাট চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ ডাক্তৰ চেমিন ৰহমান, ডাক্তৰ জিনিতাৰ নেতৃত্বত ব্লাড বেংকৰ কৰ্মচাৰীসকলে আৰ ডি মৰ্টৰ্চৰ কৰ্মচাৰীসকলৰ ৰক্ত সংগ্ৰহ কৰে। উল্লেখ্য, ১৫ নৱেম্বৰত আৰ ডি মৰ্টৰ্চৰ মুখ্য কাৰ্যালয় নগাঁৱৰ লগতে কামপুৰ, মৰিগাঁও, জাগীৰোড, মায়ং, হোজাই, লংকা, লামডিং, ডিফু, বোকাজান, তেজপুৰ, গৰৈমাৰী, ঢেকিয়াজুলি, ৰঙাপাৰা, বিশ্বনাথ চাৰিআলি, গহপুৰ, কলাবাৰী, যোৰহাট, তিতাবৰ, দেৰগাঁও, মাজুলী, শিৱসাগৰ, আমগুৰি, নাজিৰা, মৰাণহাট, সোণাৰি, গোলাঘাট আৰু বোকাখাতৰ প্ৰতিষ্ঠানত কৰ্মৰতসকলে স্বেচ্ছাই ৰক্তদান কৰে। বিগত ৪ বছৰ কৰ্মচাৰীসকলে স্বেচ্ছাই ৰক্তদান কৰাৰ উপৰি আৰ ডি মৰ্টৰ্চে সমাজখনৰ উন্নয়নৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি থকাৰ লগতে চৰকাৰী বিদ্যালয়ত শিশুসকলৰ বাবে পাৰ্ক নিৰ্মাণ কৰাই দিয়াৰ উপৰি বিদ্যালয়সমূহত ডেস্ক-বেঞ্চ, চকী-টেবুল, ব্লেক বৰ্ড, সাজ-পোছাক, খেলৰ সামগ্ৰী প্ৰদান কৰি অহাৰ লগতে যুৱক-যুৱতী, কিশোৰ-কিশোৰীসকলক উৎসাহিত কৰিবলৈ ক্ৰীড়া প্ৰতিযোগিতা, শিশুসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰি পুৰস্কাৰ প্ৰদান কৰি আহিছে।

## আমগুৰিত জনজাতিকৰণৰ দাবীত সদৌ তাই আহোম ছাত্ৰ সন্থাৰ জোঁৰ সমদল

**অসম বাৰ্তা, আমগুৰি, ১৫ নৱেম্বৰ ঃ** তাই আহোম জনগোষ্ঠীৰ লগতে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত আজি সন্ধিয়া আমগুৰি নগৰত সদৌ তাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিয়ে এক জোঁৰ সমদল বাহিৰ কৰে। আমগুৰি নগৰৰ মাজেদি বাহিৰ কৰা এই প্ৰতিবাদী জোঁৰ সমদলত সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। তাই আহোম জনগোষ্ঠীক জনজাতিকৰণ কৰক, চৰকাৰৰ প্ৰৱঞ্চনা নচলিব, চৰকাৰৰ প্ৰতাৰণা নচলিব আদি শ্লʼগানেৰে জনজাতিকৰণৰ দাবীত সদৌ তাইআহোম ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদ স্থলীত আটাছু কেন্দ্ৰীয় সমিতিৰ হৈ ভাস্কৰ জ্যোতি বুঢ়াগোহাঁই, শিৱসাগৰ জিলা সমিতিৰ হৈ যুটীয়া সম্পাদক অপূৰ্ব গগৈ তথা আমগুৰি আঞ্চলিক সমিতিৰ বিভিন্নজন বিষয়ববীয়া উপস্থিত থাকে।

ৰাষ্ট্ৰীয় ঘাইপথত পৰিল বালি ভৰ্তি ডাম্পাৰ

# পুৰণিগুদামত শোকাৱহ পথ দুৰ্ঘটনাত এজন নিহত

**অসম বাৰ্তা, পুৰণিগুদাম, ১৫ নৱেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ পুৰণিগুদাম কেএৰাপট্টিৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা প্ৰায় ১০-৩০ মান বজাত সংঘটিত হোৱা এক শোকাৱহ পথ দুৰ্ঘটনাত পুৰণিগুদাম পথাৰআগ গাঁৱৰ নিবাসী উদীয়মান যুৱক হেমকান্ত দাধৰা (৪০)ৰ মৃত্যু হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, নিজৰ স্কুটি গাড়ীখনেৰে পুৰণিগুদাম কেএৰাপট্টিৰ ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ'ব খোজোতেই বিপৰীত দিশৰ পৰা অহা এখন এ-এছ-০১-ই-এ-৪৬২৭ নম্বৰৰ এখন আৰটিকা বাহনে



মহতিয়াই নিয়াৰ ফলতেই গুৰুতৰভাৱে আহত হয় স্কুটি আৰোহীজন। পাছত আহত যুৱকজনক ততাতৈয়াকৈ নগাঁও মেডিকেল কলেজ হস্পিতাললৈ নিয়া হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। দুৰ্ঘটনা সংঘটিত কৰি আৰটিকা বাহনখনৰ চালক আৰু যাত্ৰী কেইজনে পলায়ন কৰে। ইফালে, দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়তে ঘটনাস্থলীত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী উপস্থিত হৈ ততাতয়াকৈ আহত হেমকান্ত দাধৰাক নগাঁও মেডিকেল হস্পিতাললৈ লৈ যোৱাত সহযোগিতা আগবঢ়াই যদিও আহত লোকজনৰ মৃত্যু হোৱাত গভীৰ শোক প্ৰকাশ কৰিছে বিধায়কগৰাকীয়ে। অতি সৰবৰহী আৰু অমায়িক স্বভাৱৰ যুৱকজনৰ অকাল মৃত্যুত বৃহত্তৰ পুৰণিগুদাম অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত দাধৰাই পিতৃ-মাতৃ, পত্নী আৰু এজনী কণমানি জীয়ৰীক ইহসংসাৰত এৰি থৈ যায়। উল্লেখযোগ্য যে, ঘটনাস্থলীৰ পৰা পঞ্চাশ মিটাৰমান নিলগতে থকা পুৰণিগুদাম ৰাজ্যিক চিকিৎসালয়ত নিশা চিকিৎসাৰ উপযুক্ত ব্যৱস্থা নথকাৰ বাবে প্ৰাথমিক চিকিৎসাৰ পৰা বঞ্চিত হয় আহত যুৱকজন। এইক্ষেত্ৰত পুৰণিগুদাম ৰাজ্যিক চিকিৎসালয়ক লৈ স্থানীয় লোকে ক্ষোভ উজাৰিছে। হেমকান্ত দাধৰাৰ অকাল বিয়োগত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, অনিৰ্বাণ গোষ্ঠী, কেন্দ্ৰীয় নাগৰিক মঞ্চ পুৰণিগুদাম, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতিৰ লগতে পুৰণিগুদাম আৰু পথাৰ আগ চাৰিআলিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। ইফালে, আজি পুৱাৰ ভাগত পুৰণিগুদামত পুনৰ এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। পুৰণিগুদামৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উপপথত ৰৈ থকা এখন স্কুটিৰ ওপৰত বাগৰি পৰিল বালি ভৰ্তি এখন তীব্ৰবেগী ডাম্পাৰ। উক্ত ঘটনাত এজন লোকৰ লগতে এজনী চাৰি বছৰীয়া কণমানি কথমপি প্ৰাণৰক্ষা পৰে বুলি জানিব পৰা গৈছে।

## বৰডুবি জাতীয় বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে শিশু দিৱস উদ্‌যাপন

**অসম বাৰ্তা, মেৰাপানী, ১৫ নৱেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানী বৰডুবি জাতীয় বিদ্যালয়ত ১৪ নবেম্বৰত দিনজোৰা কাৰ্যসূচীৰে শিশু দিৱস উদযাপন কৰা হয়। শিশু দিৱসৰ প্ৰাকক্ষণত বন্তি প্ৰজ্বলন কৰি জৱাহৰলাল নেহৰুক স্মৰণ কৰৱাৰ লগতে মায়াবিনী গীতেৰে মৰমৰ কণ্ঠশিল্পী জুবিন গাৰ্গক স্মৰণ কৰা হয়। ইয়াৰ পাছতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত কবিতা আবৃত্তি, চিত্ৰাংকন, আৰু সংগীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। শিশু দিৱসৰ কাৰ্যসূচীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য গীতেৰে অনুষ্ঠানটী জীপাল কৰি তোলে।

# পাৰ্কিঙত বহিয়েই বোমা নিৰ্মাণ কৰিছিল ডাঃ ওমৰে !

তথ্য অনুসৰি চিকিৎসকগৰাকীয়ে ২০২০ চনৰ পৰা ২০২১ চনলৈ ফৰিদাবাদৰ আল-ফালাহ বিশ্ববিদ্যালয়ত কাম কৰিছিল। খবৰ অনুসৰি বিশ্ববিদ্যালয়খনৰ চিকিৎসকৰ সৈতে নিয়মীয়াকৈ সংস্পৰ্শত আছিল ৰিয়াজ আৰু দিল্লী বোমা বিস্ফোৰণৰ মূল অভিযুক্ত ডাঃ ওমৰৰ সৈতেও তেওঁ সংস্পৰ্শত আছিল। সম্প্ৰতি নিৰাপত্তা সংস্থাই ৰিয়াজক সোধা-পোছাৰ বাবে লৈ গৈছে। নিৰাপত্তা সংস্থাৰ তদন্তত প্ৰকাশ পাইছে যে দিল্লী বিস্ফোৰণত ২ কিলোগ্ৰামতকৈ অধিক এমোনিয়াম নাইট্ৰেট ব্যৱহাৰ কৰা হৈছিল। মূল অভিযুক্ত ডাঃ ওমৰ নবী আছিল বোমা নিৰ্মাণৰ বিশেষজ্ঞ। এই কথা প্ৰকাশ কৰিছে বিস্ফোৰণত ব্যৱহাৰ কৰা আই-২০ গাড়ীখনৰ ৬০ শতাংশ অৱশিষ্টই। সূত্ৰ অনুসৰি বিস্ফোৰণত বিস্ফোৰণক সামগ্ৰীও ব্যৱহাৰ কৰা হৈছিল। ঘটনাস্থলীৰ পৰা ফৰেনছিক দলটোৱে পাতল তাঁৰ উদ্ধাৰ কৰাৰ লগতে পেট্ৰোলিয়াম ব্যৱহাৰ কৰা বুলিও নিৰ্ণয় কৰে। খননত ব্যৱহাৰ কৰা বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰা হৈছে। ফৰেনছিক দলটোৱে এতিয়ালৈকে ৫২টাতকৈও অধিক বিস্ফোৰক নমুনাৰ বিশ্লেণত প্ৰকাশ পাইছে যে সন্ত্ৰাসবাদী ডাঃ ওমৰ মহম্মদে হয়তো এমোনিয়াম নাইট্ৰেট, পেট্ৰোলিয়াম, বিস্ফোৰক সামগ্ৰী ব্যৱহাৰ কৰি বোমা প্ৰস্তুত কৰিছিল। নিৰাপত্তা সংস্থাৰ ভিতৰৰ সূত্ৰৰ মতে, ঘটনাস্থলীত উদ্ধাৰ হোৱা প্ৰমাণৰ ভিত্তিত ওমৰে মাত্ৰ ৫ৰ পৰা ১০ মিনিটতে বিস্ফোৰণটো সংঘটিত কৰিছিল। ফৰেনছিক তদন্ততো এনে বিস্ফোৰক বিস্ফোৰণৰ বাবে মাত্ৰ ৫ৰ পৰা ১০ মিনিটতে প্ৰস্তুত কৰিব পৰা যাব বুলিও পোহৰলৈ আহিছে।

# লালু প্ৰসাদ যাদৱৰ পৰিয়ালৰ অভ্যন্তৰীণ বিবাদ

কৰি লিখে, 'মই ৰাজনীতি এৰিছো, লগতে নিজৰ পৰিয়ালো পৰিত্যাগ কৰিছো। সঞ্জয় যাদৱ আৰু ৰামিজেই বিচাৰিছিল মই এয়া কৰাটো। সকলো দায়িত্ব মই লৈছো। '' আৰজেডিৰ ভিতৰচ'ৰাত ৰাজ্যসভাৰ সাংসদ সঞ্জয় যাদৱ লালু পুত্ৰ তেজস্বী যাদৱৰ ঘনিষ্ঠ সহযোগী হিচাপেই পৰিচিত। ৰামিজ আকৌ এই সঞ্জয়ৰ ঘনিষ্ঠ। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে, নিজৰ ভাতৃ তেজস্বীৰ ওপৰত চাপ দিবলৈয়ে এই বিবৃতি দিছে ৰোহিণীয়ে। কাৰণ আৰজেডিৰ বিপৰ্যয়ৰ বাবে এই সঞ্জয় যাদৱকেই দায়ী কৰিছে বহুতেই। ইয়াৰ পূৰ্বে সঞ্জয় যাদৱৰ বিৰুদ্ধে পৰিয়ালত ফাট ধৰোৱাৰ অভিযোগ তুলিছিল লালুৰ ত্যাজ্য পুত্ৰ তেজপ্ৰতাপ যাদৱেও। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে, তেজস্বীয়ে যাতে সঞ্জয়ৰ বিৰুদ্ধে ব্যৱস্থা লয়, সেই চাপ দিয়াৰ বাবেই এইবাৰ বিদ্ৰোহ কৰিলে লালু কন্যা ৰোহিণীয়ে।

# বিহালীত ভগৱান বিৰছা মুণ্ডাৰ জন্মবাৰ্ষিকী উদ্‌যাপন

সমষ্টিৰ বিধায়ক দিগন্ত ঘাটোৱাল, বিশ্বনাথ জিলাৰ বিজেপিৰ সভাপতি অসীম দাস, বিশ্বনাথ জিলা পৰিষদৰ সভানেত্ৰী সুনিতা তাঁতী, লাচিত পাটৰ, লক্ষ্যনাথ মিলি, সীমান্ত কুমাৰ দাস প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। এই উপলক্ষে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত বীৰছা মুণ্ডাদেৱৰ ত্যাগ তথা বীৰত্বৰ গাথাৰ বিষয়ে অনুষ্ঠানত আলোকপাত কৰি সোণোৱালে তেখেতৰ প্ৰতি সশ্ৰদ্ধ প্ৰণিপাত জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীদেৱৰ বলিষ্ঠ নেতৃত্বত "সবকা সাথ, সবকা বিকাশ" নীতিৰ আধাৰত ভাৰতৰ ১২কোটি পিছপৰা জনজাতীয় সম্প্ৰদায়ৰ সৰ্বাঙ্গীণ উন্নয়নৰ বাবে লোৱা অভিলাষী আঁচনি সমূহৰ ওপৰত আলোকপাত কৰি সোণোৱালে কয় - "একবিংশ শতিকাত বিভিন্ন ক্ষেত্ৰত প্ৰতিযোগিতাৰ মাত্ৰা যি হাৰত বৃদ্ধি পাইছে তাত যোগ্যতা, দক্ষতা, দৃঢ়তা, আত্মবিশ্বাস তথা একাগ্ৰতাৰে যোগদান কৰি সফলতাৰে দুৱাৰদলিত যাতে উপনীত হব পাৰে, তাৰ বাবে প্ৰতিটো পিছপৰা জনগোষ্ঠীক সমুখলৈ অনাৰ বাবে, প্ৰধানমন্ত্ৰীয়ে যিখিনি উদগণিমূলক কাৰ্য্যসূচী হাতত লৈছে তাৰ ফলশ্ৰুতিত আজি ভাৰতবৰ্ষই পৃথিৱীৰ বুকুত চতুৰ্থ বৃহৎ অৰ্থনীতি ৰূপে আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হৈছে। অন্যান্য উন্নত সম্প্ৰদায়ৰ লোকসকলৰ সমান্তৰালকৈ নিজকে আগুৱাই লৈ যোৱাৰ বাবে গ্ৰহণ কৰা বিভিন্ন ঐতিহাসিক পদক্ষেপৰ ফলত যোৱা এঘাৰটি বছৰত ভাৰতবৰ্ষৰ বুকুত এক আমূল পৰিৱৰ্তন প্ৰত্যক্ষ কৰা হৈছে। স্বাধীনতাৰ পাছত কেইবাটি দশকত অন্যান্য দলৰ শাসনকাল আৰু যোৱা এঘাৰ বছৰৰ শাসনকালৰ এটি যুক্তিসংগত তুলনামূলক বিশে-ষণ আজি প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে বিবেকৰ দ্বাৰা পৰিচালিত হৈ কৰিবলৈ সক্ষম হৈছে। পিছপৰা সম্প্ৰদায় সমূহ যোৱা কংগ্ৰেছৰ কাৰ্য্যকালৰ প্ৰায় ছটি দশকত পিছপৰিয়েই থাকিল। কাৰণ তেওঁলোকৰ নীতি আৰু সদিচ্ছাৰ অভাৱ আছিল। পিছপৰা সম্প্ৰদায়ৰ উন্নয়ন কংগ্ৰেছৰ দিনত কেৱল বক্তব্যতেই সীমাবদ্ধ হৈ ৰ'ল। সম্পদ, সম্ভাৱনা, শক্তি পূৰ্ণমাত্ৰাই থকা সত্ত্বেও ২০১৪ চনলৈ বিশ্বৰ অন্যান্য ৰাষ্ট্ৰই ভাৰতবৰ্ষৰ ওপৰত আস্থা হেৰুৱাই পেলাইছিল। তাৰ তুলনাত যোৱা এগাৰ বছৰত সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ প্ৰতিভা আৰু দক্ষতাৰ গৱেষণামূলক অধ্যয়ন কৰি তেওঁলোকক আৰ্থসামাজিক নিৰাপত্তা ব্যৱস্থা প্ৰদানৰ বাবে স্বচ্ছ, নিকা আঁচনিৰে তাৰ সফল আৰু দুৰ্নীতিমুক্ত ৰূপায়ণৰ বাবে যিখিনি বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা হ'ল তাৰ ফলশ্ৰুতিত আজি ভাৰতে বিশ্বৰ বুকুত অন্যতম শক্তিশালী আৰু উন্নত ৰাষ্ট্ৰ হিচাপে মূৰ দাঙি ঠিয় দিবলৈ সক্ষম হৈছে। লগতে তাৰ ফলশ্ৰুতিত প্ৰতিজন নাগৰিকে ৰাষ্ট্ৰনিৰ্মাণৰ ক্ষেত্ৰত নিজা বৰঙনি আগবঢ়াবলৈ আগ্ৰহী তথা সবল হৈছে।" অনুষ্ঠানটিৰ গাম্ভীৰ্য্যতা আৰু প্ৰাসংগিকতা উল্লেখ কৰি সোণোৱালে কয় যে জনজাতীয় সম্প্ৰদায়ৰ সৰ্বাঙ্গীণ উন্নতিৰ হকে তথা তেওঁলোকক যথোচিত ৰাষ্ট্ৰীয় মৰ্যাদা দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভগৱান বিৰছা মুণ্ডাৰ জন্মদিন ১৫ নৱেম্বৰক "জনজাতীয় গৌৰৱ দিৱস" হিচাপে পালন কৰিছে। কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈকে আৰু অৰুণাচলৰ পৰা গুজৰাটলৈ আজি সমগ্ৰ দেশে এই দিনটো গৌৰৱেৰে উদযাপন কৰিছে আৰু বীৰজনাৰ চৰণত কোটি কোটি প্ৰণিপাত যাঁচিছে। লগতে কেন্দ্ৰীয় মন্ত্ৰীজনে বিৰছা মুণ্ডাৰ আদৰ্শৰে উদ্বুদ্ধ হবলৈ সকলোকে আহ্বান জনায়।

# শিলচৰ এনআইটিৰ সমাৱৰ্তন অনুষ্ঠান সম্পন্ন

ডি আৰ ডি অ'ৰ ইলে্্নি' আৰু যোগাযোগ ব্যৱস্থাৰ সঞ্চালক প্ৰধান ডঃ বিনয় কুমাৰ দাস, আই আই টি খড়গপুৰৰ প্ৰাক্তন সঞ্চালক প্ৰধান দামোদৰ আচাৰ্য আৰু শিলচৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালক দিলীপ কুমাৰ বৈদ্য। বিশিষ্ট ব্যক্তিসকলে শিক্ষাৰ্থীসকলক ডিগ্ৰী আৰু প্ৰশংসা পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত ২০২৫ শিক্ষাবৰ্ষত বিভিন্ন বিভাগত ডিগ্ৰী লাভ কৰা ১২১১ গৰাকী শিক্ষাৰ্থীসকলক ডিগ্ৰী আৰু প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। জানিব পৰা মতে শিক্ষানুষ্ঠানখনৰ পৰা এই বছৰ ৮৪১ গৰাকীয়ে বি.টেক, ১৩৪ গৰাকীয়ে এম.টেক, ৪৮ গৰাকীয়ে এম বি এ, ৬০ গৰাকীয়ে এম এছ চি আৰু ১২৭ গৰাকীয়ে পি এইচ ডিসহ মুঠ ১২১১ গৰাকীয়ে ডিগ্ৰী লাভ কৰে। ইয়াৰে ৩ গৰাকী শিক্ষাৰ্থীক সোণৰ পদক আৰু ১১ গৰাকী শিক্ষাৰ্থীক ৰূপৰ পদক প্ৰদান কৰা হয়। এই সন্দৰ্ভত ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালক দিলীপ কুমাৰ বৈদ্যই কয়, "এইবাৰ ২৩ সংখ্যক সমাৱৰ্তন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিগত বছৰো ১৫ নৱেম্বৰত সমাৱৰ্তন অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানত বি. টেক, এম. টেক, এম এছ চি, এম বি এ আৰু পি এইছ ডি শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হৈছে। এইবাৰ সৰ্বাধিক সংখ্যক শিক্ষাৰ্থীয়ে এন আই টি শিলচৰৰ পৰা পি এইছ ডি ডিগ্ৰী লাভ কৰিছে।"

# বীৰ লাচিত সেনাৰ মুখ্য সচিব ৰণ্টু পানীফুকনক পুনৰ গ্ৰেপ্তাৰ

লাচিত সেনাৰ বিষয়ববীয়াক গ্ৰেপ্তাৰৰ পাছদিনা গুৱাহাটীত এখন সংবাদমেল অনুষ্ঠিত কৰাৰ সময়ত বীৰ লাচিত সেনাৰ মুখ্য সচিব ৰণ্টু পানীফুকনক গ্ৰেপ্তাৰ কৰিছিল দিছপুৰ আৰক্ষীয়ে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আদালতৰ জৰিয়তে গুৱাহাটী কাৰাগাৰলৈ পঠোৱাৰ পিছত চিআইডিয়ে আন এক গোচৰ ৰজু কৰি পুনৰ জিম্মাত লৈছিল পানীফুকনক। শেহতীয়াকৈ চিআইডি জিম্মাৰ অন্ত পৰাৰ পিছত ন্যায়িক জিম্মাত কাৰাগাৰত থকা অৱস্থাত পানীফুকনক আজি তেজপুৰ আৰক্ষীয়ে তেজপুৰ সদৰ থানাৰ ৭১৪য২০০৫ নম্বৰত ৰজু হোৱা ধন দাবীৰ আন এক গোচৰত পুনৰ গ্ৰেপ্তাৰ কৰে। ইতিমধ্যে গুৱাহাটী জিলা কাৰাগাৰৰ পৰা ৰণ্টু পানীফুকনক কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজেৰে তেজপুৰ আৰক্ষীয়ে লৈ যায়।

# বিহাৰ বিধানসভা নিৰ্বাচনত এনডিএৰ বৃহৎ সাফল্য, প্ৰতিক্ৰিয়া

প্ৰসংগত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে পুনৰ সৰৱ হৈ পৰে। নৱগঠিত জালুকবাৰী সমষ্টিৰ গড়লত ৰামছাৰাণী খণ্ড উন্নয়ন বিষয়াৰ নতুন কাৰ্যালয় উদ্বোধন কৰি সাংবাদিকৰ আগত বিহাৰৰ নিৰ্বাচন সন্দৰ্ভত ৰাহুল গান্ধীক কটাক্ষ কৰি কয়, "ৰাহুল গান্ধী বিজেপিৰ বাবে সৌভাগ্যৰ প্ৰতীক। বিহাৰত যেতিয়াই তেওঁ ভোট চুৰি প্ৰচাৰ আৰম্ভ কৰিছিল, তেতিয়াই বিহাৰৰ জনতাই সিদ্ধান্ত লৈছিল যে তেওঁলোকে কেৱল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকেই ভোট দিব, আনক নিদিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু নীতিশ কুমাৰে ৰাইজৰ বাবে গ্ৰহণ কৰা আঁচনিৰ ফল। মই অসমবাসীৰ হকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিজয়ৰ বাবে শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰিছো। আমি বিশ্বাস কৰো যে মোদীৰ নেতৃত্বতেই বিহাৰৰ লগতে অসমকে ধৰি সকলো ৰাজ্যৰ বিকাশ হ'ব।" "আজি বিহাৰত বিজেপি আৰু এন ডি এৰ চমকপ্ৰদ বিজয়ে অসমকো আনন্দিত কৰিছে। নৰেন্দ্ৰ মোদীৰ প্ৰতি ৰাইজৰ যি সমৰ্থন এই ফলাফলে আকৌ এবাৰ প্ৰমাণ কৰিছে। কংগ্ৰেছৰ যে ভৱিষ্যত একেবাৰেই নাই সেয়া আজি পুনৰবাৰ প্ৰমাণ হৈছে। মই ভাবো যে মোদীৰ নেতৃত্বত ভাৰতে বিকাশৰ বাটেৰে খোজকাঢ়িব আৰু ২০৪৭ৰ ভিতৰত এখন বিকশিত ৰাষ্ট্ৰ হিচাপে সাফল্যনিব পাৰিম" - এইদৰে কয় মুখ্যমন্ত্ৰীয়ে। আনহাতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিহাৰত নিৰ্বাচনী প্ৰচাৰ চলোৱা আটাইকেইটা সমষ্টিতেই এন ডি এৰ জয় হোৱা বুলি উল্লেখ কৰি কয়, "মই প্ৰচাৰ কৰা সমষ্টিকেইটাতো জিকিছোঁ। তথাপি এই জয় মোদীৰ জয়, নীতিশ কুমাৰৰ জয়। বিহাৰৰ লগত মই অসমৰ কথা ক'ব খোজা নাই। অসমত নিৰ্বাচনত আমি জিকিমেই। বিহাৰত নিজিকিলেও অসমত আমিয়েই জিকিম। অসমৰ লগত তুলনা কৰিব খোজা নাই। অসমত আমি নিজেই শক্তিশালী। অসমত আমি মানুহে ভাবিব নোৱৰা ফলাফল কৰিম।"

# চামগুৰিৰ আমনিত চোৰাং গৰুসহ কণ্টেনাৰ গাড়ী জব্দ

এক সূত্ৰই জানিবলৈ দিয়ে। আৰক্ষীয়ে উদ্ধাৰ কৰা চোৰাং গৰুকেইটা গোশালালৈ প্ৰেৰণ কৰাৰ লগতে উক্ত গাড়ীখন জব্দ কৰা হৈছে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

# বিহাৰৰ দৰে অসমত গতি নহয় কংগ্ৰেছৰ ঃ আত্মবিশ্বাসী

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে শেহতীয়া বিহাৰ বিধানসভা নিৰ্বাচনৰ ফলাফলক লৈ উদ্বেগ প্ৰকাশ কৰি এগজিট প'লৰ ভৱিষ্যদ্বাণী আৰু চূড়ান্ত ফলাফলৰ মাজত অমিলৰ কথা প্ৰকাশ কৰে। এক বিবৃতিত গগৈয়ে কয়, "বিহাৰৰ ৰাইজে ভোট দিছে, তাত কোনো সন্দেহ নাই, কিন্তু তেওঁলোকেও এনে একপক্ষীয় বিধানসভাৰ বাবে ভোট দিয়া নাছিল। নিৰ্বাচন আয়োগ আৰু জ্ঞানেশ জীলৈ অভিনন্দন, শ্ৰেষ্ঠ এগজিট প'লষ্টাৰকো পৰাস্ত কৰাৰ বাবে।" তেওঁ উল্লেখ কৰে যে এগজিট প'লত কিছুমান ভোটৰ অংশীদাৰিত্ব দেখা গৈছে যদিও চূড়ান্ত ফলাফলত দলসমূহৰ মাজত সৰু সৰু পাৰ্থক্যহে প্ৰতিফলিত হৈছে। ইয়াৰ দ্বাৰা "নিৰ্বাচিত আসনত লক্ষ্য কৰি ভোট চুৰি" কৰা ঘটনাই সামগ্ৰিক ফলাফলত যথেষ্ট প্ৰভাৱ পেলোৱাৰ সম্ভাৱনাৰ ওপৰত আলোকপাত কৰিছে গগৈয়ে। তেওঁ লগতে কয় যে সংবাদ মাধ্যমে বিৰোধী দলসমূহক প্ৰশ্ন কৰি থাকিব পাৰে যদিও নিৰ্বাচন আয়োগক নিজেই চোকা দৃষ্টি ৰখাৰ পৰা প্ৰায়ে বিৰত থাকে। ভাৰতীয় গণতন্ত্ৰ ৰক্ষা আৰু সংবিধান ৰক্ষাৰ বাবে বিৰোধী দলসমূহে সত্যৰ বিচাৰি উলিওৱাত অটল থাকিব বুলি তেওঁ পুনৰ দৃঢ়তাৰে কয়। ইয়াৰ পূৰ্বে ১৪ নৱেম্বৰত বিহাৰত এন ডি এৰ ব্যাপক বিজয়ৰ সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে বিহাৰৰ ফলাফলে অসমক প্ৰভাৱিত নকৰে। "বিহাৰৰ ৰাইজে বিহাৰত ভোট দিব, আৰু অসমৰ ৰাইজে অসমত ভোট দিব। ইয়াত ডিমাছা, বড়ো, কাৰ্বি, ৰাভা, মৰাণ, মটক, গোৰ্খা আৰু বঙালী জনগোষ্ঠীয়ে হিমন্ত বিশ্ব শৰ্মাৰ একনায়কত্ববাদৰ অন্ত পেলাবলৈ ভোট দিব।"

# বিহাৰৰ ফলাফলৰ পৰা কংগ্ৰেছে শিক্ষা ল'ব লাগে !

ল'ব লাগে। অসমত বিজেপিক আঁতৰাবলৈ মহাজোঁট বনাব লাগে। অসমৰ ৰাইজৰ স্বাৰ্থৰ বাবে মহাজোঁট হ'ব লাগে।" অসুস্থতাৰ বাবে সুদীৰ্ঘ দিন মুম্বাইত থকাৰ পিছত অসমলৈ অহা এ আই ইউ ডি এফৰ সভাপতিগৰাকীয়ে শনিবাৰে দিছপুৰত সংবাদ মাধ্যমৰ আগত এইদৰে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। এ আই ইউ ডি এফৰ সভাপতিগৰাকীয়ে কয়, "বিহাৰ গ'ল, এতিয়া অসম বচাব লাগে। নহ'লে পুনৰ ৫ বছৰলৈ বিজেপি আহিব। বিহাৰত মহাজোঁট ফেইল হোৱা নাই, কংগ্ৰেছৰ ষ্ট্ৰেটেজী ভুল আছিল। তেজস্বী যাদৱে বিগত পাঁচ বছৰ বহুত কষ্ট কৰিছে। দৈনিক ১৮ খনকৈ সভা কৰিছে। যাৰ লগত হাত মিলালে তেওঁলোকে কি কৰিলে। আনহাতে প্ৰধানমন্ত্ৰী হৈ নৰেন্দ্ৰ মোদীয়ে ৫০ ৰো অধিক প্ৰ'গ্ৰেম কৰিছে। তেজস্বী যাদৱে অকলে কিমান কৰিব। মহাগঠবন্ধনৰ নেতাসকলে পাঁচ বা ছয়খন সভা কৰিছে।" ই ভি এমৰ প্ৰসংগত তেওঁ কয়, "এইটো থাকিবই। ই ভি এমক দোষাৰোপ কৰাটো আমাৰ অভ্যাসত পৰিণত হৈছে। নিৰ্বাচনত হাৰিলে আমি এইটো কও আৰু জিকিলে নকও।" কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ প্ৰসংগত তেওঁ কয়, "ৰাহুল গান্ধীক সমালোচনা নকৰো। তেওঁ এজন সন্মানীয় নেতা আৰু লোকসভাৰ বিৰোধী দলপতি। তেওঁলোকৰ সন্মুখত আমি সৰু মানুহ। কংগ্ৰেছৰ বাবে আমি দোৱা কৰিম ভাল হওক।" "মহাগঠবন্ধনত আমি আৰম্ভণিৰ পৰা আছিলো; কিন্তু পিছত আমাক নমতা হ'ল। আমাৰ কি দোষ আছিল প্ৰথমে জনা নাছিলো, পিছতহে গম পালোঁ দাঢ়ি-টুপী থকা মানুহ ষ্টেজত উঠিব নিদিয়ে। যাৰ বাবে আমাক আউট কৰি দিছে। আছাউদ্দিন ওৱেছিৰে মাথা মাৰিছে। আছাউদ্দিন ওৱেছি আজিকালি কোনো ক'মিউনেল ফিগাৰ নহয়। কংগ্ৰেছৰ দৰে এটা দলৰ এতিয়া ওৱেছিৰ লগত টক্কৰ হৈছে।" এইদৰে ক'লে আজমলে।

# কংগ্ৰেছক 'মুছলিম লীগ-মাওবাদী' আখ্যা মোদীৰ

'মুছলিম লীগ-মাওবাদী কংগ্ৰেছ' বুলি অভিহিত কৰে আৰু লগতে বিৰোধী মিত্ৰদলসমূহৰ বাবে কংগ্ৰেছ এতিয়া 'বোজা' হৈ পৰিছে বুলি ঠাট্টা-মস্কৰা কৰে। শুকুৰবাৰে দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত দলীয় কৰ্মীসকলক সম্বোধন কৰি মোদীয়ে এই মন্তব্য কৰে। মোদীয়ে কয়, "কংগ্ৰেছ এতিয়া বোজা হৈ পৰিছে। তেওঁলোকৰ লগত যিয়ে হাত মিলাইছে তেওঁলোক ধ্বংস হৈছে। মই কংগ্ৰেছৰ মিত্ৰদলসমূহকো সতৰ্ক কৰি দিছিলো যে কংগ্ৰেছ হৈছে এক পৰজীৱীৰ দৰে, যিয়ে নিজৰ লাভৰ বাবে সহযোগীৰ ভোট বেংক শোহে।" লগতে মোদীয়ে কয়, "কংগ্ৰেছে ইভিএমক লৈ প্ৰশ্ন উত্থাপন কৰে, নিৰ্বাচন আয়োগক অপমান কৰে, দেশৰ শত্ৰুক সমৰ্থন কৰে। ভাৰতৰ উন্নয়নৰ বাবে কংগ্ৰেছৰ কোনো ইতিবাচক দৃষ্টিভংগী নাই।" তেওঁ কংগ্ৰেছক বিহাৰত আৰজেডি শাসনৰ সময়ৰ 'জংগলৰাজ'ৰ সৈতে তুলনা কৰে। তেওঁ কয়, "জংগলৰাজৰ বিষয়ে কিবা ক'লে কংগ্ৰেছেও আঘাত পাব।" বিহাৰ নিৰ্বাচনৰ ফলাফল অনুসৰি, নীতিশ কুমাৰৰ নেতৃত্বত এন ডি এ-এ ২০০ ৰো অধিক আসনত অগ্ৰগতি লাভ কৰি এক বিৰাট জয় সুনিশ্চিত কৰে। ইয়াৰ বিপৰীতে, তেজস্বী যাদৱৰ নেতৃত্বত মহাগঠবন্ধনে ৪০ আসনৰ সীমাও অতিক্ৰম কৰিবলৈ সক্ষম নহ'ল। প্ৰধানমন্ত্ৰীয়ে দাবী কৰে যে বিহাৰ নিৰ্বাচনত এন ডি এ-এ যিমান সংখ্যক আসন লাভ কৰিছে, কংগ্ৰেছে বিগত ছটা বিধানসভা নিৰ্বাচনত সিমান আসন লাভ কৰিবলৈ সক্ষম হোৱা নাই।

# ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান

প্ৰকোপ বৃদ্ধি পাইছে। ইতিমধ্যে সৰুপথাৰৰ খনিকৰ গাঁও, মৰঙি আৰু বৰহোলাত এই ৰোগৰ উপস্থিতি নিশ্চিত হৈছে। ৰোগৰ বিস্তাৰ ৰোধৰ বাবে জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ নম্বৰ ধাৰা অনুসৰি কিছু নিষেধাজ্ঞা জাৰি কৰিছে। গাহৰি, গাহৰিৰ মাংস, গাহৰিৰ খাদ্য আৰু আনুষংগিক সামগ্ৰীসূহৰ ক্ৰয় বিক্ৰয় পৰিবহণ জিলাখনত নিষিদ্ধ কৰা হৈছে। জনস্বাস্থ্য আৰু পশু স্বাস্থ্য সুৰক্ষাৰ স্বাৰ্থত সকলো ৰাইজক প্ৰশাসনে সহযোগ কৰিবলৈ আহ্বান জনাইছে।

# জব্দকৃত বিস্ফোৰকৰ বিস্ফোৰণত কপিল শ্ৰীনগৰ

আৰক্ষী কণ্ট্ৰ'ল ৰুমলৈ লৈ যোৱা হৈছে। আহতসকলক শ্ৰীনগৰৰ বিভিন্ন চিকিৎসালয়ত ভৰ্তি কৰা হৈছে আৰু মৃতকসকলক চিনাক্ত কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। অতি কমেও ২৪জন আৰক্ষী বিষয়া আৰু ৩জন নাগৰিকক চহৰৰ বিভিন্ন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। লাডাখৰ উপ-ৰাজ্যপালে জম্মু-কাশ্মীৰ আৰক্ষী থানাত সংঘটিত এই বিস্ফোৰণৰ ঘটনাত গভীৰ শোক প্ৰকাশ কৰে। লাডাখৰ উপ-ৰাজ্যপাল কবীন্দ্ৰ গুপ্তাই এই ঘটনাত শোক প্ৰকাশ কৰি এই ঘটনাত আৰু বহু লোকৰ মৃত্যু হোৱাৰ আশংকা ব্যক্ত কৰে। "শ্ৰীনগৰৰ নৌগাম আৰক্ষী থানাত সংঘটিত বিস্ফোৰণৰ ঘটনাই গভীৰ দুখ দিছে। এই ঘটনাত যিসকল লোকে প্ৰাণ হেৰুৱাইছে তেওঁলোকৰ পৰিয়াললৈ মই সমবেদনা জনাইছো আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰিছো।"- শ্ৰী গুপ্তাই এইদৰে টুইট কৰি দুখ প্ৰকাশ কৰে।

# থাৰ্ড ক্লাছ মানুহৰ ফ'ৰ্থ ক্লাছ উত্তৰ নিদিয়ে ৰকিবুল হুছেইনে

কৰাত ৰকিবুল হুছেইনৰ উঠিল খং। শনিবাৰে সাংসদগৰাকী গৈছিল গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত দহিকটা সংৰক্ষিত বনাঞ্চল আৰু ভাটিয়াপাৰা ৰাজহ গাঁৱৰ উচ্ছেদিত লোকসকলৰ খবৰ ল'বলৈ। উচ্ছেদিত লোকক সাংসদ হুছেইনে খাদ্য সামগ্ৰীৰ লগতে কম্বল বিতৰণ কৰাৰ পিছতেই সাংবাদিকে তেওঁক মুখ্যমন্ত্ৰীয়ে মিঞা সম্পৰ্কে কৰা মন্তব্যত প্ৰতিক্ৰিয়া জানিব বিচাৰিলে। এই সন্দৰ্ভত সাংসদগৰাকীয়ে কয়, "এটা থাৰ্ড ক্লাছ মানুহৰ ফ'ৰ্থ ক্লাছ উত্তৰ কিয় দিম? টেষ্টলেছ মানুহ, টেষ্ট নথকা এটা মানুহ, টেষ্ট নথকা এটা মানুহৰ উত্তৰ কোন ৰুচিসম্পন্ন মানুহে দিব?" ডঃ হিমন্ত বিশ্ব শৰ্মা কেনেকৈ মুখ্যমন্ত্ৰী হৈছে তাৰো ব্যাখ্যা কৰি সাংসদগৰাকীয়ে কয়, "তেওঁক বিজেপিয়ে দিয়া নাছিল, তেওঁ দুই নম্বৰী কৰি মুখ্যমন্ত্ৰী হৈছে। অকণমান দিন আমি কষ্ট আৰু ধৈৰ্য ধৰিব লাগিব। আল্লাহ, ভগবান কাকো নামানে, গতিকে তেওঁ মুখ্যমন্ত্ৰী হোৱাৰো যোগ্য নহয়। মুখ্যমন্ত্ৰী এগৰাকীয়ে যেতিয়া শপত লৈছিল তেতিয়া সকলো ধৰ্ম, সকলো জাতি-জনগোষ্ঠীক মানিম বুলি তেওঁ শপত লৈছিল। তেৱেঁই যদি ৰাজহুৱাভাৱে লোৱা শপত আজি নামানে তেনেহ'লে ধৰ্মনিৰপেক্ষতা আৰু গণতন্ত্ৰ আজি সংকটত পৰিছে।"

# ৫০খন জেছিবি লগাই উদ্ধাৰ কাৰ্য আৰম্ভ কৰা হ'ব

ৰখা চৰাইচোং পুনৰুজ্জীৱিত ঐতিহাসিক প্ৰচেষ্টাত প্ৰতিগৰাকী লোকেই অংশীদাৰ হোৱাটো নৈতিক দায়িত্ব, তেওঁ এগৰাকী ৰাইজৰ প্ৰতিনিধি ৰূপে সেই দায়িত্ব গ্ৰহণ কৰিছে আৰু চৰাইচোং উৎসৱ সফল কৰাৰ লগতে চৰাইচোঙক এক পৰ্যটন উদ্যোগ ৰূপে গঢ়ি সংস্থাপনৰ বিশাল ক্ষেত্ৰলৈ পৰিণত কৰাৰ দিশত আগুৱাই নিব। মাজুলীৰ সাহিত্যৰ সভাপতি কমল দত্তই আঁতধৰা কাৰ্যসূচীত তেওঁ ঘোষণা কৰে দ্বিতীয় সংখ্যক চৰাইচোং উৎসৱে মাজুলীক বিশ্ব পাৰিপাৰ্শ্বিক সুৰক্ষা আন্দোলন অন্যতম অংশীদাৰ ৰূপে চিহ্নিত কৰাই নহয় আজি ৩৯২ বছৰ পূৰ্বেই এই পক্ষী উদ্যান স্থাপন কৰি মাজুলীয়ে এচিয়া মহাদেশকো যে নেতৃত্ব দি আহিছিল সেয়া প্ৰমাণিত কৰিব। কেইবা শতাধিক পুৰুষ মহিলা, ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত গায়ন- বায়ন, ডবা -শংখ, হৰিধ্বনি আৰু মহিলাৰ উৰুলি ধ্বনিৰ মাজত লাইখুঁটাৰ উত্তোলন কৰি নিজে বিশ্বাস কৰিব নোৱাৰা এক অনুষ্ঠান বুলি উল্লেখ কৰি বিধায়কে কয়, চৰাইচোং আমাৰেই নহয় ৰাষ্ট্ৰীয় সম্পদ। উদযাপন সমিতিৰ সভাপতি দুৰ্গেশ্বৰ শইকীয়াৰ লগতে গণেশ হাজৰিকা, প্ৰদীপ শইকীয়া, সূৰ্যকুমাৰ ভূএগ, দিলীপ কুটুম অঞ্চলটোৰ কলাত্মক দিশটো দীপালী কৰি ৰখা নবীন দলে, তোৰণ আৰু মণ্ডপ উপ-সমিতিৰ সভাপতি প্ৰশান্ত শইকীয়া, সম্পাদক দ্বয় বলোৰাম দত্ত, বিপিন হাজৰিকা, , প্ৰশান্ত হাজৰিকা, জয়ন্ত মাধৱ কলিতা, যতিন্দ্ৰ নাথ মূদৈ, মুখ্য সম্পাদক গোবিন কুমাৰ খাউণ্ডৰ মুখ্য ব্যৱস্থাপনাত আয়োজিত লাইখুঁটা স্থাপন অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী বন্তি প্ৰজ্বলন কৰে কোষেশ্বৰ খাউণ্ডৰ সহায়ত মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি বিপিন চন্দ্ৰ হাজৰিকাই। ইয়াৰ পিছতেই চৰাইচোং উৎসৱ- ২০২৫ ৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ আনন্দ হাজৰিকা। অহা ৭ ডিচেম্বৰ পুৱা ৯ বজাত জুবিন গাৰ্গ সোঁৱৰণী ৩৯২টা গছপুলি ৰোপণ কাৰ্যসূচী সেউজ মিত্ৰ অতুল হাজৰিকা আৰু ড০ নবীন বৰুৱাৰ দ্বাৰাই সম্পূৰ্ণকৰণেৰে শুভাৰম্ভ ঘটিব। উল্লেখযোগ্য, এই কাৰ্যসূচী ইতিমধ্যে ৰূপায়ণ হৈ আছে। চাৰিদিনীয়া বিশাল কাৰ্যসূচী ঘোষণা কৰে ড০ হাজৰিকাই কয়, চৰাইচোং উৎসৱে মাজুলীক বিশ্ব দৰবাৰলৈ আগুৱাই নিছে, ইয়াৰ অংশীদাৰ হ'বলৈ পাই জীৱন ধন্য হৈছে। সভাত মেগামি' প্ৰকৃতি সংঘ - ঢকুৱাখনাৰ পৰা দেৱজিৎ ফুকন, বিশিষ্ট ব্যৱসায়ী জ্যোতিপ্ৰকাশ ভূএগ, যুৱছাত্ৰ পৰিষদ মাজুলী জিলা সমিতিৰ সভাপতি মুনিন্দ্ৰ ভূএগ, বিজেপি জিলা সভাপতি দীপক গোস্বামী, ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিপালী ভূএগ, ৰতনপুৰ গাঁৱৰ পৰা গকুল শইকীয়া, নৰসিংহ সত্ৰৰ ডেকা সত্ৰীয়া প্ৰবীন মহন্ত, বিপিন চন্দ্ৰ হাজৰিকা আদিয়ে বক্তব্য প্ৰদান কৰে। উল্লেখযোগ্য ১৬৩৩ খ্ৰীষ্টাব্দতে আহোম ৰজাই প্ৰতিষ্ঠা কৰা পক্ষী বিচৰণ সংৰক্ষিত উদ্যান চৰাইচোঙৰ পুনৰুজ্জীৱিত কৰাৰ বাবে "মাজুলীৰ সাহিত্য"ই আয়োজন কৰা "চৰাইচোং উৎসৱ -২০২৫ "ৰ দ্বিতীয় সংখ্যক উৎসৱ ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত স্বৰ্গদেউ প্ৰতাপ সিংহ ক্ষেত্ৰত, অহা ৭ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ উদযাপন হ'ব। এইবাৰৰ উৎসৱত "মাজুলীৰ সাহিত্য উৎসৱত লেখক - সাহিত্যিক সমাৰোহ, শ্ৰীধৰ বৰুৱা ওজা ৰাজ্যিক সাহিত্য বঁটা প্ৰদান, তৰুণ চন্দ্ৰ পামেগাম জন্ম শতবাৰ্ষিকী কাৰ্যসূচী হ'ব অন্যতম সংযোজন। উৎসৱত ১০ খনকৈ গ্ৰন্থ প্ৰকাশ, দুখন প্ৰকৃতি বিষয়ক ৰাজ্যিক ভিত্তিৰ আলোচনাচক্ৰ, বাণিজ্য মেলা, গ্ৰন্থ মেলা, টুনী পৰ্যটন পৰিৱেশন আকৰ্ষণীয় কাৰ্যসূচীও অনুষ্ঠিত হ'ব। আজি পাৰিপাৰ্শ্বিক উপ সমিতিৰ সভাপতি অতুল হাজৰিকাৰ নেতৃত্বত কমলাবাৰীৰ পৰা যোৱা মুনিন্দ্ৰ ভূএগ, সূৰ্য বৰুৱা, মহেন্দ্ৰ কলিতা, ধীৰেন বৰুৱা, ইউচুফ আলি আহমেদ, ঢকুৱাখনাৰ দেৱজিৎ ফুকন, চেনিৰাম বৰুৱা, বিমান সন্দিকৈয়ে ক্ষেত্ৰত গছপুলি ৰোপণ কৰাৰ লগতে দলটোৱে কাষৰীয়া লুইতপৰীয়া জনজাতি উচ্চ মাধ্যমিক বিদ্যালয় আৰু সোণালী জয়ন্তী কাৰ্যসূচী চলি থকা ৰাঙলীবাহৰ প্ৰাথমিক বিদ্যালয়ৰ চৌহদটো গছপুলি ৰোপণ কৰে। উল্লেখযোগ্য, উৎসৱৰ ৩৯২টা গছপুলি ৰোপণৰ অন্তৰ্গত এই কাৰ্যসূচী আছিল

# অসমলৈ বৃন্দাবনী বস্ত্ৰ আনিবলৈ লণ্ডন অভিমুখে ৰাওনা মুখ্যমন্ত্ৰী

হৈছে। এই অমূল্য ঐতিহাসিক সম্পদটোৰ বিষয়ে সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে নিজেই সদৰি কৰে। তেওঁ জনায় যে বহু প্ৰজন্মই এই বস্ত্ৰভাগ চাবলৈ পোৱা নাই, যি কালক্ৰমত অসমৰ পৰা তিব্বত হৈ লণ্ডন আৰু পেৰিছৰ দৰে স্থানলৈ গৈছিল। বৰ্তমান ই লণ্ডনৰ মিউজিয়ামত সংৰক্ষিত হৈ আছে। কাইলৈৰ দিনটোত লণ্ডন মিউজিয়াম কৰ্তৃপক্ষৰ সৈতে আলোচনা আছে আৰু সম্ভৱতঃ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হ'ব। জে এছ ডব্লিউ (JSW) গ্ৰুপৰ সজ্জন জিন্দালে এই ক্ষেত্ৰত আগভাগ লৈছে আৰু মিউজিয়াম কৰ্তৃপক্ষই বিচৰা ধৰণে সকলো সুবিধা থকা এক অত্যাধুনিক সংগ্ৰহালয় গুৱাহাটীৰ খানাপাৰাত নিৰ্মাণ কৰি দিব। এই মিউজিয়ামৰ স্বত্বাধিকাৰ অসম চৰকাৰেই হ'ব। চুক্তিমতে, ২০২৭ চনত বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ লক্ষ্য স্থিৰ কৰা হৈছে, যাতে অসমবাসীৰ লগতে সমগ্ৰ ভাৰতবাসীয়ে এই ঐতিহাসিক সম্পদ দৰ্শন কৰি অসমীয়া সভ্যতাৰ চহকী ইতিহাসৰ বিষয়ে জানিব পাৰে। মুখ্যমন্ত্ৰী ১৮ নৱেম্বৰত অসমলৈ উভতি আহিব। সেইদিনা জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে ৰাজ্যজুৰি বৃহৎ ৰক্তদান শিবিৰৰ আয়োজন কৰা হৈছে।




# গৱেষক-সাহিত্যিক মনেশ্বৰ দেউৰীলৈ ২০২৫ বৰ্ষৰ প্ৰাগজ্যোতিষপুৰ সাহিত্য বঁটা

**অসম বাৰ্তা, ১৫ নৱেম্বৰ ঃ** ঘোষণা কৰা হ'ল ২০২৫ বৰ্ষৰ প্ৰাগজ্যোতিষপুৰ সাহিত্য বঁটা। অসমৰ এগৰাকী বিশিষ্ট গৱেষক-সাহিত্যিকলৈ প্ৰাগজ্যোতিষপুৰ সাহিত্য বঁটা'২০২৫ আগবঢ়োৱাৰ লগতে এগৰাকী উদীয়মান গল্পকাৰলৈ আগবঢ়োৱা হ'ল ২০২৫ বৰ্ষৰ প্ৰাগজ্যোতিষপুৰ যুৱ সাহিত্য বঁটা। এক বিবৃতিযোগে প্ৰাগজ্যোতিষপুৰ সাহিত্য উৎসৱ'২০২৫ৰ আয়োজক সমিতিৰ সভাপতি ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰী আৰু সাধাৰণ সম্পাদক বিক্ৰম কলিতাই জনোৱা মতে, তিৰা সমাজ, সাহিত্য, সংস্কৃতি তথা ইতিহাসৰ গৱেষক পণ্ডিত, বিশিষ্ট নিবন্ধকাৰ, ২০ খনতকৈও অধিক গ্ৰন্থৰ লেখক মনেশ্বৰ দেউৰীলৈ আগবঢ়োৱা হৈছে ২০২৫ বৰ্ষৰ প্ৰাগজ্যোতিষপুৰ সাহিত্য বঁটা। অসম অসামৰিক সেৱাৰ চাকৰি ইস্তাফা দি সাহিত্য, সাংবাদিকতাত একানপতীয়াকৈ মনোনিৱেশ কৰি অসমীয়া সাহিত্যৰ ভড়াল টনকিয়াল কৰা অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ মনেশ্বৰ দেউৰীলৈ প্ৰাগজ্যোতিষপুৰ সাহিত্য বঁটা আগবঢ়াবলৈ পায় আয়োজক সমিতি বাৰুকৈয়ে আহ্লাদিত। একেদৰে, অসমীয়া সাহিত্যৰ এগৰাকী উদীয়মান গল্পকাৰ, জালখাৰ শীৰ্ষক গল্প সংকলনৰ স্ৰষ্টা, বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰী স্ৰোতস্বিনী তামুলীলৈ আগবঢ়োৱা হৈছে প্ৰাগজ্যোতিষপুৰ যুৱ সাহিত্য বঁটা।

# চোৰৰ ৰম্যভূমিলৈ পৰিণত মাকুম চহৰ

**অসম বাৰ্তা, মাকুম, ১৫ নৱেম্বৰ ঃ** চোৰৰ যেন ৰম্যভূমিলৈ পৰিণত হৈছে মাকুম চহৰ। দিনক দিনে মাকুম চহৰত বৃদ্ধি পাবলৈ ধৰিছে ইটোৰ পাছত সিটো চুৰি কাৰ্যৰ ঘটনা। আজি পুৱতি নিশা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ মাকুম চহৰৰ ট্ৰেফিক পইণ্টৰ সমীপৰ নাথ ক্লথ ষ্টোৰ নামৰ এখন কাপোৰ বিপণীত চোৰে চলাই নিয়ে লুটপাত। বিপণী খনৰ গৰাকী অৰবিন্দ দেৱনাথৰ ভাষ্য অনুসৰি বিপণী খনৰ চিলিং ভাঙি চোৰে লুটি নিয়ে দহ-বাৰ হাজাৰ টকাৰ নগদ ধন সহ দহ-বাৰ হাজাৰ মূল্যৰ পুৰুষ-মহিলাৰ কাপোৰ। কাপোৰৰ বিপণী খনত নাছিল কোনো চি চি কেমেৰাৰ ব্যৱস্থা। বিপণীখনৰ গৰাকীজনে পুৱা বিপণীখন খুলিবলৈ আহি চুৰিকাৰ্য হোৱাৰ কথা গম পোৱাৰ লগে লগে চুৰি কাৰ্যৰ সন্দৰ্ভত মাকুম আৰক্ষী থানাত এখনি এজাহাৰ দাখিল কৰে। উল্লেখযোগ্য যে আজি দুদিনৰ পূৰ্বেও এই একেটা স্থানৰ লগতে মাকুম বাইপাচৰ উৰণীয়া সেতুৰ কাষৰ এগৰাকী বৃদ্ধাৰ সৰু তামোল-পান দোকান এখনতো চোৰে চলাইছিল লুটপাত। চহৰ খনৰ সুৰক্ষাৰ স্বাৰ্থত মাকুম পৌৰ সভাই চহৰৰ খনৰ কিছু কিছু ঠাইত চি চি কেমেৰা সংযোগ কৰিছে যদিও চলিত অৱস্থাত আছে নে নাই তাৰো সন্দেহৰ আৱৰ্তত। ইপিনে দিনে নিশাই চাইৰেন বজাই বজাই মাকুম আৰক্ষীয়ে গিজগিজাই তহল দি ফুৰা সত্বেও সঘনাই ঘটি থকা এনেধৰণৰ চুৰি কাৰ্যৰ ঘটনাই মাকুম আৰক্ষী আৰু নগৰ সুৰক্ষা বাহিনীৰ ফুফুলা স্বৰূপ উদঙাই দিবলৈ বাধ্য হৈছে।

# শিলচৰত ৪০ হাজাৰ টকাত নৱজাতকক বিক্ৰী পিতৃৰ

হাতত সন্তানক তুলি দিয়াৰ ঘটনা পোহৰলৈ অহাৰ পিছতেই আৰক্ষীয়ে এই চক্ৰৰ বিৰুদ্ধে আৰম্ভ কৰিছে অভিযান। শিলচৰৰ আমিৰ হুছেইন মজুমদাৰ নামৰ এটা দালালক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পিছতেই পোহৰলৈ আহিছে এই ঘটনাটো। নৱজাতকক আনৰ হাতত তুলি দিয়াৰ ক্ষেত্ৰত মধ্যস্থতা কৰিছিল এই দালালটোৱে। জানিব পৰা মতে, শ্ৰীভূমি জিলাৰ এগৰাকী মহিলাই শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল এটি সন্তান জন্ম দিয়ে। শিশুটিৰ জন্মৰ পাছতে মহিলাগৰাকীয়ে শিশুটিক নিজমধুৰবন্ধৰ ভাৰাঘৰলৈ নিয়ে। তাৰ পিছতেই সংঘটিত হয় এই ঘটনাটো। ভুক্তভোগী মহিলাগৰাকীয়ে আৰক্ষীৰ আগত দিয়া ভাষ্য অনুসৰি তেওঁ যোৱা ২৭ অ'ক্টোবৰত শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত এটি পুত্ৰ সন্তান জন্ম দিয়ে। ইয়াৰ পিছত যোৱা ৩ নৱেম্বৰত সন্তানসহ তেওঁক ঘৰলৈ যাবলৈ দিয়া হয়। তাৰ পিছত তেওঁ সন্তানক লৈ নিজমধুৰবন্ধৰ খিলোগ্ৰামৰ ভাৰাঘৰলৈ যায়। ভাৰাঘৰত থকা অৱস্থাতে যোৱা ৭ নৱেম্বৰত স্বামী গুলজাৰ হুছেইনে তেওঁৰ প্ৰথমা পত্নী আৰু দালাল আমিৰ হুছেইনক লৈ তেওঁৰ ঘৰত উপস্থিত হৈছিল। তেতিয়ালৈকে তেওঁ এইবোৰ কথা জানিব পৰা নাছিল।

# ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত- গৱেষণা নীতি-নৈতিকতা আৰু গৱেষণা পদ্ধতি সম্পৰ্কীয় ৰাষ্ট্ৰীয় কৰ্মশালাত এশ চিকিৎসকৰ অংশগ্ৰহণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৫ নৱেম্বৰ ঃ** ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাতাল চমুকৈ 'এএমচিএইছ'ৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনস্থ স্বাস্থ্য গৱেষণা বিভাগৰ সহযোগত চিকিৎসালয়খনৰ অইল লেকচাৰ হলত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে 'গৱেষণাৰ নীতি- নৈতিকতা আৰু গৱেষণা পদ্ধতি আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বায়'মেডিকেল স্বাস্থ্য গৱেষক সকল' শীৰ্ষক এক ৰাষ্ট্ৰীয় কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত উত্তৰ-পূব ভাৰতৰ বিভিন্ন স্থানৰ এশ গৰাকীৰো অধিক চিকিৎসক, শিক্ষক, বিজ্ঞানীৰ পৰা স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰী, ইণ্টাৰ্নী আৰু গৱেষকে অংশগ্ৰহণ কৰে। প্ৰথমদিনা কৰ্মশালাৰ আদৰণী ভাষণ প্ৰদান কৰে 'এএমচিএইছ'ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে। অনুষ্ঠানৰ লক্ষ্য-উদ্দেশ্য সম্পৰ্কত আলোকপাত কৰে 'এএমচিএইছ'ৰ সামুদায়িক চিকিৎসা বিভাগৰ মুৰব্বী অধ্যাপক তথা অনুষ্ঠানটোৰ উপসভাপতি ডাঃ গৌৰাংগী গগৈয়ে। সাংগঠনিক সচিব ডাঃ তুলিকা গোস্বামী মহন্তই অতিথি বক্তা সকলৰ পৰিচয় প্ৰদান কৰে। তিনি দিনীয়া কাৰ্যসূচীত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ খ্যাতনামা চিকিৎসক তথা গৱেষণা প্ৰতিষ্ঠানৰ বিশেষজ্ঞ আৰু গৱেষক সকলে বিভিন্ন গৱেষণা পদ্ধতি, নীতি-নৈতিকতা আৰু বৈজ্ঞানিক অনুশীলন সম্পৰ্কীয় বিভিন্ন বিষয়ৰ বক্তৃতা প্ৰদান কৰে। ডি এইছ আৰ ডাঃ সুজাতা সিন্‌হাই পৰ্যৱেশক হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়োৱাৰ লগতে আইচিএমআৰ-আৰএমআৰচি (এন ই)ৰ অধ্যক্ষ ডাঃ সুমন কানুঙ্গোৱে হাইপ'থেচিছ জেনেৰেচন আৰু উত্তৰ-পূব ভাৰতৰ গৱেষণাৰ শক্তি বৃদ্ধিৰ প্ৰয়োজন সম্পৰ্কে বক্তব্য আগবঢ়ায়। কৰ্মশালাত 'আইচিএমআৰ'ৰ বিজ্ঞানী ডাঃ জগদীশ মহন্তই চিকিৎসা নীতিৰ বিকাশ সম্পৰ্কে আলোচনা কৰে। পি জি আই এম ই আৰৰ অধ্যাপক ডাঃ বিকাশ মেধিয়ে স্বাস্থ্য গৱেষণাৰ ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক নিয়ম-কানুনৰ ওপৰত বিশদভাৱে আলোচনা কৰে। চেইণ্ট জ'ন্‌ছ মেডিকেল কলেজৰ আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চিকিৎসা বিজ্ঞানী ডাঃ ডেনিছ জেভিয়াৰ, চিএমচি ভেল্লোৰৰ ডাঃ টাম্ব ডেভিদ সুদৰ্শনম, মণিপুৰৰ ডাঃ বগেন সিংহ আকৈজাম, ডাঃ সুনীলা বান্দেৰৰ, 'এএমচিএইছ'ৰ ডাঃ তুলিকা গোস্বামী মহন্ত, মেঘালি চলিহা, ডাঃ গাৰ্গী চৌধুৰী, ডাঃ চন্দনা কলিতা, ডাঃ নৱনীতা নিৰ্মলীয়া, ডাঃ অংকিতা কৰ, কলকাতাৰ বিশিষ্ট চিকিৎসা শাস্ত্ৰৰ জাৰ্ণেলৰ এডিটৰ ডাঃ দিলীপ কুমাৰ দাস, ডাঃ ইন্দ্ৰনীল সাহায়ে চিকিৎসা গৱেষণাৰ বক্তব্য আগবঢ়ায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ অধ্যাপক ড° মানস বৰ্মনে এছ পি এছ এছ, আৰ ছফট্‌ৱেৰৰ প্ৰয়োগৰ ওপৰত আলোচনা আগবঢ়ায়। তিনিদিনীয়া এই কৰ্মশালাখনিত উত্তৰ-পূব ভাৰতৰ স্বাস্থ্য গৱেষণাৰ দক্ষতা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব আৰু উচ্চমানৰ নৈতিক গৱেষণা প্ৰস্তুত কৰাত যথেষ্ট উৎসাহিত কৰিব বুলি উদ্যোক্তা সকলে আশা প্ৰকাশ কৰে। আকাংক্ষা গোস্বামীয়ে আঁতধৰা অনুষ্ঠানটোত শলাগ জ্ঞাপন কৰে 'এ এম চি এইছ'ৰ উপাধ্যক্ষা ডাঃ ৰীমা নাথে।

# শিৱসাগৰত বিস্তৃত কাৰ্যসূচীৰে ধৰতী আবা ভগৱান বিৰছা মুণ্ডাৰ ১৫০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে জনজাতীয় গৌৰৱ দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৫ নৱেম্বৰ ঃ** স্বাধীনতা সংগ্ৰামী তথা লোকনায়ক ধৰতী আবা ভগৱান বিৰছা মুণ্ডাৰ ১৫০ বছৰীয়া জন্ম জয়ন্তী উপলক্ষে শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু ভাৰত চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনস্থ সংহত জনজাতি উন্নয়ন প্ৰকল্প, শিৱসাগৰৰ সহযোগত আজি শিৱসাগৰত "জনজাতীয় গৌৰৱ দিৱস" উদ্‌যাপন কৰা হয়। জিলাখনৰ দিচাংমুখৰ লিগিৰীবাৰী মুৰংঘৰ প্ৰাংগনত অনুষ্ঠিত জনজাতীয় গৌৰৱ দিৱসৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে থাওৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰীয়ে। অনুষ্ঠানৰ আৰম্ভণিতে ধৰতী আবা ভগৱান বিৰছা মুণ্ডা প্ৰমুখ্যে অগ্ৰণী জননেতা ভীমবৰ দেউৰী, গণশিল্পী বিক্ৰম সিং য়েইন আৰু শিক্ষাবিদ মনেশ্বৰ মিলিৰ প্ৰতিচ্ছবিৰ আগত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পন কৰি শ্ৰদ্ধাৰ্ঘ জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি জনজাতীয় লোকসকলৰ কল্যাণৰ বাবে বিভিন্ন বিভাগ সমূহে ৰূপায়ণ কৰা আচঁনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰাৰ বাবে এখন প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। সমান্তৰালভাৱে জনগোষ্ঠীয় খাদ্যসম্ভাৰ, সাজ-পাৰ, জনগোষ্ঠীয় লেখকৰ গ্ৰন্থাৱলী আদিৰ বিপনীৰ লগতে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আৰু পাৰম্পৰিক খেলৰো আয়োজন কৰা হয়। "জনজাতীয় গৌৰৱ দিৱস"ৰ অনুষ্ঠানত আজি জিলাখনৰ কেইবাগৰাকী বিশিষ্ট জনজাতীয় নেতা তথা অগ্ৰণী সমাজকৰ্মীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰা, অতিৰিক্ত আয়ুক্ত গীতালী দুৱৰা, শিৱসাগৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নেকিব চাঈদ বৰুৱা, সহকাৰী আয়ুক্তত্ৰয় পৰিস্মিতা দিহিঙ্গীয়া, শুভজিত খাউণ্ড আৰু গণেশ চন্দ্ৰ বড়ো, জিলা পৰিষদৰ অধ্যক্ষ অনিমা চুংক্ৰাং, সদৌ অসম জনজাতি সংঘৰ শিৱসাগৰ জিলাৰ সভাপতি কৃষ্ণকান্ত মেচ, টাকাম মিচিং পৰিন কেবাং (TMPK)ৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি ললিত পাডিং, বানেকেবাঙৰ কেন্দ্ৰীয় সমিতিৰ সচিব প্ৰফুল্ল কুমাৰ মিলি, মহকুমা উন্নয়ন বিভাগৰ অধ্যক্ষ অঞ্জন টায়ে, সংহত জনজাতি উন্নয়ন প্ৰকল্পৰ অধ্যক্ষ ৰেৱকান্ত মিলি, বিশিষ্ট সমাজকৰ্মী পোনাৰাম মিলি প্ৰমুখ্যে ভালে কেইগৰাকী আমন্ত্ৰিত গণ্য-মান্য সমাজকৰ্মী, জিলা প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু গৰিষ্ঠসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

# শদিয়াত বিধায়কৰ উদ্যোগত তিনিমাহ ধৰি বিনামূলীয়া চকু পৰীক্ষণ শিবিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৫ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ৮২ নং শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলিন চেতিয়াৰ উদ্যোগত যোৱা তিনিমাহ ধৰি শদিয়াৰ সদৰ চপাখোৱাস্থিত চপাখোৱা অসামৰিক চিকিৎসালয়ত এক বিনামূলীয়া চকু পৰীক্ষণ শিবিৰ চলি থকাৰ কথা জানিব পৰা গৈছে। প্ৰতি মাহৰ ১ আৰু ১৫ তাৰিখে ৰোগীক চকু পৰীক্ষা কৰাৰ বাবে নাম পঞ্জীয়ন কৰা হ'য়। লগতে সপ্তাহৰ প্ৰতি সোমবাৰে পুৱা ১০-৩০ বজাৰ পৰা দুপৰীয়া ১-৩০ বজালৈ চকু পৰীক্ষণ কৰা হ'য়। বিশেষকৈ চকুত ছানি পৰা (Cataract) ৰোগীক প্ৰয়োজন অনুসৰি উন্নত চিকিৎসালয়ত বিনামূলীয়া অস্ত্ৰোপচাৰ কৰাৰ লগতে বিনামূলীয়া চশমা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হয়। শিবিৰত শদিয়া সমজিলাৰ চপাখোৱা অসামৰিক চিকিৎসালয়ৰ চকু চিকিৎসক ডাঃ পৰিস্মিতা বৰুৱা আৰু লায়ন্স হস্পিতেল, ডিব্ৰুগড়ৰ চকু চিকিৎসক ডাঃ অমূল্য বৰগোঁহাইৰ দ্বাৰা চিকিৎসা চলি থকা বুলি জানিব পৰা গৈছে। শিবিৰত বৰ্তমানলৈ ৭৫জন ৰোগীৰ পৰীক্ষণ কৰাৰ লগতে তাৰে ৫০জন ৰোগীৰ চকুৰ অস্ত্ৰোপচাৰ সুকলমে সম্পন্ন হোৱা বুলিও জানিব পৰা গৈছে। এইক্ষেত্ৰত যোগাযোগৰ নম্বৰকেইটা হৈছে - ৯৬৭৮৩৯৮৪১০ আৰু ৯৮৬৪২৬৬৮৫৫ ।

# নাহৰকটীয়াত প্ৰথমবাৰৰ বাবে নিৰ্মাণ হ'বলগীয়া "ডিজিটেল লাইব্ৰেৰী" তোৰণ মুকলি বিধায়ক তৰঙ্গ গগৈৰ

**অসম বাৰ্তা, নাহৰকটীয়া, ১৫ নৱেম্বৰ ঃ** চ'চাইটি ফৰ বলি মৰা থান চিতা কুণ্ড পৰ্যটন প্ৰকল্প (NGO)য়ে সমাজৰ বিভিন্ন ধৰণৰ উন্নয়নমূলক কাম- কাজ, বুৰঞ্জীপ্ৰসিদ্ধ সম্পদক চৰকাৰ আৰু ৰাইজক দৃষ্টি আকৰ্ষণ কৰাৰ লগতে ছাত্ৰ- ছাত্ৰীক ঐতিহাসিক ক্ষেত্ৰ প্ৰদৰ্শন কৰি আহিছে। ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া, টিংখং আৰু টেঙাখাট ৰাজহ চক্ৰৰ অন্তৰ্গত পুৰণিকলিয়া বুৰঞ্জী প্ৰসিদ্ধ, ঐতিহাসিক সম্পদ সমূহক সুৰক্ষা, সংৰক্ষণ, প্ৰচাৰ-প্ৰসাৰ কৰি অসম চৰকাৰক দৃষ্টি আকৰ্ষণ কৰা, সৌন্দৰ্য বদ্ধন, সংবদ্ধন, ক্ষেত্ৰ উন্নয়ন, বৃক্ষৰোপণ, গ্ৰাম্য পৰ্যটনৰ ভেটি টনকিয়াল কৰা আদি বিষয়লৈ ডিব্ৰুগড় জিলাৰ আগশাৰীৰ মহাবিদ্যালয় যেনে - নাহৰকটীয়া, টিংখং, নামৰূপ, টেঙাখাট, দুলীয়াজান মহাবিদ্যালয়ৰ সহযোগত কাম কৰি আহিছে আৰু এটি আদৰ্শ লাইব্ৰেৰী নিৰ্মাণৰ বাবে আগবাঢ়িছে। আদৰ্শ ডিজিটেল লাইব্ৰেৰীৰ নিৰ্মাণ কাৰ্যৰ প্ৰথম কাৰ্যসূচী হিচাপে আজি নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰঙ্গ গগৈয়ে "পৰশমণি হাজৰিকা সোঁৱৰণী তোৰণ" মুকলি কৰে। এই উপলক্ষে অনুষ্ঠিত এক ৰাজহুৱা সভাত বিধায়ক গৰাকীয়ে নিজৰ বক্তব্যত উল্লেখ কৰে যে বৰ্তমান সময়ত মানুহৰ কিতাপ পঢ়াৰ আগ্ৰহ কমি আহিছে আৰু সেইয়ে নাহৰকটীয়াত ডিজিটেল লাইব্ৰেৰীৰ প্ৰয়োজনীয়তা আহি পৰিছে। মুহূৰ্ততে আমি বিচৰা ধৰণে ইণ্টাৰনেটত চাৰ্জ কৰি মনে বিচৰা গ্ৰন্থখন পঢ়িব পাৰোঁ। এই ক্ষেত্ৰত ৰাইজৰ সহায় সহযোগিতাৰ কামনা কৰে। লগতে বিধায়ক গৰাকীয়ে উল্লেখ কৰে যে নাহৰকটীয়া নগৰখন সুন্দৰকৈ সজাই তোলাৰ মোৰ এটা সপোন আছিল আৰু এই ক্ষেত্ৰত বহুখিনি কাম হাতত লোৱা হৈছে। এই ডিজিটেল লাইব্ৰেৰীৰ জন্ম দিয়াৰ ক্ষেত্ৰত মূল ব্যক্তি হিচাপে স্থানীয় ব্যক্তি কৃষ্ণ হাজৰিকাৰ এই প্ৰচেষ্টাক সকলোৱে প্ৰশংসা কৰিছে। আজিৰ সভাত চাচনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জয়ানন্দ বৰুৱা, নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ জ্যোতি প্ৰসাদ কোঁৱৰ, পীতাম্বৰ টাইৰাই গগৈ, পৰশমণি হাজৰিকাৰ পত্নী সন্ধ্যাৰানি হাজৰিকা, চিকুণ সোণোৱাল আদি উপস্থিত থাকে। এই তোৰণ মুকলি কৰা অনুষ্ঠানত, দিহানাম, ঝুমুৰ আদি পৰিৱেশন কৰা হয়।

## বকোৰ জনাৰ্দ্দন বড়োক সমাজ হিতৈষী সন্মান প্ৰদান

# কামৰূপ জিলা সাংবাদিক সন্থাৰ উদ্যোগত বকোৰ লাম্পীত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন

**অসম বাৰ্তা, বকো, ১৫ নৱেম্বৰ ঃ** অসম-মেঘালয় সীমান্তৰ চিৰসেউজ ভূমি লাম্পীত আজি কামৰূপ জিলা সাংবাদিক সন্থাৰ উদ্যোগত আয়োজন কৰে বিশেষ আলোচনা চক্ৰ। উল্লেখ্য যে; সৰ্ব ভাৰতীয় পৰ্য্যয়ত প্ৰতি বছৰে ১৬ নৱেম্বৰত অনুষ্ঠিত কৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। এই ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি ডিজিটেল সুৰক্ষা আৰু তথ্য পৰীক্ষণত সাংবাদিকৰ ভূমিকা শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়। কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি প্ৰকাশ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা আলোচনা চক্ৰত অসম ৱাৰ্তাজীৱি সংঘৰ সভাপতি মধুসুধন মেধিয়ে আলোচনা চক্ৰৰ আত ধৰি ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ তাংপৰ্যৰ বিষদ ব্যাখ্যা আগবঢ়াই। সাংবাদিক সন্থাৰ এই কাৰ্য্যসুচীৰ লগত সংগতি ৰাখি অমৰ কণ্ঠ আৰু হামিং সম্ৰাট ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে ৱাৰ্তাজীৱি সংঘৰ সভাপতি মধুসুধন মেধি আৰু যুৱ সমাজ কৰ্মী অনুপম দাসে। অনুষ্ঠানত বকোৰ দীক্ষিতা চুইটছ এণ্ড বেকাৰীৰ স্বত্বাধিকাৰী জনাৰ্দ্দন বড়োক বিশেষ ভাৱে সমাজ হিতৈষী সন্মান প্ৰদান কৰে কামৰূপ জিলা সাংবাদিক সন্থাই। লগতে জনাৰ্দ্দন বড়োৰ সামাজিক কৰ্ম ৰাজিৰ জৰিয়তে বৌদ্ধিক সমাজ গঠনত ভূমিকা লোৱা কাৰ্য্যক শলাগ লয়। অনুষ্ঠানত সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কাৰ্য্যকৰী সভাপতি অনুপম দাস; লাম্পীৰ চৰকাৰী গাওঁ প্ৰধান কৃষ্ণ শৰ্মা; গোৰ্খা ছাত্ৰ সন্থাৰ বিষয় ববীয়াৰ উপৰিও সমাজ কৰ্মী হেমৰাজ শৰ্মা আৰু জিলা সাংবাদিক সন্থাৰ বিষয় ববীয়া সকলে অংশগ্ৰহণ কৰে। আলোচনা চক্ৰত অসম-মেঘালয় সীমান্তৰ সীমা সমস্যাকে ধৰি শৈক্ষিক সামাজিক সমস্যাৰ ওপৰত আলোকপাত কৰে। আনহাতে চিৰসেউজ ভূমি লাম্পীত সাংবাদিক সন্থাৰ কাৰ্য্যসুচী ৰূপায়ণ কৰি এই অঞ্চলৰ সামাজিক-অৰ্থনৈতিক আৰু শৈক্ষিক সমস্যাৰ তৎকালীন সমাধানৰ বাবে অসম চৰকাৰৰ বিভাগীয় মন্ত্ৰী তথা কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইফালে লাম্পীৰ সামাজিক সমস্যাৰ ওপৰত চৰকাৰী বিভাগে সজাগতা বৃদ্ধি কৰিবলৈ আবেদন নিবেদন কৰাৰো সিদ্ধান্ত গ্ৰহণ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি লাম্পীৰ চৰকাৰী গাওঁ প্ৰধান কৃষ্ণ শৰ্মা আৰু সৰবৰহী যুৱক হেমৰাজ শৰ্মাই সেই অঞ্চলৰ যথাযথ সমস্যাৰ ওপৰত সমাধান সূত্ৰ উলিয়াবলৈ আহ্বান জনায়। ইয়াৰ উপৰিও ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্য্যসুচী অনুসৰি ডিজিটেল সুৰক্ষা আৰু পৰীক্ষণত সাংবাদিকৰ ভূমিকাৰ ওপৰত আলোকপাত কৰে আৰু নিষ্ঠা তথা সততাৰে সমাজ সেৱাৰ মনোভাৱ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

## ক্ষয়-ক্ষতিৰ ক্ষতিপূৰণ ক্ষিপ্ৰভাৱে মুকলি কৰাৰ দিশত পদক্ষেপ গ্ৰহণৰ আশ্বাস প্ৰদান গাহৰি পালকক

# শিৱসাগৰ জিলাত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ আয়ুক্ত সচিব এম এছ মনিভানন

## শিৱসাগৰ জিলাত ভয়াবহ ৰূপ ধাৰণ কৰা আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ সংক্ৰমণ সম্পৰ্কে পৰ্যালোচনা আয়ুক্ত সচিবৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৫ নৱেম্বৰ ঃ** অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ আয়ুক্ত সচিব এম এছ মনিভাননে বিভাগীয় যুটীয়া সচিব মঞ্জিত বৰকাকতিৰ সহিতে আজি শিৱসাগৰ জিলাত উপস্থিত হৈ সাম্প্ৰতিক সময়ত সমগ্ৰ শিৱসাগৰ জিলাতে ভয়াবহ ৰূপ ধাৰণ কৰা আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগ, ইয়াৰ সংক্ৰমণৰ পৰিসৰ আৰু ক্ষয়-ক্ষতিৰ পৰিস্থিতি সম্পৰ্কে বিস্তৃতভাৱে বুজ লোৱাৰ উদ্দেশ্যে জিলা আয়ুক্ত আয়ুষ গৰ্গ আৰু অতিৰিক্ত জিলা আয়ুক্ত লুকুমণি বড়া প্ৰমুখ্যে অন্যান্য প্ৰশাসনিক আৰু বিভাগীয় বিষয়াবৰ্গৰ সৈতে এক পৰ্যালোচনা বৈঠকত মিলিত হয়। স্থানীয় আৱৰ্ত ভৱনৰ সভাকক্ষত আয়োজিত এই বৈঠকত আয়ুক্ত সচিব গৰাকীয়ে জিলাখনত আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগ নিয়ন্ত্ৰণ কৰাৰ বাবে বিভাগীয় নীতি-নিৰ্দেশনাসমূহ প্ৰদান কৰে। আনহাতে আয়ুক্ত সচিব গৰাকীয়ে জিলাখনৰ ক্ষতিগ্ৰস্ত গাহৰি পালকসকলৰ সৈতেও মত-বিনিময় কৰি তেওঁলোকে সন্মুখীন হোৱা সমস্যাৰাজি আৰু ক্ষয়-ক্ষতিৰ বিষয়ে বিস্তৃতভাৱে বুজ লয়। গাহৰি পালকসকলে সন্মুখীন হোৱা বিস্তৰ ক্ষয়-ক্ষতিৰ সন্দৰ্ভত চৰকাৰৰ পৰা পাবলগীয়া ক্ষতিপূৰণ তাৎক্ষণিকভাৱে মুকলি কৰি দিয়াৰ ক্ষেত্ৰত এই মত-বিনিময় কালত আয়ুক্ত সচিব গৰাকীয়ে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ বিষয়েও আশ্বাস প্ৰদান কৰে। আয়ুক্ত সচিব গৰাকীৰ সৈতে হোৱা বৈঠকত প্ৰশাসনিক বিষয়াসকলৰ উপৰিও জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ ৰাজেন শৰ্মা, বিভাগীয় ন'ডেল বিষয়া ডাঃ মৰ্জিনা বেগম প্ৰমুখ্যে অন্যান্য বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

# জ্ঞানদীপ জাতীয় বিদ্যালয়, সিদলসতীত শিশু দিৱস উদ্‌যাপন

**অসম বাৰ্তা, উত্তৰ শালমাৰা, ১৫ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সিদলসতীস্থ জ্ঞানদীপ জাতীয় বিদ্যালয়ত বিভিন্ন কাৰ্যসূচীৰে যোৱা ১৪ নৱেম্বৰত শিশু দিৱস উদযাপন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন কৰে বিদ্যালয়ৰ অধ্যক্ষ কন্দৰ্প ৰায়ে। শিশু দিৱসৰ তাৎপৰ্য্যৰ কথা ব্যক্ত কৰি ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যি ভাষণত অধ্যক্ষ গৰাকীয়ে শিশুসকলক তেওঁলোকৰ অধিকাৰ, যত্ন আৰু শিক্ষাৰ বিষয়ে সজাগতা বৃদ্ধি আৰু সৱলীকৰণ কৰাৰ লগতে আজিৰ প্ৰত্যাহ্বানৰ পৃথিৱীত সাহসী হ'বলৈ আহ্বান জনায়। ইয়াৰ পিছতেই কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত নৃত্য প্ৰতিযোগিতা, কবিতা আবৃতি প্ৰতিযোগিতা, চিত্ৰাংকণ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, মুকলি কুইজ প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ পিছতেই বিজয়ী প্ৰতিযোগীসকলৰ মাজত বঁটা বিতৰণ কৰা হয়।

# কঠীয়াতলিত 'বিৰছা মুণ্ডা'ৰ ১৫০ তম্ জন্মজয়ন্তী পালন

**অসম বাৰ্তা, কামপুৰ, ১৫ নৱেম্বৰ ঃ** আজি জনজাতীয় গৌৰৱ দিৱস উপলক্ষ্যে ভগৱান "বিৰছা মুণ্ডা"ৰ ১৫০ তম জন্মজয়ন্তী কঠীয়াতলিৰ উপৰবৰ নামবৰ লালুং গাঁও ৰঙ্গমঞ্চত পালন কৰা হয়। মহান পুৰুষ গৰাকীৰ জন্মজয়ন্তীৰ লগত সংগতি ৰাখি এটি বিনামূলীয়া চিকিৎসা শিবিৰ আৰু বিনামূলীয়াকৈ আধাৰ কাৰ্ড প্ৰস্তুত কৰাৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা ব্যৱস্থা কৰা হয়। অনুষ্ঠানটোত কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰাই উক্ত অনুষ্ঠানৰ শুভাৰম্ভণি কৰে। বৰাৰ সৈতে মৰিগাঁও তিৱা স্বায়ত্ব পৰিষদৰ অধ্যক্ষ মদন বৰদলৈ, কলিয়াবৰ জিলা বিজেপিৰ সম্পাদক মাণিক মজুমদাৰ, কঠীয়াতলি আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী লগতে, কঠীয়াতলি গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ লগতে বিশিষ্ট ব্যক্তিসকল আৰু কঠীয়াতলি গাওঁ পঞ্চায়তৰ সচিব বিষয়ববীয়া সকল উপস্থিত থাকে।

## চোৰ ধৰি ৰাইজে গতালে আৰক্ষীক

# হাজোৰ দামোদৰ দেৱ নামঘৰত চুৰি

**অসম বাৰ্তা, হাজো, ১৫ নৱেম্বৰ ঃ** হাজো আৰক্ষী থানাৰ অন্তৰ্গত কৈৱৰ্তটোলাৰ দামোদৰ দেৱ নামঘৰত চুৰিকাণ্ডৰ ঘটনা। ঘটনাৰ অনুসৰি নিশা হাজোৰ কৈৱৰ্তটোলাৰ শ্ৰীশ্ৰী দামোদৰ দেৱ নামঘৰৰ পৰা নিশা চোৰে নামঘৰৰ পিছ ফালৰ দুৱাৰ ভাঙি পিতলৰ বাচন বৰ্তন, পিতলৰ শৰাই, তামৰ ঘটি আদিকে ধৰি প্ৰণামীৰ বাকচৰ পৰা প্ৰায় ছয় হেজাৰ টকা লুটি লৈ যায়। পুৱা নামঘৰীয়াই নামঘৰত বন্তি জ্বলাবলৈ আহি নামঘৰৰ দুৱাৰ খোলা অৱস্থাত দেখি ততালিকে ৰাইজক খবৰ দিয়ে। পুৱাই নামঘৰত চুৰি হোৱা খবৰ বিয়পি পৰাত নামঘৰৰ প্ৰাংগণত অসংখ্য লোকৰ সমাগম হয়। লগেলগে স্থানীয় ৰাইজে ঘটনা সন্দৰ্ভত এক ৰাইজ মেল অনুষ্ঠিত কৰি কেইজন মান যুৱকক ঘটনা সন্দৰ্ভত অনুসন্ধান চলাবলৈ দিয়াৰ উপৰি হাজো আৰক্ষী থানাক খবৰ দিয়ে। ইয়াৰ পিছতেই ৰাইজৰ প্ৰতিনিধি কেইজনে স্থানীয় কেইজন মান ড্ৰাগছ আসক্ত যুৱকক সন্দেহ কৰি সোধাপচা কৰাত টিংকল দাস নামৰ যুৱক জনে চুৰি কাৰ্য সংঘটিত কৰা বুলি স্বীকাৰ কৰে। লগে স্থানীয় ৰাইজে চোৰ টিংকল দাসক নামঘৰৰ খুটাত ৰছীৰে বান্ধি স্থানীয় আৰক্ষীক খবৰ কৰে। পিছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ চোৰ টিংকেল দাসক আটক কৰাৰ লগতে টিংকলৰ ঘৰৰ পৰা চুৰি হোৱা সামগ্ৰী সমূহ উদ্ধাৰ কৰে।

## চন্দ্ৰপ্ৰভা শইকীয়ানী নাৰীবাদী চিন্তাৰ প্ৰথম গৰাকী বাহক ঃ বিধায়ক বিশ্বজিৎ ফুকন

# একেখন পতাকাৰ তলত একত্ৰিত হ'ল কেইবা শতাধিক মহিলা

## বৰ্ণাঢ্য কাৰ্যসূচীৰে গোলাঘাট জিলা মহিলা সমিতিৰ শতবৰ্ষীয় আৰম্ভণী অনুষ্ঠান, তিনিকুৰি বিশিষ্ট ব্যক্তিক বিশেষ সম্বৰ্ধনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৫ নৱেম্বৰ ঃ** গৌৰৱময় শতবৰ্ষত উপনিট গোলাঘাট জিলা মহিলা সমিতিৰ পতাকাৰ তলত আজি একত্ৰিত হ'ল কেইবা শতাধিক মহিলা। ১০০খন পতাকা উত্তোলনেৰে গোলাঘাট জিলা মহিলা সমিতিৰ শতবৰ্ষীয় বৰ্ণাঢ্য শুভাৰম্ভণী অনুষ্ঠান শুভাৰম্ভণী অনুষ্ঠান আজি দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আৰম্ভ হৈছে। গোলাঘাট জিলা মহিলা সমিতিৰ সম্পাদক ৰূপা শইকীয়াই পৰিচালনা কৰা অনুষ্ঠানত জিলা মহিলা সমিতিৰ সভানেত্ৰী জুৰি দাস ৰাজখুৱাই মূল পতাকা উত্তোলন কৰাৰ লগে-লগেই গোলাঘাটৰ ৯৯ গৰাকী বিশিষ্ট মহিলাই ৯৯খন পতাকা উত্তোলন কৰি অনন্য পৰিৱেশৰ সৃষ্টি কৰে। ডবা, শঙ্খ, কাহ, আয়তিৰ উৰুলীৰে মুখৰিত হৈ পৰে। পতাকা উত্তোলনৰ পাছতে স্মৃতি তৰ্পণ কৰে হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়, গোলাঘাটৰ প্ৰাক্তন অধ্যক্ষ ড° বন্তিৰাণী গগৈ ফুকনে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈয়ে। গোলাঘাট জিলা মহিলা সমিতিৰ সম্পাদিকা ৰূপা শইকীয়াই আঁত ধৰা আৰু সভানেত্ৰী জুৰি দাস ৰাজখোৱাল সভাপতিত্বত অনুষ্ঠিত হোৱা সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰে অধ্যাপক লনি ফুকনে। উক্ত অনুষ্ঠানত ১০০ বছৰ গৰকা গোলাঘাট জিলা মহিলা সমিতিলৈ অৱদান আগবঢ়োৱা পৰিয়াল সমূহৰ তিনিকুৰি বিশিষ্ট ব্যক্তিক বিশেষ সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভুঞা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শুভেচ্ছামূলক বক্তব আগবঢ়ায়। সম্বৰ্দ্ধিত হিচাপে বক্তব্য আগবঢ়ায় বিশিষ্ট শিক্ষাবিদ ড° লুকুমণি গোস্বামীয়ে। সন্ধিয়া নৰ্থ ইষ্ট থিয়েটাৰ একাডেমী দেৰগাঁৱৰ দ্বাৰা মঞ্চস্থ নাট্যকাৰ সপোনজ্যোতি ঠাকুৰৰ 'চন্দ্ৰপ্ৰভা মুক্তিৰ এটি গান' নাটক শুভ উদ্বোধন কৰে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে। উদ্বোধন কৰি দিয়া ভাষণত বিধায়ক ফুকনে কয় যে, চন্দ্ৰপ্ৰভা শইকীয়ানী প্ৰথমগৰাকী নাৰীবাদী চিন্তাৰ বাহক আৰু জিলা মহিলা সমিতিয়ে তেখেতৰ আদৰ্শৰে উদ্বুদ্ধ হৈ শতবৰ্ষ গৰকাতো সমাজ জীৱনৰ বাবে বিশেষ তাৎপৰ্য আখ্যা দিয়ে।

# সমগ্ৰ শিক্ষা মিছনৰ টুইনিং কাৰ্যসূচীৰ অংশ হিচাপে এছিয়ান কিডছ ইংলিছ স্কুলত বৰ্ণাঢ্যৰূপত শিশু দিৱস উদ্‌যাপন

**অসম বাৰ্তা, লেংটিছিঙা, ১৫ নৱেম্বৰ ঃ** অভয়াপুৰীৰ আগশাৰীৰ শিশুকেন্দ্ৰিক ইংৰাজী মাধ্যমৰ বিদ্যালয় এছিয়ান কিডছ ইংলিছ স্কুলত সমগ্ৰ শিক্ষা মিছনৰ টুইনিং কাৰ্যসূচীৰ অংশ হিচাপে আজি বৰ্ণাঢ্য ৰূপত শিশু দিৱস উদযাপন কৰা হয়। সমগ্ৰ শিক্ষা মিছনৰ এই টুইনিং কাৰ্যসূচীৰ মূল উদ্দেশ্য হ'ল চৰকাৰী-চৰকাৰী আৰু চৰকাৰী-বেচৰকাৰী বিদ্যালয়সমূহৰ মাজত গুণগত শিক্ষাৰ মান উন্নয়ন, অভিজ্ঞতা বিনিময় আৰু মিলিত সাংস্কৃতিক, ক্ৰীড়া তথা শিক্ষামূলক কাৰ্যকলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী বিকাশ সাধন কৰা। আজিৰ এই অনুষ্ঠানত ৭৫৬ নং অভয়াপুৰী ২ নং প্ৰাথমিক বিদ্যালয়ৰ আৰু এছিয়ান কিডছ ইংলিছৰ ছাত্ৰ ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰী সকলে অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰে। লগতে এছিয়ান কিডছ ইংলিছ স্কুলৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকসকলে বিভিন্ন গীত আৰু নৃত্য প্ৰদৰ্শন কৰে। টুইনিংৰ অন্তৰ্গত এই শিশু দিৱসত আজি পুৱা সজনগ্ৰাম শিক্ষা খণ্ডৰ ব্লক ৰিছ'ৰ্চ পাৰ্চন ভূপেন চন্দ্ৰ ৰায়ে পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰি বন্তি প্ৰজ্বলন মাধ্যমেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

# কামপুৰৰ পশ্চিম গুইমাৰীত ৰাস উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা, কামপুৰ, ১৫ নৱেম্বৰ ঃ** কৃষ্ণ বন্দনাত মুখৰিত ৰাজ্যৰ প্ৰতিটো প্ৰান্ত। শৰতৰ হিম সনা সেমেকা ৰাতিত শ্ৰী কৃষ্ণ বন্দনাৰে মুখৰিত কামপুৰৰ পশ্চিম গুইমাৰী। ৰাসস্থলিসমূহ পৰিণত হৈছে বৃন্দাবনলৈ। উল্লেখ্য যে ৰাজ্যৰ প্ৰতিটো প্ৰান্তৰ সমান্তৰালকৈ কামপুৰৰ পশ্চিম গুইমাৰীটো ৰাস উদযাপন কৰাৰ লগতে প্ৰদৰ্শন কৰে মহাপুৰুষ শংকৰদেৱ বিৰচিত "কেলিগোপাল" নাট। আনফালে গাঁওখনৰ মহিলা সকলৰ উদ্যোগত আৰু যুৱক-যুৱতীসকলৰ সহযোগত অনুষ্ঠিত এই ৰাসলীলাত কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনাও জনোৱা পৰিলক্ষিত হয়। তদুপৰি চাপৰমুখ জিলা পৰিষদ জোনালী দাস, হোজাই নগাঁও মৰিগাঁৱৰ গড়কাপ্তানী বিভাগৰ অধিক্ষক অভিযন্ত্ৰা গোবিন সিং, সমাজসেৱক ৰুবুল দাসৰ লগতে আন লোকসকলক বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে।

# আমগুৰি চাহ বাগিছাৰ পৰা দুগৰাকী কিশোৰী সন্ধানহীন

**অসম বাৰ্তা, আমগুৰি, ১৫ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি হালোৱাটিঙৰ পৰা দুগৰাকীকৈ কিশোৰী সন্ধানহীন হোৱাৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি হালোৱাটিঙ আৰক্ষী থানাৰ অন্তৰ্গত আমগুৰি চাহ বাগিছাৰ বিকাশ মাঝিৰ কন্যা ১৫ বছৰীয়া প্ৰিয়া মাঝি আৰু ধৰমদাস মাঝিৰ কন্যা ৯ বছৰীয়া তৰুলতা মাঝি যোৱা ১৩ নবেম্বৰৰ বিয়লি ৪ বজাৰ পৰা নিৰুদ্দেশ হৈ আছে। ঘটনা সন্দৰ্ভত স্থানীয় আৰক্ষীক জনোৱা হৈছে বুলি প্ৰকাশ। কোনো লোকে কিশোৰীদ্বয়ৰ সন্ধান পালে স্থানীয় আৰক্ষী অথবা ৬০০১৫৪৯৭৯৭ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ তৰফৰ পৰা আহ্বান জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন